


দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 185 ত্রিবিংশ বছৰ, সংখ্যা- ১৮৫, ৪ জুন, বৃহস্পতিবাৰ, ২০২৬, ২০ জেঠ, ১৯৪৫ শক, BATORI KAKOT, Thursday, 4 June, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




### ৰাজ্যৰ দ্ৰুত অৰ্থনৈতিক বিকাশ-ভৱিষ্যত উন্নয়নৰ ৰোডমেপৰ বিষয়ে কৰিলে অৱগত

# ৰাষ্ট্ৰপতি মুৰ্মুক সাক্ষাৎ মুখ্যমন্ত্ৰী শৰ্মাৰ

## দ্ৰৌপদী মুৰ্মুক সাহস-স্থিতিস্থাপকতা- নেতৃত্বৰ প্ৰতিমূৰ্তি আখ্যা মুখ্যমন্ত্ৰীৰ ঃ ৰাষ্ট্ৰপ্ৰধানৰ কথাই জনসেৱাৰ পথত উৎসাহৰ কাম কৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ জুন ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি ৰাজ্যখনৰ দ্ৰুত অৰ্থনৈতিক বিকাশ আৰু ভৱিষ্যত উন্নয়নৰ ৰোডমেপৰ বিষয়ে অৱগত কৰে। একেৰাহে দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ৰাষ্ট্ৰপতিৰ সৈতে শৰ্মাই প্ৰথমখন বৈঠক হোৱাৰ বাবে বৈঠকখনে তাৎপৰ্য গ্ৰহণ কৰিছে। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত বৈঠকৰ সবিশেষ শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিগৰাকীক 'সাহস, স্থিতিস্থাপকতা আৰু নেতৃত্বৰ প্ৰতিমূৰ্তি' বুলি অভিহিত কৰি কয় যে তেওঁৰ সৈতে মত বিনিময় কৰাটো সদায় এক প্ৰেৰণাদায়ক অভিজ্ঞতা। শৰ্মাই লিখিছে যে ৰাষ্ট্ৰপতিগৰাকীক লগ পোৱাটো সদায় এক প্ৰেৰণাদায়ক অভিজ্ঞতা আৰু তেওঁৰ কথাই আমাৰ জনসেৱাৰ পথত উৎসাহৰ কাম কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিগৰাকীক অব্যাহত থকা বৃদ্ধিৰ যাত্ৰা আৰু আগন্তুক বছৰবোৰত গতি বজাই ৰখাৰ চৰকাৰৰ পৰিকল্পনা সন্দৰ্ভত অৱগত কৰে। তেওঁ কয় যে দ্বিতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ভাৰতৰ দ্ৰুতগতিত বৃদ্ধি পোৱা ■ এঘাৰ পৃষ্ঠাত



### চতিয়াত দুস্কৃতিকাৰীৰ কাণ্ড

## পুখুৰীত বিহ দি মাৰিলে বহু মাছ

**বাতৰি কাকত, জামুগুৰিহাট, ৩ জুন ঃ** চতিয়াৰ কৰৈয়নীৰ এটা পুখুৰীত দুস্কৃতিকাৰীয়ে বিহ ধালি মাছ নিধন কৰাৰ অভিযোগ উত্থাপিত হৈছে। কৰৈয়নীৰ জালাল উদ্দিন নামৰ ব্যক্তিজনে নিজৰ এটা পুখুৰীত প্ৰায় ৫ কুইন্টল মাছৰ পোনা এৰি দিছিল। কিন্তু আজি হঠাতে পুৱা জালাল উদ্দিনে পুখুৰীৰ পাৰত গৈ দেখে যে পোহনীয়া মাছসমূহ মৰি ওপঙি আছে। মৰা মাছসমূহ দেখি চকু কপালত উঠা জালাল উদ্দিনে কয় যে, কোনো অজ্ঞাত দুষ্কৃতিকাৰীয়ে পুখুৰীত ■ এঘাৰ পৃষ্ঠাত

### জি এম চি এইচত অহৰহ চিকিৎসকৰ নিৰীক্ষণত আছে মৃদুমুদ্ৰা



**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ জুন ঃ** নলবাৰীত আক্ৰমণৰ বলি হোৱা মৃদুমুদ্ৰাৰ দেহৰ প্ৰায় ৪-৫টা স্থাত ছুৰিৰ আঘাত লৈ জি এম চি এইচত চিকিৎসাধীন হৈ আছে। ছুৰিৰ আঘাতে মৃদুমুদ্ৰাৰ হাঁওফাঁও পৰ্যন্ত স্পৰ্শ কৰিছিলগৈ। মঙলবাৰে মৃদুমুদ্ৰাৰ স্বাস্থ্যক লৈ কিছু তথ্য সদৰী কৰিছে জি এম চি এইচৰ অধীক্ষক দেৱজিৎ চৌধুৰীয়ে। সংবাদ মাধ্যমৰ আগত দেৱজিত চৌধুৰীয়ে সদৰী কৰা অনুসৰি, পূৰ্বতকৈ স্বাস্থ্য কিছু উন্নত হৈছে যদিও বৰ্তমানো সংকটমুক্ত নহয় মৃদুমুদ্ৰা। তেওঁ লগতে কয় যে দুবাৰ ব্লাড দিয়াৰ পিছত তেওঁৰ হিমগ্ল'বিন ৬.৪ৰ পৰা ৮.৪ হৈছেগৈ। বহুকেইটা পৰীক্ষা এতিয়াও কৰিবলৈ বাকী থকাৰ কথাও উল্লেখ কৰে চৌধুৰীয়ে। তেওঁ লগতে জনায় যে মৃদুমুদ্ৰাৰ মানসিক দিশটো সুস্থিৰ হ'বলৈ কিছুদিনৰ প্ৰয়োজন হ'ব। ■ এঘাৰ পৃষ্ঠাত

### ন্যায়াধীশ শৰ্মিলা ভূঞাৰ আদালতৰ সিদ্ধান্ত

# ৮ জুনৰ পৰা জুবিন গাৰ্গ হত্যাৰ বিচাৰ প্ৰক্ৰিয়া



## মৰিগাঁৱৰ তদানীন্তন এছ পি হেমন্ত দাসসহ ৪ জনক সাক্ষীৰ বাবে জাননী প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ জুন ঃ** ৮ জুনৰ পৰা জুবিন গাৰ্গ হত্যা গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৮ জুনৰ পৰা ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গ হত্যা গোচৰত সাক্ষী তথা এজাহাৰকাৰীসকলৰ সাক্ষ্যগ্ৰহণ কৰা হ'ব। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ আদালতে ৮ জুনৰ দিনা আদালতত সাক্ষ্য প্ৰদান কৰিবলৈ চাৰিজন সাক্ষী আৰু আবেদনকাৰীক সাক্ষ্যদানৰ বাবে জাননী দিছে। মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ হত্যা গোচৰৰ প্ৰথম এজাহাৰকাৰী মৰিগাঁৱৰে ৰাতুল বৰা, মৰিগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া আৰু ভাস্কৰ বৰ্মনক সাক্ষীৰ বাবে জাননী দিছে আদালতে। উল্লেখ্য যে জুবিন গাৰ্গৰ হত্যা গোচৰত প্ৰথম এজাহাৰ দিয়া ৰাতুল বৰাই জুবিন গাৰ্গক হত্যা কৰা হৈছে বুলি সন্দেহ কৰি মৰিগাঁও থানাত এজাহাৰ দাখিল কৰিছিল। ৰাতুল বৰাই এজাহাৰত ■ এঘাৰ পৃষ্ঠাত

### অন-স্ক্ৰীন মাৰ্কিং ব্যৱস্থাক কেন্দ্ৰ কৰি দেশজুৰি বিতৰ্ক

## লোখেণ্ডে প্ৰশান্ত সীতাৰাম চি বি এছ ইৰ নতুন অধ্যক্ষ বৰুণ ভৰদ্বাজক সচিবৰ দায়িত্ব

**নতুন দিল্লী, ৩ জুন ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ অন-স্ক্ৰীন মাৰ্কিং ব্যৱস্থাক কেন্দ্ৰ কৰি দেশজুৰি সৃষ্টি হোৱা বিতৰ্কৰ মাজতে কেন্দ্ৰীয় চৰকাৰে মঙলবাৰে ব'ৰ্ডৰ অধ্যক্ষ আৰু সচিবক বদলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। একে সময়তে খত্ৰত্ত ব্যৱস্থাক লৈ উত্থাপন হোৱা অভিযোগসমূহৰ তদন্তৰ বাবে এজনীয়া অনুসন্ধান কমিটিও গঠন কৰা হৈছে। উল্লেখ্য যে চি বি এছ ইৰ অধ্যক্ষ হিচাপে দায়িত্ব পালন কৰি অহা ৰাহুল সিং ব'ৰ্ডৰ ■ এঘাৰ পৃষ্ঠাত




# বিধায়ক অখিল গগৈৰ মাতৃৰ দেহাৱসান

## মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ জুন ঃ** গুৱাহাটীত আজি পুৱা দেহাৱসান ঘটে বিধায়ক অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈৰ। দীৰ্ঘদিন ধৰি অসুস্থতাত ভুগি থকা প্ৰিয়দা গগৈয়ে ৯৬ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। জানিব পৰা মতে, আজি পুৱা প্ৰায় ৬.২০ বজাত তেওঁৰ মৃত্যু হয়। মাতৃৰ বিয়োগত অখিল গগৈৰ পৰিয়ালত গভীৰ শোকৰ ছাঁ নামি আহিছে। জানিব পৰা মতে প্ৰিয়দা গগৈৰ নশ্বৰদেহ গুৱাহাটীৰ পৰা মৰিয়নিৰ চেলেংহাটলৈ লৈ যোৱা হ'ব। চেলেংহাটতে সম্পন্ন কৰা হ'ব তেওঁৰ শেষকৃত্য। প্ৰিয়দা গগৈৰ মৃত্যুত বিভিন্ন মহলৰ লোকে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

ইফালে, আজি পুৱা ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈয়ে শেষ নিশ্বাস ত্যাগ কৰে। বিধায়ক গৰাকীৰ মাতৃৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে যে বিধায়ক অখিল গগৈৰ শ্ৰদ্ধাৰ মাতৃ প্ৰিয়দা গগৈৰ প্ৰয়াণৰ খবৰ শুনি ■ এঘাৰ পৃষ্ঠাত



### দিল্লীৰ মালৱিয়ানগৰৰ হোটেলত অগ্নিকাণ্ড

# অগ্নিদগ্ধ হৈ ২১ জনৰ মৃত্যু

## ঘটনাৰ সময়ত ৪০ জন লোক আছিল হোটেলত

**নতুন দিল্লী, ৩ জুন ঃ** আজি পুৱা দিল্লীৰ মালৱিয়ানগৰৰ এখন হোটেলত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। প্ৰথমে খবৰ পোৱা গৈছিল যে পাঁচ মহলীয়া হোটেলখনৰ বেছমেণ্টত অগ্নিকাণ্ড সংঘটিত হয়। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, পুৱা ৮.৫০ বজাত বেছমেণ্টত অগ্নিকাণ্ড সংঘটিত হয়। দ্ৰুতগতিত হোটেলখনৰ কোঠাবোৰলৈ জুই বিয়পি পৰে। প্ৰত্যক্ষদৰ্শীয়ে লগতে জনোৱা মতে, হোটেলখনত অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত ভিতৰত ৪০ জন লোক আছিল। ইমান ■ এঘাৰ পৃষ্ঠাত



### গোলাঘাটত ভয়ংকৰ ঘটনা

## একেটা পৰিয়ালৰ ৪ জনক আক্ৰমণ দুৰ্বৃত্তৰ

**বাতৰি কাকত, গোলাঘাট, ৩ জুন ঃ** গোলাঘাটৰ জামুগুৰিৰ নগুৰা গাঁৱত ভয়ংকৰ ঘটনা সংঘটিত হৈছে। একেটা পৰিয়ালৰ ৪জনক চোকা অস্ত্ৰৰে আক্ৰমণ কৰে এটা দুৰ্বৃত্তই। ৰিতুপৰ্ণ হাজৰিকা নামৰ লোকজনৰ বিৰুদ্ধে আক্ৰমণৰ অভিযোগ উত্থাপন হৈছে। নামঘৰৰ ভাওনা সন্দৰ্ভত ৰিতুপৰ্ণৰ সৈতে মতানৈক্য হৈছিল স্থানীয় বিতুল ■ এঘাৰ পৃষ্ঠাত

## কলগাছিয়াত ৰাইজৰ ৰোষত ড্ৰাগছ আসক্ত যুৱক



**বাতৰি কাকত, কলগাছিয়া, ৩ জুন ঃ** কলগাছিয়াৰ বলাইপাথাৰত ৰাইজৰ ৰোষত ড্ৰাগছ আসক্ত যুৱক। ৰাইজে ড্ৰাগছসহ আটক কৰি গতালে কলগাছিয়া আৰক্ষীক। কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বলাইপাথাৰ গাঁৱত ড্ৰাগছসহ হাতে লোটে আটক কৰা হয় বলাইপাথাৰ গাঁৱৰ যুৱক শৰিফুল ইছলামক। উল্লেখ্য যে বলাইপাথাৰ গাঁৱৰ যুৱক দিলপিয়াৰ ওৰফে বোলাৰ নেতৃত্বত দীৰ্ঘদিনৰ পৰা ড্ৰাগছৰ ব্যৱসায় চলোৱাৰ অভিযোগ স্থানীয় ৰাইজৰ। আজি পুৱাই শৰিফুল ইছলামে ড্ৰাগছ ব্যৱসায়ী ভোলাৰ পৰা ড্ৰাগছ কিনি আহোঁতে ৰাইজে হাতে লোটে আটক কৰে। ৰাইজে আটক কৰাৰ লগে লগে ড্ৰাগছৰ কণ্টেইনাৰকেইটা জংঘলৰ মাজত দলিয়াই দিয়াৰ অভিযোগ কৰে স্থানীয় ■ এঘাৰ পৃষ্ঠাত

### দীনদয়াল উপাধ্যায় পঞ্চায়ত সশক্তিকৰণ পুৰস্কাৰ-২০২৫

## নগাঁৱৰ জুমৰমুৰ পঞ্চায়তলৈ ভাৰত চৰকাৰৰ স্বচ্ছ-সেউজ পঞ্চায়ত বঁটা

**বাতৰি কাকত, কামপুৰ, ৩ জুন ঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ অন্তৰ্গত জুমৰমুৰ গাঁও পঞ্চায়তে লাভ কৰিছে ভাৰত চৰকাৰৰ পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ দ্বাৰা প্ৰদান কৰা সন্মানীয় 'দীনদয়াল উপাধ্যায় পঞ্চায়ত সশক্তিকৰণ পুৰস্কাৰ-২০২৫'। আজি নতুন দিল্লীত অনুষ্ঠিত পঞ্চায়ত সমাৰোহত এই বঁটা গ্ৰহণ কৰে পঞ্চায়তখনৰ কাৰ্যকতা সকলে। নগাঁও জিলাৰ কঠীয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জুমৰমুৰ পঞ্চায়তে স্বচ্ছ আৰু সেউজ পঞ্চায়ত শিতানত এই বঁটা লাভ কৰি অত্যন্ত আনন্দিত আৰু গৌৰৱান্বিত হোৱা বুলি প্ৰকাশ কৰিছে ইয়াৰ কাৰ্যকতাসকলে। কলৰ লগতে ৰাইজৰ অংশগ্ৰহণে এই সফলতাৰ শিখৰত সহায় কৰিলে বুলি প্ৰকাশ ■ এঘাৰ পৃষ্ঠাত

### প্ৰতিখন ৰাজ্যত গঠন হ'ব বিশেষ চোৰাংচোৱা শাখা

# ২০৪৭ চনৰ ভিতৰত ড্ৰাগছমুক্ত হ'ব ভাৰতবৰ্ষ

### কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়-ড্ৰাগছ নিয়ন্ত্ৰণ সংস্থাৰ পৰিকল্পনা

**নতুন দিল্লী, ৩ জুন ঃ** ভাৰত ড্ৰাগছমুক্ত হ'বলৈ আৰু মাত্ৰ কেইটামান বছৰ। ২০৪৭ চনৰ ভিতৰত ভাৰতক সম্পূৰ্ণৰূপে ড্ৰাগছমুক্ত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয় আৰু কেন্দ্ৰীয় ড্ৰাগছ নিয়ন্ত্ৰণ সংস্থাসমূহে এক ব্যাপক তিনিবছৰীয়া কাৰ্যপৰিকল্পনা প্ৰস্তুত কৰিছে। এই পৰিকল্পনাৰ অধীনত দেশীয় ড্ৰাগছ কাৰ্টেল, বিদেশত আত্মগোপন কৰি থকা ড্ৰাগছ ■ এঘাৰ পৃষ্ঠাত

## আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীলৈ 'যুৱ-দৰ্শন'ৰ উৎকৃষ্ট বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ জুন ঃ** সাহিত্য আৰু সমাজসেৱাৰ প্ৰতি আজীৱন নিষ্ঠা আৰু অসাধাৰণ অৱদানৰ স্বীকৃতি স্বৰূপে শিলচৰৰ পৰা প্ৰকাশিত সাপ্তাহিক বাংলা পত্ৰিকা আৰু ডিজিটেল মিডিয়া 'যুৱ-দৰ্পণ'ৰ ১৩ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে যোৱা ৩১ মে'ত গুৱাহাটীত এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান আৰু বঁটা প্ৰদান, সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানটোৱে সাহিত্য, সংস্কৃতি আৰু সমাজসেৱাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা বহু বিশিষ্ট ব্যক্তিক এক মঞ্চত একত্ৰিত কৰা হয়। এই উদেশ্যেৰে যোৱা ১ জুনত 'যুৱ-দৰ্পণ'ৰ সম্পাদক আৰু প্ৰকাশক দিলু দাস আৰু সহসম্পাদক তৰালী দেৱীৰ নেতৃত্বত এটি প্ৰতিনিধি দলে অখিল ভাৰতীয় সাহিত্য পৰিষদৰ, অসমৰ ■ এঘাৰ পৃষ্ঠাত



### শিৱসাগৰ বেতবাৰীত দোকানৰ ভিতৰতে ছাত্ৰৰ মৃতদেহ উদ্ধাৰ

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৩ জুন ঃ** শিৱসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত বেতবাৰী চেতিয়া কৈৱৰ্ত গাঁৱত আজি এখন দোকানৰ ভিতৰত চিপ লৈ থকা অৱস্থাত এগৰাকী ছাত্ৰৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গাঁওখনৰ নিবাসী ধৰ্মেন্দ্ৰ হাজৰিকা আৰু নমিতা হাজৰিকাৰ পুত্ৰ মাধৱ জ্যোতি হাজৰিকাৰ মৃতদেহ আজি পুৱা উদ্ধাৰ হয় এখন দোকানৰ ভিতৰত। পুৱা শুৱাপাটি এৰি পৰিয়ালৰ লোকে মাধৱ জ্যোতিক নেদেখি বিচাৰ-খোঁচাৰ কৰি দোকানৰ ভিতৰত চিপ লৈ থকা অৱস্থাত ■ এঘাৰ পৃষ্ঠাত

দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# চাপানলা পাহাৰত ছাত্ৰৰ সৈতে ট্ৰেকিঙত ভাগ ল'লে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ৩ জুনঃ** অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ উদ্যোগত আৰু নগাঁৱৰ গ্ৰাম্য বিকাশ পৰিষদৰ ব্যৱস্থাপনাত বিগত ৩০ আৰু ৩১ মে'ত জিলাখনৰ চাপানালাৰ 'হাতী বন্ধু' শিবিৰত পৰিৱেশ শিক্ষা কাৰ্যসূচীৰ অধীনত এটি দুদিনীয়া 'প্ৰকৃতি শিবিৰ' সফলতাৰে সম্পন্ন হৈ যায়। পৰিবেশ সংৰক্ষণ, জৈব বৈচিত্ৰ্য, বহনক্ষম জীৱনশৈলী আৰু অনাগত প্ৰজন্মৰ বাবে প্ৰকৃতিক সুৰক্ষিত কৰি ৰখাৰ গুৰুত্ব সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে আয়োজিত এই শিবিৰত ৩১ মে'ৰ দেওবাৰে অনুষ্ঠিত এটি কাৰ্যসূচীত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত থাকি অংশগ্ৰহণকাৰীসকলৰ সৈতে ট্ৰেকিঙত অংশগ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ সৈতে প্ৰকৃতি সংৰক্ষণ বিষয়ত মত বিনিময় কৰে। তেওঁ এখন সেউজীয়া আৰু অধিক সুৰক্ষিত ভৱিষ্যত গঢ়ি তোলাৰ বাবে পৰিবেশৰ ৰক্ষাত সমাজৰ সক্ৰিয় অংশগ্ৰহণ আৰু দায়িত্বশীল পদক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। যুৱ প্ৰজন্মৰ মাজত পৰিৱেশ চেতনা জগাই তোলা আৰু প্ৰকৃতি সংৰক্ষণৰ বাবে সামূহিক প্ৰচেষ্টাক উৎসাহিত কৰাৰ লক্ষ্যৰে আয়োজিত এই অনুষ্ঠানত জিলাখনৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ আৰু পৰিৱেশ প্ৰেমীয়ে অংশগ্ৰহণ কৰে।

## শুৱালকুছিত সাতোঁৰ প্ৰশিক্ষণ শিবিৰ মুকলি

**বাতৰি কাকত, শুৱালকুছি, ৩ জুনঃ** বজনগৰী শুৱালকুছিৰ মজিয়াত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সহযোগত গাওঁখনৰ উঠি অহা নৱ প্ৰজন্মটোৱে যাতে শাৰীৰিক উৎকৰ্ষ সাধনৰ যোগেদি নিজকে সবল কৰি তুলিব পাৰে সেই উদ্দেশ্যৰেই কেইবা বছৰ আগতে ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ সোণেশ্বৰ আতৈৰ নামাকৰণেৰে নিৰ্মাণ কৰা সাতোঁৰ প্ৰশিক্ষণ শিবিৰটো মঙলবাৰে ২০২৬ চনৰ বাবে মুকলি কৰা এক গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হোৱাৰ আৰম্ভণিতে হাটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই এগচি বন্তি প্ৰজ্বলন কৰাৰ লগতে ৩০ নং হাজো শুৱালকুছি সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ফিটা কাটি দ্বাৰ মুকলি কৰাৰ পিছত প্ৰশিক্ষণ পৰিচালনা কৰা সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ কাৰ্তিক চন্দ্ৰ মেধিৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথিৰ আসন গ্ৰহণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা সাতোঁৰ প্ৰশিক্ষণ শিবিৰ পৰিচালনা সমিতিৰ সভাপতি হেমন্ত চৌধুৰীয়ে কয় যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে অঞ্চলটোৰ বিভিন্ন দিশত উৎকৰ্ষ সাধনৰ বাবে নিৰ্মাণ কৰা চৰকাৰী সম্পদবোৰ যাতে সদায় সুৰক্ষিত অৱস্থাত থাকে তাৰবাবে ৰাইজে উক্ত সম্পদৰাজি নিজেই চোৱা চিতা কৰি থকাটো অতি প্ৰয়োজন বুলি দোহাৰে। লগতে তেওঁ কয় যে বিগত বৰ্ষবোৰৰ দৰে অনাগত দিনবোৰতো এই অঞ্চলৰ উন্নতিৰ হকে মুখ্যমন্ত্ৰী মহোদয়ে কাম কৰি যাবলৈ সদায় বদ্ধ পৰিকৰ বুলি উল্লেখ কৰে। সভাত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে অঞ্চলটোৰ যি কোনো দিশৰ উন্নয়ন বাবে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি সদায় ৰাইজৰ হকে কাম কৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। আনহাতে বন্তিপ্ৰজ্বলক ডেকা সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই উঠি অহা নৱ প্ৰজন্মটোৰ শাৰিৰীক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে সাতোঁৰ প্ৰশিক্ষণ অতি প্ৰয়োজন বুলি উল্লেখ কৰে। নয়নমণি দাসে আঁত ধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিচালনা সমিতিৰ সম্পাদক তথা সাংবাদিক দিলিপ মেধিয়ে। অনুষ্ঠানটোত ভালেমান প্ৰশিক্ষাৰ্থী আৰু অভিভাৱক ৰাইজ উপস্থিত থাকে।

## টিহুত নলবাৰী জিলা সাহিত্য সভাৰ গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস পালনৰ আয়োজন

**বাতৰি কাকত, টিহু, ৩ জুন ঃ** নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত আৰু স্বৰ্ণ শাখা হিচাপে স্বীকৃত টিহুৰ জলখানা ভঠুৰাখানা শাখা সাহিত্য সভাৰ সহযোগত ৭ জুনত জলখানা ভঠুৰাখানা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সামূহিক শিকন কেন্দ্ৰত দিনজোৰা কাৰ্যসূচীৰে গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস পালনৰ দিহা কৰা হৈছে। সিদিনা পুৱা ১০ বজাত পাৰ্বতিপ্ৰসাদ বৰুৱাদেৱৰ স্মৃতিত বন্তি জ্বলাব অসম সাহিত্য সভাৰ আজীৱন সভ্য ত্ৰিলোচন শৰ্মাই। মাল্যাৰ্পণ কৰিব নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বেজবৰুৱা আৰু জলখানা ভঠুৰাখানা শাখা সাহিত্য সভাৰ সভাপতি কান্তেশ্বৰ কলিতাই। স্মৃতি তৰ্পণ কৰিব জলখানা ভঠুৰাখানা শাখা সাহিত্য সভাৰ উপ সভাপতি নিৰঞ্জন পাটগিৰী, অসম সাহিত্য সভাৰ আজীৱন সভ্য ক্ৰমে সংৰাম ৰাজবংশী, অজিত হালৈ, অৱসৰপ্ৰাপ্ত শিক্ষক মহেন্দ্ৰ ডেকা আৰু অৱসৰপ্ৰাপ্ত জোৱান মুকুল শৰ্মাই। ইয়াৰ পাছতে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰৱৰ্তীৰ সভাপতিত্বত হ'বলগীয়া স্মৃতিচাৰণ সভা উদ্বোধন কৰিব জলখানা ভঠুবাখানা শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি তথা ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত শিক্ষক প্ৰিয়নাথ ডেকাই। সভাত মুখ্য বক্তা হিচাপে জলখানা ভঠুৰাখানা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক কল্যাণ শৰ্মা আৰু আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব জলখানা ভঠুৰাখানা উচ্চমাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা বাক্সা জিলাৰ শিক্ষা বিষয়া প্ৰণৱজ্যোতি কলিতাই। সভাত গীত-মাত, বঁটা প্ৰদান, আজীৱন সভ্যৰ প্ৰমাণ পত্ৰ প্ৰদান আদি অনুষ্ঠানো ৰূপায়ণ কৰা হ'ব। নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতা আৰু জলখানা ভঠুৰাখানা শাখা সাহিত্য সভাৰ সম্পাদক দৰ্পণা কলিতাই অনুষ্ঠানত সাহিত্যপ্ৰাণ লোকসকলৰ উপস্থিতি কামনা কৰিছে।

## ইউ চি চি সন্দৰ্ভত টংলাত বিজেপিৰ সংবাদমেল

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩ জুন ঃ** অসম বিধানসভাৰ সদ্যসমাপ্ত অধিৰেশনত ধ্বনিভোটত সম দেৱানী সংহিতা, অসম - ২০২৬ আইনখন গৃহীত হয়। নাৰীসকল যাতে সুৰক্ষিত হয় তাৰ বাবেই এই আইনখন গৃহীত কৰা হৈছে। গুজৰাট আৰু উত্তৰাখণ্ডৰ পিছতে অসম এই আইন গৃহীত কৰা তৃতীয়খন ৰাজ্য হোৱাৰ বাবে আমি গৌৰৱবোধ কৰিছোঁ। এই মন্তব্য কৰে ভাৰতীয় জনতা পাৰ্টি অসমৰ মুখপাত্ৰ মিতা নাথ বৰাই। ওদালগুৰি জিলাৰ টংলাত মঙলবাৰে অনুষ্ঠিত এক সংবাদমেলত অংশগ্ৰহণ কৰি তেওঁ আৰু কয় ভাৰতীয় ন্যায় সংহিতাৰ অধীনত উপযুক্ত বয়সত যুৱক-যুৱতীৰ বিবাহ সম্পন্ন হ'লেও বা লিভ- ইন সম্পৰ্ক থাকিলেও নাৰীৰ প্ৰতি হিংসা, বৈষম্য আদিৰ দৰে ঘটনা সংঘটিত হৈয়েই আছে। তেনে ক্ষেত্ৰত নাৰীক সুৰক্ষা দিব এই ইউ চি চিয়েই । যুৱক - যুৱতীসকলে লিভ-ইনত থকাৰ এমাহৰ ভিতৰত পঞ্জীয়ন কৰিব লাগিব। ধৰ্মীয় অনুষ্ঠানত বিবাহ পতাসকলেও আইনগতভাৱে বিবাহ পঞ্জীয়ন কৰাটো বাধ্যতামূলক। ইউ চি চি আইনৰ জৰিয়তে বহু বিবাহ, বাল্য বিবাহ আদি বন্ধ কৰা হ'ব। ষষ্ঠ অনুসূচীৰ লোকসকলক এই আইনৰ আওতাৰ বাহিৰত কিয় ৰখা হ'ল বুলি সাংবাদিকসকলে সোধা এক প্ৰশ্নৰ উত্তৰত দলৰ প্ৰচাৰ পেনেলিষ্ট প্ৰিয়ংকা তামুলীয়ে কয়ঃ জনগোষ্ঠীয় লোকসকলৰ জনসংখ্যা বৰ্তমান কমি গৈছে। তেওঁলোকৰ মাজত অপৰাধৰ সংখ্যাও কম। তেওঁলোকে ল'ৰা-ছোৱালীক সমান বুলি ভাবে। সেয়ে তেওঁলোকক আমি সন্মান কৰোঁ। এনেবোৰ কাৰণতে তেওঁলোকক এই আইনৰ আওতাৰ বাহিৰত ৰখা হৈছে। টংলা সমষ্টিৰ বিধায়ক বিকন



চন্দ্ৰ ডেকাই কয় যে জনগোষ্ঠীয় লোকসকলৰ বিবাহ সম্পৰ্কীয় কিছুমান নীতি- নিয়ম আছে সেয়ে তেওঁলোকক এই আইনৰ আওতালৈ অনা নাই। এই আইনখনৰ ক্ষেত্ৰত বিৰোধী পক্ষৰ ভূমিকাক সংবাদমেল সম্বোধন কৰা নেতাসকলে তীব্ৰ ভাষাৰে সমালোচনা কৰে। বিধায়ক অখিল গগৈৰ সমালোচনাৰ উত্তৰত তেওঁলোকে কয়ঃ অখিল গগৈয়ে অপৰাধ হোৱাটো কামনা কৰিছে। তেওঁ বিচাৰে অশান্তিৰ সৃষ্টি হওক। লিভ - ইন সম্পৰ্কত জন্ম পোৱা নৱজাত শিশুৰ দায়িত্ব অখিল গগৈয়ে ল'বনে বুলি তেওঁলোকে ওলোটাই প্ৰশ্ন কৰে। সংবাদমেলত মুখপাত্ৰ মিতা নাথ বৰা, মিডিয়া পেনেলিষ্ট প্ৰিয়ংকা তামুলী , বিধায়ক বিকন চন্দ্ৰ ডেকাৰ উপৰি বি জে পিৰ জিলা সভাপতি অজয় হাজৰিকা, বি টি চিৰ মুদৈবৰী সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱা, জিলা সমিতিৰ প্ৰভাৰী ধীৰেন ডেকা, জিলা সমিতিৰ সাধাৰণ সম্পাদক জৌশ্ৰাং বড়ো আৰু সুজিত সৰকাৰ উপস্থিত থাকে।

## ৰাজ্যৰ ভিতৰতে 'প্ৰজ্ঞান প্ৰতিভা সন্ধানী' পৰীক্ষাত পঞ্চম স্থান লাভ কৰি টিহুলৈ গৌৰৱ কঢ়িয়াই আনিছে ৰূপাংকনা কাশ্যপে

**কুমুদ বৰ্মন, টিহু, ৩ জুনঃ** অসম ৰাজ্যিক প্ৰাথমিক অনুষ্ঠিত কৰা 'প্ৰজ্ঞান প্ৰতিভা সন্ধানী'পৰীক্ষাত চতুৰ্থ শ্ৰেণীৰ পৰা ৰাজ্যখনৰ ভিতৰতে পঞ্চম স্থান লাভ কৰে পূব নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ২ নং নাথকুছি মণ্ডলৰ পূৱ দীঘেলী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী ৰূপাঙ্কণা কাশ্বপে। ৰূপাংকনা কাশ্যপৰ ঘৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত গোৰবাদল গাঁৱৰ পিতৃ ভাস্কৰজ্যোতি দাস আৰু মাতৃ শিখামণি দাসৰ কন্যা। ছাত্ৰীগৰাকীয়ে কঢ়িয়াই অনা এনে সাফল্যত নলবাৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনী,পূব নলবাৰী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ লগতে জিলাখনৰ আটাইকেইটা শিক্ষা খণ্ডৰ শিক্ষক সন্মিলনীৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আনন্দ প্ৰকাশ কৰে। আনহাতে মহকুমা ভিত্তিত দ্বিতীয় স্থানপ্ৰাপ্ত চতুৰ্থ শ্ৰেণীৰ দিব্যজ্যোতি হালৈ আৰু তৃতীয় স্থানপ্ৰাপ্ত শুভ্ৰনীল বৰ্মনকো জিলাখনৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে শুভেচ্ছা জ্ঞাপণ কৰে।

## বনগাঁৱত কম্পিউটাৰ শিক্ষণ প্ৰশিক্ষণ কেন্দ্ৰৰ ফিটা কাটি শুভাৰম্ভ

**বাতৰি কাকত, বৰনৰ্দী, ৩ জুন ঃ** নলবাৰী জিলাৰ ৪০ নং টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২ নং বনগাঁও গাঁও পঞ্চায়তৰ ওপৰ মহলাত থকা জেকেকে শিক্ষা প্ৰতিষ্ঠানত কম্পিউটাৰ শিক্ষণ-প্ৰশিক্ষণ কেন্দ্ৰটোৰ ১ জুনত শুভাৰম্ভ কৰা হয়। দুপৰীয়া ১২ বজাত মংগল উৰুলিৰে আনুষ্ঠানিকভাৱে ৰঙা ফিটা কাটি শিক্ষণ-প্ৰশিক্ষণ কেন্দ্ৰটোৰ শুভাৰম্ভ কৰে শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰা ৰাণী ডেকাই। তাৰ পূৰ্বে এগচি বন্তি জ্বলোৱা হয়। সহযোগ প্ৰদান কৰে শিক্ষয়িত্ৰী নিজৰা ডেকাই। তাৰ পাছত উদ্বোধনী সভা এখন অনুষ্ঠিত কৰা হয়। উক্ত সভাত শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰা ৰাণী ডেকাই কম্পিউটাৰ শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত ব্যাখ্যা আগবঢ়াই উদ্বোধনী ভাষণ প্ৰদান কৰে । পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মাই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ডিজিটেল ইণ্ডিয়াৰ প্ৰসংগ টানি বৰ গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। কাৰ্যবাহী পৰিচালন সঞ্চালক হিচাপে দায়িত্বত থকা নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই হৃদয়ত সদিচ্ছা থাকিলে সকলো সম্ভৱ বুলি কৈ অনুপ্ৰেৰণামূলক ভাষণত কম্পিউটাৰ শিক্ষাই তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ দিশত শিক্ষাৰ্থীক পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ এক সুযোগ দিছে যাক গ্ৰহণ কৰাতো নিতান্তই আৱশ্যক বুলি উল্লেখ কৰে। অতিথি হিচাপে উপস্থিত থকা শিক্ষয়িত্ৰী নিজৰা ডেকাই শুভেচ্ছামূলক ভাষণ দিয়ে। উল্লেখ্য যে, গাঁও পঞ্চায়তখনৰ উদ্যোগত আৰু শিক্ষা প্ৰতিষ্ঠানখনৰ



সহযোগত বিনামূলীয়া নামভৰ্তি তথা কম মাহিলি মাচুলৰ বিনিময়ত প্ৰতি সোমবাৰৰ পৰা শনিবাৰলৈ উক্ত কম্পিউটাৰ শিক্ষাৰ পাঠদান কৰা হ'ব। অভিজ্ঞ শিক্ষকৰ দ্বাৰাই পাঠদান কৰিবলৈ লোৱা উক্ত কম্পিউটাৰ শিক্ষাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীৰ বাবে বিশেষভাৱে তথ্য আৰু প্ৰযুক্তিবিদ্যা বিষয়ৰ নিয়মিত পাঠদানৰো ব্যৱস্থা কৰা হ'ব বুলি শিক্ষা প্ৰতিষ্ঠানখনৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই জানিবলৈ দিয়াৰ লগতে ভাৰত চৰকাৰৰ পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ পৰা (২০১৬/ ১৭ বৰ্ষ) দীনদয়াল উপাধ্যায় পঞ্চায়ত সশক্তিকৰণ পুৰস্কাৰপ্ৰাপ্ত তেতিয়াৰ ২৬ নং বনগাঁও গাঁও পঞ্চায়তৰ সৌজন্যত শুভাৰম্ভ কৰিবলৈ লোৱা কম্পিউটাৰ শিক্ষন-প্ৰশিক্ষণ কেন্দ্ৰটোৱে সমগ্ৰ জিলাখনতেই এক আশাৰ বতৰা কঢ়িয়াই অনাৰ ক্ষেত্ৰত আশাবাদী বুলি অৱগত কৰে। অনুষ্ঠানত শিক্ষক অমৰেন্দ্ৰ হালৈ, দীপাংকৰ হালৈ, ব্ৰজেন তালুকদাৰ, তুলিকা হালৈ প্ৰমুখ্যে একাংশ শিক্ষাৰ্থী তথা অভিভাৱক-অভিভাৱক উপস্থিত থাকে।

## সদৌ অসম চিকিৎসা মহাবিদ্যালয়চিকিৎসালয়-কৰ্মচাৰী সংস্থাৰ অসম চৰকাৰৰ চিকিৎসা শিক্ষা সঞ্চালকৰ সৈতে মৌলিক আলোচনা

**বাতৰি কাকত, শুৱালকুছি, ৩ জুন ঃ** সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ এটি প্ৰতিনিধি দলৰ সৈতে যোৱা ২ জুনত অসম চৰকাৰৰ চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী লগত অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ মৌলিক সমস্যা সমূহৰ বিষয়ে আলোচনা কৰা হয়। প্ৰায় এক ঘণ্টীয়া আলোচনাৰ সময়ত অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ কৰ্মচাৰীসকলৰ স্থায়ী 'চাকৰি সেৱা বিধি' নথকাত 'চাকৰি সেৱা বিধি' সম্পৰ্কে আলোচনা, অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সমূহৰ সকলো চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ গ্ৰেডপেৰ বিষয়ে আলোচনা, লগতে অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সমূহৰ বিভিন্ন দাবী চনদ সম্পৰ্কে বিতংভাবে এটা এটাকৈ মুল সমস্যা সমূহৰ বিষয়ে আলোচনা কৰা হয়। অত্যন্ত সৌহাদ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হোৱা এই বৈঠকত সংস্থাৰ পঞ্জীয়ন সম্পৰ্কীয় বিষয়টো আলোচনা কৰাৰ লগতে ২০২৪ চনৰ ১ জুলাইত চিকিৎসা শিক্ষা সঞ্চালকালয়ত অনুষ্ঠিত হোৱা সংস্থাৰ সভাৰ কাৰ্যবিৱৰণীৰ ওপৰত বিশদভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকত কৰ্মচাৰী সংস্থাৰ তৰফৰ পৰা কৰ্মচাৰীসকলৰ স্বাৰ্থত অষ্টম দৰমহা আয়োগলৈ পৰামৰ্শ প্ৰদান কৰা, জৰুৰীকালীন চিকিৎসা সেৱাত নিয়োজিত কৰ্মচাৰীসকলৰ বাবে ক্ষতিপূৰক বন্ধৰ ছুটি বাহাল ৰখা আৰু চৰকাৰী মানৱ সম্পদ ব্যৱস্থাপনা প্ৰণালী বা এইচ আৰ এম এছ-ৰ বিভিন্ন কাৰিকৰী বিসংগতি সম্পৰ্কীয় বিষয়সমূহ সঞ্চালক মহোদয়ৰ দৃষ্টিগোচৰ কৰা হয়। সংস্থাৰ কেন্দ্ৰীয় নেতৃত্বই চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ অধীনস্থ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়সমূহৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ দীৰ্ঘদিন ধৰি ওলমি থকা সকলোবোৰ গুৰুত্বপূৰ্ণ দাবীৰ এখন দীঘলীয়া তালিকা সঞ্চালক মহোদয়ৰ হাতত অৰ্পণ কৰে আৰু এইসমূহ অতি সোনকালে কাৰ্যকৰী কৰিবলৈ জোৰদাৰ দাবী জনায়। সংস্থাৰ নেতৃবৃন্দৰ সৈতে হোৱা এই সুদীৰ্ঘ আৰু পুংখানুপুংখ ভাৱে হোৱা আলোচনাৰ অন্তত অসম চৰকাৰৰ চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰীয়ে সংস্থাই উত্থাপন কৰা সমস্যাসমূহ অত্যন্ত সদিচ্ছাৰে গ্ৰহণ কৰে। তেখেতৰ পৰ্যায়ত সমাধান কৰিব পৰা সমস্যাসমূহ অতি শীঘ্ৰে নিষ্পত্তি কৰাৰ বাবে সঞ্চালকালয়ৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক প্ৰয়োজনীয় কাৰ্যপন্থা গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰে। ইয়াৰ উপৰিও, যিবোৰ বিষয়ত চৰকাৰৰ উচ্চ পৰ্যায়ৰ হস্তক্ষেপ বা নীতিগত সিদ্ধান্তৰ প্ৰয়োজন, সেই বিষয়সমূহ অতি তৎপৰতাৰে যথাযথ কৰ্তৃপক্ষ তথা অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ ওচৰত উত্থাপন কৰি সমস্যা সমূহ সমাধানৰ বাবে প্ৰচেষ্টা চলাব বুলি সংস্থাক দৃঢ় আশ্বাস প্ৰদান কৰে। এই গুৰুত্বপূৰ্ণ বৈঠকত অসম চৰকাৰৰ চিকিৎসা শিক্ষা উপ সঞ্চালক ডাঃ কুমাৰ পাৰ্থ প্ৰতিম, সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা তথা কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি ৰমেন ভৰালী, কাৰ্যকৰী সভাপতি দিলীপ চাংমা, সাধাৰণ সম্পাদক নবজিৎ দাস, জয়ৰাজ শইকীয়া, মকবুল হুছেইন, নিৰোদ ডেকা, কেশৱ গগৈসহ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সঞ্চালক মহোদয়ৰ এই ইতিবাচক আৰু যোগাত্মক সঁহাৰিৰ বাবে সংস্থাই তেওঁক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

## বঙাইগাঁৱত জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত নৱ নিৰ্বাচিত বিধায়িকা দীপ্তিময়ী চৌধুৰীক সম্বৰ্ধনা

**বঙাইগাঁও, ৩ জুনঃ** বঙাইগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত দেওবাৰে বীৰঝৰা পাব্লিক লাইব্ৰেৰীত বঙাইগাঁও বিধানসভা সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হোৱা বিধায়িকা দীপ্তিময়ী চৌধুৰীক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। এই সম্বৰ্ধনা অনুষ্ঠানত নৱ নিৰ্বাচিত বিধায়িকা দীপ্তিময়ী চৌধুৰীক ক্ৰীড়া সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। বিধায়িকা গৰাকীক জিলা ক্ৰীড়া সন্থাৰ লগতে বঙাইগাঁৱৰ আন বিভিন্ন অনুষ্ঠানেও ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে পূৰ্বৰ বঙাইগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ হেমন্ত শৰ্মাই। জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সদস্য শশীভূষণ মেধিয়ে আঁত ধৰা অনুষ্ঠাৰ উদ্দেশ্য ব্যাখ্যা তথা আদৰণী ভাষণ ৰাখে সন্থাৰ সাধাৰণ সম্পাদক বিকাশ পাঠকে। আনহাতে শুভেচ্ছামূলক বক্তব্য ৰাখে উপ সভাপতি তৰুণ চৌধুৰীয়ে। ইপিনে সম্বৰ্ধনা গ্ৰহণ কৰি বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে কয় যে সমষ্টিবাসী ৰাইজে মোক বহু কষ্ট কৰি জয়ী কৰি ৰাইজৰ কাম কৰিবলৈ আগবঢ়াই দিছে। নাজানো আগন্তুক দিনবোৰত মই কিমানখিনি সফল হ'ব পাৰিম, কিন্তু ৰাইজ লগত থাকিলে কামবোৰ কৰাৰ বাবে চেষ্টা কৰি যাম। তেওঁ সাংসদ ফণীভূষণ চৌধুৰীৰৰ বিষয়ে উল্লেখ কৰি কয় যে তেওঁ সুদীৰ্ঘ ১৯৮৫ চনৰ পৰা বঙাইগাঁৱৰ বিধায়ক, মন্ত্ৰী তথা




বৰ্মান লোক সভাৰ সাংসদ হৈ আছে। তেওঁৰ বলিষ্ঠ পদক্ষেপত বঙাইগাঁৱে এটা অনন্য ৰূপ পাইছে। আজি একমাত্ৰ তেওঁৰ কাৰণেই বঙাইগাঁৱৰ প্ৰত্যেকটো অনুষ্ঠান প্ৰতিষ্ঠান প্ৰাণ পাই উঠিছে। বঙাইগাঁৱৰ কাৰণে তেওঁ বহুত চেষ্টা কৰিছে আৰু বঙাইগাওঁখন তেওঁৰ অতি মৰমৰ। মই কেৱল মাত্ৰ এটা উপলক্ষে বুলিহে সকলোৱে কয়। গতিকে মই তেওঁৰ সৈতে ৰাইজৰ কাম কৰিবলৈ নিশ্চয় আগবাঢ়ি যাম। বিধায়িকা গৰাকীয়ে লগতে কয় যে মোক আপোনালোকে কিবা ভুল ভ্ৰান্তি হলে সমালোচনা নকৰিব। তাৰ সলনি মোক ভুলখিনি দেখুৱাই দিব । আনহাতে সংবাদ মাধ্যমৰ আগত বিধায়িকা চৌধুৰীয়ে কয় যে সম্বৰ্ধনা গ্ৰহণ কৰি ভাল লাগিছে আৰু লগতে যেন অধিক দায়িত্ব বাঢ়িছে তেনে অনুভৱ হৈছে । উল্লেখ্য যে সম্বৰ্ধনা অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ উপৰি বঙাইগাঁও জুবিন গাৰ্গ স্মৃতিৰক্ষা সমিতি, বঙাইগাঁও জিলা কৰ্মচাৰী পৰিষদ, বৰ্ষণগাঁও ক্ৰীড়া সন্থা, অসম ব্ৰাহ্মণ সমাজৰ বঙাইগাঁও আঞ্চলিক শাখা, বঙাইগাঁও পলিটেকনিক, বঙাইগাঁও শংকৰদেৱ শিশু বিদ্যা নিকেতন, নিউ বঙাইগাঁও বিবেকানন্দ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়, দোলাইগাঁও বৃহত্তৰ শ্মশান কমিটি, বঙাইগাঁও জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা, বঙাইগাঁও জিলা ক্ৰীড়া সন্থা ক্ৰিকেট একাডেমী, বঙাইগাঁও মাষ্টাৰ্চ এথলেটিক এচোছিয়েচন, বঙাইগাঁও ক্ৰিকেট কোচিং চেণ্টাৰ, ৰাস মন্দিৰ বাৰোৱাৰী পূজা কমিটি, বৰপাৰা নৱ জেউতি ক্লাৱ, বঙাইগাঁও জিলা ৱৰ্কশ্বপ স্পৰ্টচ ক্লাৱ, বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষক আৰু কৰ্মচাৰী, পুৰণি বঙাইগাঁও ক্ৰীড়া সন্থা, বঙাইগাঁও প্ৰকৃতানন্দ যোগাস্থল, বঙাইগাঁও বাৰ এচোছিয়েচন, বীৰঝৰা মহাবিদ্যালয়, বঙাইগাঁও স্পৰ্টচ একাডেমী, বঙাইগাঁও জৈন সমাজ, বঙাইগাঁও জিলা ফুটবল ৰেফাৰী সন্থা, কোচ ৰাজবংশী লেখিকা সভা, শলিতা শিখা সামাজিক অনুষ্ঠান, দুবিন ফেন ক্লাৱ, বঙাইগাঁও জিলা লেখিকা সমাৰোহ সমিতি, কোচ ৰাজবংশী জিলা সাহিত্য সভা, টুনীয়া সাহিত্য - সংস্কৃতি মঞ্চ, বীৰঝৰা মহিলা সংঘ, চাপৰাকাটা আঞ্চলিক ক্ৰীড়া সন্থা, বিজুলী ক্লাৱ, বঙাইগাঁও হোটেল মালিক সন্থা, বঙাইগাঁও জিলা কৰুণাধাৰা সমিতি আদিকে ধৰি মুঠ ৪৫ টা মান বিভিন্ন অনুষ্ঠান - প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বিধায়িকা গৰাকীক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ উপ সভাপতি তথা অসম ক্ৰিকেট সন্থাৰ আম্পাৰিং বৰ্ডৰ সভাপতি পৰিমল সিংহ, সমাজকৰ্মী অশোক নাৰায়ণ দেৱ, সমাজ সেৱিকা তথা প্ৰবীণ খেলুৱৈ লীনা সিংহ আদিও উপস্থিত থাকে।

## দৰং মহাবিদ্যালয়ত মহিলা ফুটবল ক্লাব গঠন

**বাতৰি কাকত, তেজপুৰ, ৩ জুন ঃ** শিক্ষাৰ সমান্তৰালভাৱে ছাত্ৰীসকলক ক্ৰীড়াৰ ক্ষেত্ৰতো সমানে আগবাঢ়ি যোৱাৰ লক্ষ্যৰেউত্তৰ অসমৰ অগ্ৰণী উচ্চশিক্ষানুষ্ঠান দৰং মহাবিদ্যালয়ে শেহতীয়াকৈ অধিক গুৰুত্ব আৰোপ কৰিছে । এনে লক্ষ্যৰেই তেজপুৰৰ ঐতিহ্যমণ্ডিত দৰং মহাবিদ্যালয়ত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিভাৱান খেলুৱৈসকলক লৈ গঠন কৰা হৈছে 'দৰং মহাবিদ্যালয় মহিলা ফুটবল ক্লাব'। উল্লেখ্য যে, সোমবাৰেদৰং মহাবিদ্যালয়ৰ খেলপথাৰত 'দৰং মহাবিদ্যালয় মহিলা ফুটবল ক্লাব' আৰু 'পুঠিমাৰী ফুটবল ক্লাব'ৰ মাজত এখন প্ৰীতিমূলক খেল অনুষ্ঠিত হৈ যায় । তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখনত পুঠিমাৰী ফুটবল ক্লাবে ২-১ গ'লৰ ব্যৱধানত জয়লাভ কৰে। এই সন্দৰ্ভত দৰং মহাবিদ্যালয়ৰ অধ্যক্ষই জানিবলৈ দিয়ে যে মহাবিদ্যালয়ত নামভৰ্তি কৰা প্ৰতিভাৱান মহিলা ফুটবল খেলুৱৈসকলক বিশেষ সা-সুবিধা প্ৰদানৰ লগতে হোষ্টেলৰ সুব্যৱস্থাও কৰা হ'ব। ৰাজ্য তথা সমগ্ৰ দেশতে মহিলাৰ মাজত ফুটবলৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ লক্ষ্যৰে মহাবিদ্যালয় কৰ্তৃপক্ষই এই পদক্ষেপ গ্ৰহণ কৰিছেবুলিও তেওঁ মন্তব্য কৰে।

# নৰকান্ত বৰুৱাৰ অনুপম কাব্যসৃষ্টি 'ক্ৰমশঃ'— এক বিশ্লেষণ

■ হিমাংশু ৰঞ্জন ভূঞা

নৰকান্ত বৰুৱা আধুনিক অসমীয়া কবিতাৰ এটি চিনাকি নাম। আধুনিক কবি হিচাপে নৰকান্ত বৰুৱাৰ কবিতাৰ জগতখন অনন্য আৰু ব্যাপক। জীৱন আৰু জগতৰ সূক্ষ্ম বিশ্লেষণ আৰু দৰ্শনেৰে তেওঁৰ কবিতা সমুজ্জ্বল। সেয়ে তেওঁৰ কবিতাবোৰ পঢ়িলে কেতবোৰ বৈশিষ্ট্য দৃষ্টিগোচৰ হয়। নৰকান্ত বৰুৱাৰ কবিতাৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে কেতিয়াবা যদি তেওঁ সমাজ ব্যৱস্থা আৰু মূল্যবোধৰ অৱক্ষয় দেখি বীভৎসতাৰ প্ৰতি এক বিদ্ৰোহ ঘোষণা কৰিছে; কেতিয়াবা আকৌ আধ্যাত্মিক চিন্তাৰে আস্বস্ত হৈছে। তথাপি তেওঁ আশাবাদী নতুন দিনৰ বাবে; য'ত সমাজবাদী আদৰ্শৰে জীৱন সুন্দৰ কৰাৰ বাসনা জড়িত হৈ আছিল। বহু সময়ত এনে সমাজবাদী আদৰ্শত ভয়, শাস্ত্ৰৰ এক দ্বিখণ্ডিত অৱস্থাৰ উমান তেওঁৰ কবিতাৰ মাজেৰে প্ৰকাশ পোৱা দেখা গৈছে। নৰকান্ত বৰুৱাই কবিতাৰ কথাবস্তু, ৰূপবস্তু, ছন্দ-চেতনা আৰু নতুন আংগিকেৰে আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত এক নতুন ৰূপৰ সূচনা কৰিলে। সেই ৰূপেই আজিৰ আধুনিক কবিৰ কবিতাৰ মাজেদি অনুৰণিত হৈ আছে। লক্ষণীয় যে নৰকান্ত বৰুৱাই যিবোৰ কবিতা ৰচনা কৰিছিল; তাৰ ভাব আৰু অভিব্যক্তি বিচাৰ কৰিলে দেখা যায় যে তেওঁ মাৰ্ক্সীয় চিন্তাৰ দ্বাৰা আধুনিক প্ৰগতিবাদী ধাৰাৰ সমৰ্থক আছিল। আনহাতে ৰোমাণ্টিক মানসিকতাৰ অদাৰ্শনিক সঙ্গৰ পৰাও তেওঁ কিছু পৰিমাণে আঁতৰি থাকিল। যাৰ বাবে আৰম্ভণিৰে পৰা নৈতিক আধ্যাত্মিক আকুলতা বা প্ৰচেষ্টাৰ পৰাও তেওঁৰ কবিতা দূৰত ৰ'ল। এজন কবি হিচাপে তেওঁ এলিয়টৰ আধ্যাত্মিক জীৱনবোধৰ লগতো গভীৰভাৱে সোমাই নাথাকিল। ফলত তেওঁ ৰোমাণ্টিক কবিসুলভ চেতনাৰে কবি হৈ ৰ'ল। আনফালে আনল্ডৰ বিলাপবাদী কবিতাহে নৰকান্ত বৰুৱাৰ কবি প্ৰাণৰ আদৰ্শ হৈ পৰা দেখা গ'ল। একেদৰে সমাজবাদী আদৰ্শৰ প্ৰতি আস্থাশীল কবিৰ চিন্তাত 'সত্যাগ্ৰহী' ধাৰণাই নতুন ৰূপত ক্ৰিয়া কৰিছিল। এজন কবি হিচাপে বৰুৱাৰ এনে ধাৰণাই নতুন পথৰ সন্ধান দিয়া বুলিব পাৰি।

নৰকান্ত বৰুৱাৰ কবিতাৰ মাজেৰে বিচাৰি পোৱা যায় এজন অধ্যয়নপুষ্ট আৰু হৃদয় সংবাদী লোক। তেওঁৰ কবিতাত খলিল জিব্ৰান, হুইটমেন, মায়াভাস্কি, এলিয়ট আদিৰ প্ৰভাৱ পৰিছে। পাশ্চাত্য কবিৰ চিন্তাৰ প্ৰভাৱ পৰিলেও সেই প্ৰভাৱে থলুৱা স্বজাতিৰ আপোন পৰিবেশৰ পৰা কবিক আঁতৰাই নিব পৰা নাই। ইয়াতেই কবি বৰুৱাৰ মৌলিকত্ব লুকাই আছে। সেয়েহে হয়তো তেওঁৰ কবিতাত আধুনিক নগৰীয়া জীৱনৰ অন্ধকাৰ, কদৰ্যময় আৰু ফোঁপোলা স্বৰূপটো নিটোল ৰূপত ফুটি উঠিছে। তাৰ লগে লগে গ্ৰাম্য সমাজৰ স্নিগ্ধ আৰু নিৰ্মল ছবি এখনিও তেওঁৰ কবিতাৰ মাজেৰে ফুটি উঠিছে। এনে কিছুমান কাৰণতেই নৰকান্ত বৰুৱাৰ কবিতাবোৰে সহৃদয় পাঠকৰ অন্তৰস্পৰ্শী মান সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে। নৰকান্ত বৰুৱাৰ কবিতাৰ জগতখনলৈ লক্ষ্য কৰিলে কেতিয়াবা নিৰাশাৰে আচ্ছন্ন প্ৰবল দুখবাদ, আকৌ কেতিয়াবা সুখৰ বন্যাত উটি গৈ পৃথিৱী জয় কৰা মানসিক প্ৰশান্তিৰে এটি আশাভৰা মনৰ সম্ভেদ পোৱা যায়। সেয়েহে ক'ব পাৰি নৰকান্ত বৰুৱাৰ কবিতা অনন্য আৰু অনুপম। তেওঁৰ কবিতাত আছে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সোণালী সপোন। এই ত্ৰিকালৰ সংযোগে তেওঁৰ কবিতাক আধুনিক অসমীয়া কাব্য জগতত এক সুকীয়া বিশেষত্ব প্ৰদান কৰিছে। সেয়ে তেওঁৰ কবিতাত ভিন্ন বিষয়েৰে ভিন্ন বিশেষত্ব বিচাৰি পোৱা যায়। নৰকান্ত বৰুৱাৰ কবিতাৰ ভাষা জটিলতাৰ সুকোমল দলিচা বুলিব পাৰি। কাৰণ তেওঁৰ কবিতাৰ ভাষা উপমাৰ ভাষা। কবিয়ে জীৱনত লাভ কৰা অভিজ্ঞতা, অনুভূতি, উপলব্ধি আদিবোৰ মনৰ জোখেৰে প্ৰকাশ কৰিবলৈ যাওঁতে যি ভাষাৰ উৎপত্তি হৈছে; সেয়াই তেওঁৰ কবিতাৰ ভাষা বুলিব পাৰি। অৱশ্যে প্ৰতীক আৰু চিত্ৰকল্প প্ৰয়োগত নৰকান্ত বৰুৱা সু-সমৃদ্ধ। আধুনিক কবি হিচাপে চিনাকি দিবলৈ নৰকান্ত বৰুৱাৰ 'হে অৰণ্য হে মহানগৰ', 'সম্ৰাট', 'ৰাৱণ', 'বোধিদ্ৰুমৰ খৰি', 'পলস', 'মনত পৰেনে অৰুন্ধতী, ইয়াত নদী আছিল' আদি কবিতাসমূহেই যথোপযুক্ত বুলি ক'লেও বঢ়াই কোৱা নহ'ব। এই কবিতাবোৰৰ মাজেৰে কবিৰ যুক্তিবাদী মন, উচ্চ দাৰ্শনিক চেতনা, চিন্তাৰ গভীৰ আবেশ, মননশীল অধ্যয়নৰ সু-শৃঙ্খলিত সুৰ, ইতিহাস-চেতনা, নাৰীৰ প্ৰতি শ্ৰদ্ধা, আধ্যাত্মিক আদৰ্শ, ইন্দ্ৰিয়াতীত সুষমা, নগৰীয়া জীৱনৰ ক্লীৱতা আদিৰ একোখন নিটোল ছবি প্ৰস্তুত কৰিবলৈ সক্ষম হৈছে।

মুঠতে নৰকান্ত বৰুৱা কবি হিচাপে আধুনিক কবিতাৰ এক নব্য ধাৰাৰ সৃষ্টি কৰোঁতা। তেওঁৰ কবিতাত সমসাময়িক সমাজ-ব্যৱস্থা, ইতিহাস, ভাৰতীয় উপনিষদীয় চিন্তা তথা বৌদ্ধৰ আদৰ্শলৈকে এক বিশাল ঠাই অধিকাৰ কৰি আছে। কবি হিচাপে গভীৰ বুদ্ধিনিষ্ঠতা, অভিব্যক্তিৰ যথাযথ উপস্থাপন, মৌলিক গুণ সমৃদ্ধ বিচিত্ৰ কাব্যশৈলী, ছন্দৰ ন ন প্ৰয়োগ আদিবোৰেৰে তেওঁৰ কবিতাৰ আংগিক, ৰূপবস্তু, ভাববস্তু আচ্ছান্ন, যাৰ বাবে আধুনিক অসমীয়া কবিতা সৃষ্টিত তেওঁক এজন সাৰ্থক শিল্পী বুলি কোৱা হয়। অৰ্থাৎ ৰং আৰু ৰেখাৰ জৰিয়তে তেওঁ যি ছবি আঁকি গৈছে; তাৰ গুণ উত্তৰ সুৰীসকলে লাভ কৰিছে। সেয়ে কবি হিচাপে নৰকান্ত বৰুৱা এজন শ্ৰেষ্ঠ কবি হিচাপে চিৰকাল জিলিকি ৰ'ব। প্ৰকৃত অৰ্থত অসমীয়া পাঠকৰ নৰকান্ত বৰুৱাই আধুনিক কবিতাৰ যি সোৱাদ দি গ'ল; সেয়া সকলো পাঠকৰ বাবে আমোদজনক হৈ ৰ'ব বুলি আশা কৰিব পাৰি।

নৰকান্ত বৰুৱাৰ দ্বাৰা ৰচিত এটি উল্লেখযোগ্য কবিতা হ'ল ক্ৰমশঃ। নৰকান্ত বৰুৱা এজন আধুনিক কবি। আধুনিক কবি হিচাপে নৰকান্ত বৰুৱাৰ কবিতাত ইতিহাস চেতনা তীক্ষ্ণ ৰূপত ধৰা দিছে। কোৱা হয় নৰকান্ত বৰুৱাৰ বহুবোৰ কবিতাত এলিয়ট কবিতাৰ প্ৰভাৱ আছে। এলিয়টৰ কবিতাৰ প্ৰভাৱ লক্ষ্য কৰা এটি সাৰ্থক কবিতা হ'ল ক্ৰমশঃ। কবিতাটিৰ ভাব আৰু চিত্ৰকল্পৰ ক্ষেত্ৰত এলিয়টৰ প্ৰভাৱ স্পষ্ট। আধুনিক কবি হৈয়ো সহজ জীৱন কবি নৰকান্ত বৰুৱাৰ কাম্য আদৰ্শ। কিন্তু মানুহে সহজ জীৱন গ্ৰহণ কৰিব নোৱাৰে। কাৰণ মানুহ কল্পনাবিলাসী। সেয়ে জীৱনৰ সৰ্বোচ্চ পায়ো কামনাৰ উৰ্দ্ধত গৈ শান্তিৰে সকলো গ্ৰহণ কৰিব নোৱাৰে। ফলস্বৰূপে ব্যক্তিগত জীৱনৰ লগতে সমাজ জীৱনো অশান্ত আৰু উচ্ছৃঙ্খল হৈ ধ্বংসৰ লীলা সৃষ্টি কৰে। সমাজ জীৱনৰ ব্যৰ্থতাই মানুহ আৰু সভ্যতাৰ ব্যৰ্থতাক ইঙ্গিত কৰে। ক্ৰমশঃ কবিতাটিৰ মাজেৰে কবিয়ে এফালে জীৱনৰ অনুৰ্বৰতা আৰু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে সভ্যতাৰ পতন তথা সভ্যতাৰ ব্যৰ্থতা প্ৰকাশ পাইছে।

'ক্ৰমশঃ' কবিতাটিৰ মূল বিষয় হিচাপে কবিয়ে অতীত ইতিহাসৰ চিনাকি ৰূপকথাক ৰসাল ৰূপত চিত্ৰিত কৰিছে। সময় আৰু সভ্যতাৰ মাজৰ উত্থান পতনক কবিয়ে অতীত, বৰ্তমান আৰু ভৱিষ্যতলৈকে একেডাল সূতাৰে বান্ধি লৈ সকলো সময়ৰ গৰ্ভত সোঁৱৰণ হৈ ৰোৱাৰ অব্যক্ত বেদনা প্ৰকাশেই কবিতাটিৰ মূল উপজীব্য বুলিব পাৰি। য'ত লোক-সাহিত্যৰ অনন্য সমল স্বৰূপে সাধুকথাৰ ভিন্ন কাহিনী তথা স্বৰ্গদেউৰ জৰিয়তে বুৰঞ্জীক স্মৰণৰ কৰাৰ অভিপ্ৰায় জাগ্ৰত হৈছে। কবিয়ে ইতিহাসৰো ইতিহাসৰ পৰা আৰম্ভ কৰি স্তৰে স্তৰে কেনেদৰে সভ্যতাৰ প্ৰসাৰ আৰু পৰিৱৰ্তন কালক্ৰমত অতীত হৈ পৰিছে; তাৰ সন্দৰ বৰ্ণনা কবিতাটিৰ মাজেৰে দাঙি ধৰিছে। ক্ৰমশঃ কবিতাটিত কবিয়ে বুজাব বিচাৰিছে যে, সময়ৰ বুকুত ইতিহাস আৰু সভ্যতাৰ উত্থান-পতন চলি থাকে। সভ্যতাই সমাজ আৰু সমাজেই ইতিহাস সৃষ্টি কৰে। কিন্তু সময় গৈ থাকে, সময় নয়। অথচ, সময় চক্ৰাকাৰত ঘূৰি থাকে লাহে লাহে। ক্ৰমশঃ সময়ে গিলি নিয়ে যুগৰ পিছত যুগ। যুগৰ পিঠিত উঠি যুগ আহে। কিন্তু সময়ে সকলো ইতিহাসলৈ পৰ্যবসিত কৰে।

কবিৰ ভাষাত ক'বলৈ গ'লে ক'ব পাৰি, কবিয়ে যিখন দেশ চিনি পাইছিল, তাত তেজীমলা মৰি ফুলকলি হয়, পাতালপুৰীৰ টোপনি যোৱা ৰাজকুঁৱৰীক ৰাজকোঁৱৰে জগায়, ইয়াৰ মাজেৰে কবিয়ে জীৱন আৰু সভ্যতাৰ প্ৰতি মানুহৰ মনত সৃষ্টি হোৱা উৎসুক্য প্ৰকাশ কৰিছে। তাঁতশালত চিলনীৰ জীয়েক চক খাই উঠাৰ দৰে কবিয়ে চক খাই উঠিছে সভ্যতাৰ পতন দেখি। যেন এক অবিশ্বাস্য বিভ্ৰান্তি। সাউদৰ ডিঙা বেহালৈ যায়; অৰ্থাৎ কবিয়ে ইয়াৰ জৰিয়তে সভ্যতাৰ নাও আগবঞ্জ যোৱাৰ ইঙ্গিত দিছে। কিন্তু সেই নাঁও চলি থাকে। কমলাকুঁৱৰী বুৰি যায়, স্বৰ্গদেউ নাই, কাৰবালা নাই; সোণৰ প্ৰতি সাউদৰ পিয়াহ, সময়, ঘঞ্জী, বীজগণিত, লীলাৰ ডিঙিৰ মণি আদিবোৰে কবিতাটিক অধিক অৰ্থবহ কৰি তুলিছে। পাতালৰ পানী, আকাশৰ পানীৰ মাজেৰে কবিয়ে সভ্যতা আৰু সময়ৰ মাজৰ চিৰসত্য বাস্তৱ যোগসূত্ৰক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছে যেন ধাৰণা হয়। আনফালে লুণীয়া তেজ, শুকান হাড়, শিজু কাঁইট, মৰা পৃথিৱী আদি শব্দ প্ৰয়োগে কবিতাটিৰ বিষয়বস্তু সঘন কৰি তুলিছে। কবিতাটিৰ মাজেৰে প্ৰতীক তথা আমাৰ চিনাকি ৰূপকথা সদৃশ সাধুকথাৰ বিভিন্ন চৰিত্ৰক টানি আনিছে। ঠিক একেদৰে স্বৰ্গদেউ, কাৰবালা সোঁৱৰণে বুৰঞ্জীক টানি অনা যেন ধাৰণা হয়। সিয়ে হ'লেও এই দুই সত্তাৰ মাজেৰে ইতিহাস আৰু সভ্যতাৰ অগ্ৰগতি আৰু অৱক্ষয়ৰ দিশ এটিলৈহে কবিয়ে আঙুলিয়াব বিচাৰিছে যেন অনুমান হয়। সময় আৰু ইতিহাসৰ মাজৰ এৰাব নোৱাৰা সম্পৰ্কৰে জীৱন বা সভ্যতা আগবাঢ়ে; আৰু এদিন সকলো শেষ হয়। নতুনকৈ সকলো আৰম্ভ হয়। ইতিহাস কমলা কুঁৱৰী, ডাইনী বুঢ়ী, জলকোঁৱৰৰ কাহিনীৰ দৰে সাধুকথা হয়গৈ। এনে বাৰ্তাই কবিতাটিৰ বিষয়বস্তুৰ মজ্জাত নিহিত হৈ আছে।

নৰকান্ত বৰুৱাই জীৱনৰ প্ৰথম স্তৰত ৰচনা কৰা কবিতাসমূহৰ ভিতৰত এটি প্ৰসিদ্ধ কবিতা হ'ল 'ক্ৰমশঃ'। কবিতাটিৰ মাজেৰে কবিৰ প্ৰাৰম্ভিক কাব্যচিন্তাৰ প্ৰকাশ দেখা গৈছে। কবিয়ে কাব্যিক জীৱনৰ প্ৰথম স্তৰত ৰচনা কৰা কবিতাসমূহত টি. এছ. এলিয়টৰ প্ৰভাৱ পৰিলক্ষিত হয়। ক্ৰমশঃ কবিতাটিৰ মাজেৰে কবিয়ে নিজৰ অভিব্যক্তি প্ৰকাশ কৰিবলৈ যাওঁতে যি ভাব আৰু কল্পচিত্ৰ প্ৰয়োগ কৰিছে সিয়ো এলিয়টৰ পৰাই গ্ৰহণ কৰিছে যেন ধাৰণা হয়। এলিয়ট 'The Hollow Man' নামৰ কবিতাটিৰ এটি পংক্তিৰ অনুসৰণ ৰূপে নৰকান্ত বৰুৱাই ক্ৰমশঃ কবিতাটিত অসমৰ মাটিৰ চিনাকি ৰূপকথাৰ অৱতাৰণাৰে এনেদৰে প্ৰয়োগ কৰা যেন ধাৰণা হয়- 'কমলা কুঁৱৰী বুৰি গ'ল / কমলা কুঁৱৰী বুৰি গ'ল, আৰু / ইতিহাস জুৰি পৰি ৰ'ল মাথোঁ / শুকান হাড়ৰ / সিজু কাঁইটৰ দেশ / মৰা পৃথিৱীৰ দেশ।' কবি নৰকান্ত বৰুৱাৰ এনে কাব্যিক অনুভৱ আৰু বাস্তৱবোধৰ মাজেৰে কবিতাটিত যি ভাবৰ উন্মেষ ঘটিছে; সিয়েই কবিৰ আদৰ্শক দাঙি ধৰিছে।

কবিৰ মতে তেওঁ সামাজিকভাৱে দায়বদ্ধ। তেওঁ বিচাৰে শিল্প-সাহিত্য সমাজ পৰিৱৰ্তনৰ উপাদান হওক। এই পৰিৱৰ্তন ক্ৰমশঃ কবিতাটিৰ মাজেৰে সুন্দৰ ৰূপত উপস্থাপন কৰিছে। কবিয়ে ইতিহাসক সমাজৰ স্তৰে স্তৰে হোৱা উত্থান আৰু সেই উত্থানে আনি দিয়া অভিলাষেই পতনৰ কাৰণ হোৱা, আকৌ পতনৰ শেষত নতুন উত্থান আদিয়েই কবিৰ চিন্তা জগত পৰিমেয় হৈ উঠিছে। কবিয়ে 'ক্ৰমশঃ' কবিতাটিৰ নামকৰণেৰে যি অভিব্যক্তি দাঙি ধৰিব বিচাৰিছে; সিয়েই কবিতাটিৰ কাব্যচিন্তা ৰূপে পৰিগণিত হৈছে। সেয়ে কৰিয়ে কৈছে- 'শুকান হাড়ৰ / সিজু কাঁইটৰ দেশ/মৰা পৃথিৱীৰ দেহ।"

কবি নৰকান্ত বৰুৱাই জানে, সময় গতিশালী। সময় কাৰো বাবে নৰয়। ক্ৰমশঃ কবিতাটিৰ মাজেৰে কবিৰ কাব্যিক চেতনা সময় সচেতনতালৈ গতি কৰিছে। কবিৰ মতে, সময়ে যুদি যুগে বহুত ইতিহাস গিলি থৈছে। কত ইতিহাসৰ সাক্ষী হ'ল সময়ঙ্গসময়ে সমাজ, সভ্যতাৰ পৰিৱৰ্তন আৰু বিবৰ্তন দেখিছে, আগলৈও এই ব্যৱস্থাৰ সাক্ষী বৈ ৰ'ব সময়। কবিয়ে কৈছে- কাৰবালাৰ পৰা বীজগণিতৰ সৃষ্টিলৈকে সকলো আৱিষ্কাৰৰ সাক্ষী হৈছে সময়। সেয়ে কবিয়ে সময়চেতনাক অধিক গুৰুত্ব আৰু উপলব্ধিৰ প্ৰাণ ঢালি দিছে।

ক্ৰমশঃ কবিতাটিৰ মাজেৰে কবি নৰকান্ত বৰুৱাৰ বিলাপবাদী কাব্য চিন্তাৰ আভাস পোৱা যায়। এনে বিলাপবাদী কাব্যিক আদৰ্শ নৰকান্ত বৰুৱাই ভিক্টৰিয়ান যুগৰ কবি আনল্ডৰ পৰা গ্ৰহণ কৰা বুলিব পাৰি। 'ক্ৰমশঃ' কবিতাটিত এই বিলাপকাৰী সুৰটোৰ এনেদৰে প্ৰকাশ পাইছে- 'আছিলো ৰজাৰ পুতাই / তপত বালিত পৰি কান্দো আজি আৰু বা কি বিলৈ? / আৰু কি বিলৈ?/ কিহৰ বিলৈ? - অৰ্থাৎ জীৱনৰ অগ্ৰগতিৰ খতিয়ান সোঁৱৰণ আৰু সেই সোঁৱৰণ ইতিহাস হৈ ৰোৱাৰ পিছত এটি সাধুকথালৈ ৰূপান্তৰিত হোৱাৰ যি বেদনা, সেই বেদনাই ইয়াৰ মূল অভিব্যক্তি ৰূপে কবিৰ কাব্যচিন্তাৰ ক্ৰিয়া কৰিছে।

ক'ব পাৰি, কবি নৰকান্ত বৰুৱাৰ কাব্যজীৱনৰ আগবয়সৰ এটি সাৰ্থক ৰচনা হ'ল ক্ৰমশঃ। ক্ৰমশঃ কবিতাটিৰ নামকৰণৰ অৰ্থই হ'ল লাহে লাহে, ক্ৰমে ক্ৰমে বা পৰ্যায়ক্ৰমে। কবিতাটিৰ এই অৰ্থবহ গুণেই কবি বৰুৱাৰ কাব্যচিন্তাৰ আভাস পোৱা যায়। কবি হিচাপে এজন সচেতন কবিৰ কাব্যিক আবেদন সমাজক, সভ্যতাৰ ব্যৰ্থতাৰ প্ৰতিছবি ক্ৰমশঃ কবিতাটিৰ মাজেৰে সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। এফালে আশাবাদ, সমাজবাদী আদৰ্শ, জীৱনধৰ্মী শিল্পকলা, ইতিহাস চেতনা, সময় চেতনা, প্ৰগতিবাদী চিন্তা। আনফালে ৰোমাণ্টিক কল্পনাবিলাস, বিলাপবাদী চিন্তা আৰু ব্যৰ্থতাৰ বেদনা আদি কাব্যিক চিন্তা কবিতাটিৰ মাজেৰে প্ৰকাশ পাইছে। কবিতাটিৰ ভাব আৰু কল্পচিত্ৰ মন কৰিবলগীয়া। কবিয়ে জীৱনধৰ্মী ধাৰণাক গভীৰভাৱে উপলব্ধি কৰিব নোৱাৰিলেও তাৰ লগত সহযোগিতাৰে প্ৰগতিবাদী ধাৰণাৰ পক্ষপাতিত্ব কৰা দেখা গৈছে। সময়ৰ বুকুত হেৰায় যোৱা মানুহৰ জীৱন আৰু সভ্যতা সাধুকথাৰ দৰে হয়। সেয়ে কবিয়ে কৈছে- '...জীৱনৰ সৰীসৃপ আহিছে বগাই.../ আৰু কি বিলৈ আছে / কোনে ক'ব / এই এটা সাধুকথা আজিওতো শেষ হোৱা নাই'- অৰ্থাৎ প্ৰগতিবাদী সমাজব্যৱস্থা আৰু জীৱনধৰ্মী শিল্পকলা এই দুয়োটাৰে সৌজন্যত সমাজ বৰ্তি আছে। ইয়ে সমাজৰ গভীৰ জীৱনবোধ চিহ্নিত কৰিছে। এই জীৱন আৰু সভ্যতাৰ উত্থান-পতনৰ ব্যৰ্থতাক কবিয়ে এটি সাধুকথা বুলি ক'ব খুজিছে। এখোজ আগুৱাই গৈ বিচাৰ কৰিলে কবিৰ এই আত্মবিশ্লেষণ সত্য আৰু বাস্তৱ যেন অনুমান হয়। এই বাস্তৱবোধৰ চিন্তন, কাব্যিক আবেদনেৰে পুষ্ট হৈ কবিৰ চিন্তা জগতত সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ ফলশ্ৰুতিয়েই হ'ল 'ক্ৰমশঃ' কবিতাটি।

সাধাৰণতে দেখা যায় যে কবিসকল আশাবাদী আৰু গভীৰ জীৱনবোধৰ প্ৰতি আগ্ৰহী। সত্যৰ সন্ধান, সমাজৰ প্ৰগতি বা উত্তৰণ আদিয়েই তেওঁলোকৰ কাম্য, যাৰ বাবে তেওঁলোকে জীৱনক কলাৰ দৰে উপভোগ কৰে। এই কলাসুলভ চিন্তাই তেওঁলোকৰ মনত কাব্যৰসৰ অনুভূতি জাগ্ৰত কৰে। সমাজ, সাহিত্যৰ প্ৰগতিৰ পথত তেওঁলোকে স্বাভাৱিকতে সমাজবাদৰ প্ৰতি আস্থাশীল হৈ পৰে। ফলস্বৰূপে বিষয় আৰু চিন্তাই তেওঁলোকৰ বৌদ্ধিক অনুশীলনৰ কাব্যৰ্চাৰ ক্ষেত্ৰখন সামৰি লয়। কবি নৰকান্ত বৰুৱাই ক্ৰমশঃ কবিতাটিৰ মাজেৰে সমাজ, সভ্যতাৰ উত্থান আৰু পতনৰ ব্যৰ্থতা কল্পচিত্ৰৰ জৰিয়তে বৌদ্ধিক পৰিব্যাপ্তিৰে উপস্থাপন কৰা দেখা গৈছে। ইয়াৰ বাবে কেতিয়াবা যদি কবিয়ে অসমৰ থলুৱা মাটিৰ চিনাকি ৰূপকথাৰ অন্তৰ্গত তেজীমলা, কমলা কুঁৱৰী, জলকোঁৱৰ, সাউদৰ ডিঙা, ডাইনী বুঢ়ীক বিচাৰিছে; কেতিয়াবা আকৌ কাৰবালা, বীজগণিত, স্বৰ্গদেউক দাঙি ধৰিছে। এই দুই কলাসুলভ চিত্ৰকল্পৰ জৰিয়তে কবিয়ে ভাবৰ যি সংযোগ সাধন কৰিছে, তাৰ মাজেৰেই কবিৰ কাব্যচিন্তা প্ৰকাশ পাইছে। আনহাতে, ক্ৰমশঃ কবিতাটিৰ মাজেৰে কবি নৰকান্ত বৰুৱাৰ প্ৰগতিবাদী চিন্তা তথা ৰোমাণ্টিক কবিসুলভ চেতনা মূৰ্ত ৰূপত প্ৰতিফলিত হৈছে। কবিতাটিত কৰি প্ৰগতিবাদী চিন্তাৰ আভাস পোৱা গৈছে সাউদৰ ডিঙা বেহালৈ যায়' আদি উক্তিৰ জৰিয়তে। ঠিক একেদৰে ৰাজকোঁৱৰৰ সোণৰ কাঠিত। পাতালপুৰীৰ ৰাজকুঁৱৰীৰ টোপনি ভাঙে... আদি খণ্ডৰ জৰিয়তে কল্পলোকৰ এক ৰোমাণ্টিক আবেদন প্ৰকাশ পাইছে। কবিৰ কাব্যচিন্তাত অহৰ্নিশে অহা-যোৱা কৰি থকা জীৱন সম্পৰ্কীয় কলাসুলভ চিন্তাই কাব্যিক আবেদন লৈ কবিতাটিৰ মাজত এক সুকীয়া সুৰ প্ৰকাশ কৰিছে।

## নিসংগতা ঃ বৰ্তমান সমাজৰ এক ভয়াবহ সমস্যা

অসমতেই হওঁক নাইবা সমগ্ৰ বিশ্বতেই হওঁক মানুহৰ মাজত নিসংগতাই এনে ধৰনে গ্ৰাস কৰিছে যে প্ৰায় বহুখিনি মানুহ নিসংগতাত ভোগা দেখা যায়। প্ৰাপ্তবয়স্কৰ পৰা আৰম্ভ কৰি যুৱক-যুৱতীসকল নিসংগতাৰ বলি হয় ।আৰু বৰ্তমান সময়ত নিসংগতা এটা সমস্যাৰূপে সকলোৰে মাজত থিয় দিছে।

গ্ৰীক দাৰ্শনিক প্লেটোৱে কৈছিল --'মানুহ হৈছে সমাজপ্ৰিয় প্ৰাণী আৰু সেইবাবে তেওঁলোকে সমাজ অবিহনে থাকিব নোৱাৰে।' বৰ্তমান সময়ত বিশ্বৰ জনসংখ্যাৰ প্ৰায় এক তৃতীয়াংশ মানুহ নিসংগতাত ভুগি আছে। এই নিসংগতা বৰ্তমান ইমানেই ভয়ানক হৈ আহিছে যে নিসংগতাত ভোগা ল'ৰা-ছোৱালীসমূহে ইয়াৰ পৰিণতিস্বৰূপে আত্মহত্যাৰ দৰে পথ বাছি লয়। সকলোৰে বাবে নিসংগতাত ভোগা কাৰণসমূহো বেলেগ বেলেগ। নিসংগতাত ভোগা মানুহবিলাকে নিজকে একেবাৰে অকলশৰীয়া অনুভৱ কৰে। সমাজখনৰ পৰা মানুহবোৰৰ পৰা নিজকে আতঁৰাই ৰাখিব বিচাৰে। ইচ্ছা কৰিও চাৰিওকাষৰ মানুহবোৰৰ লগত সম্পৰ্ক গঢ়ি তুলিব নোৱাৰে। যাৰ ফলত তেওঁলোকৰ নিসংগতা আৰু বাঢ়ি যায়। মানুহবোৰৰ মাজত চলি থকা এই নিসংগতাৰ কাৰণ যদি চাব যাওঁ প্ৰধানকৈ কেইবাটাও কাৰণ পৰিলক্ষিত হয়। তাৰ ভিতৰত অসফল প্ৰেমৰ সম্পৰ্ক, আৰ্থিক কষ্ট, কম শৈক্ষিক অৰ্হতা আদি। নিসংগতাত ভোগা লোকসকলে প্ৰায়ে আলযাইমাৰ, ডিপ্ৰেচন, উচ্চ ৰক্তচাপ আদিত ভুগিবলগীয়াও হয়। কিন্তু বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত যদি চাব যাও তেন্তে আমি এনে এখন পৃথিৱীত আছো য'ত ইন্টাৰনেট, সামাজিক মাধ্যমৰ যোগেৰে আমি এক চেকেণ্ডত বিভিন্ন মানুহৰ লগত সংযোগ স্থাপন কৰিব পাৰো। তেনেস্থলত ইমান মানুহ নিসংগতাত ভোগাৰ কাৰণ কি হক্সব পাৰে? ইয়াৰ আন এটা কাৰণ হ'ল বহুত বেছি সামাজিক মাধ্যমৰ প্ৰতি হোৱা আকৰ্ষণ। যাৰ ফলত মানুহবিলাকে বাহিৰত ঘূৰা ফূৰা কৰাৰ পৰিৱৰ্তে ঘৰৰ ভিতৰত সোমাই থাকিবলৈ ভাল পোৱা হক্সল ।সামাজিক মাধ্যম অথবা মোবাইলৰ জৰিয়তেহে মানুহ বিলাকৰ লগত কথা পাতিবলৈ বেছি ইচ্ছুক হয়। যাৰ ফলত লাহে লাহে মানুহবোৰৰ মাজত ডিপ্ৰেচন, উদ্বেগ লগতে আত্মহত্যাৰ প্ৰৱণতা গঢ়ি উঠিবলৈ আৰম্ভ কৰে। যেতিয়া কৰ'ণা মহামাৰীয়ে দেশত গ্ৰাস কৰিছিল সেই কৰ'ণা মহামাৰীৰৰ সময়ৰ পৰাই মানুহবিলাকে বেছিকৈ নিসংগতাত ভূগিবলৈ লৈছিল। প্ৰাপ্তবয়স্ক সকলতকৈ যুৱক-যুৱতীসকলৰ মাজতহে নিসংগতাৰ প্ৰৱণতা বেছি হোৱা দেখা যায়। এইক্ষেত্ৰত আমি সদায় নিজৰ পৰিয়াল, বন্ধু-বান্ধৱী আদিৰ লগত এটা সু সম্পৰ্ক কথা উচিত ।জীৱনত যিমানেই কঠিন পৰিস্থিতি অথবা সমস্যা আহিলেও সদায় সেই সমস্যাবোৰ বন্ধু বান্ধৱী তথা পৰিয়ালৰ লগত ভাগ বতৰা কৰিব লাগে। কিছুদিন আগতে নিউজত দেখিবলৈ পাইছিলো যে এজন যুৱকে সৰুৰে পৰাই নিসংগতাত ভূগি আত্মহত্যাৰ পথ বাছি লৈছিল। এইক্ষেত্ৰত আচলতে পিতৃ-মাতৃৰ দায়িত্ব থকা উচিত নিজৰ সন্তানক লৈ। সন্তানে কি কৰিছে, কি খাইছে, কি পঢ়িছিলোঁ, কি বিচাৰে তাক গুৰুত্ব দিয়া উচিত। লগতে সদায় ভাল বেয়া পৰিস্থিতিত সন্তানৰ লগত থকা উচিত যাতে সন্তানটোৱে অকলশৰীয়া অনুভৱ নকৰে। নিসংগতা নামৰ এই বেমাৰটো দিনক দিনে সকলোৰে মাজত বিয়পিব ধৰিছে। লগতে আত্মহত্যাৰ প্ৰৱণতাও ইমান বাঢ়িবলৈ ধৰিছে যে জীৱনত যিকোনো সমস্যা অথবা কঠিন পৰিস্থিতি আহিলেই সকলোৱে প্ৰথমতে আত্মহত্যাৰ পথেই বাছি লক্সয়। কিন্তু তেনে কৰা উচিত নহক্সয়। জীৱনত যি সমস্যা আহিলেও তাক সমাধান কৰাৰ কথা ভাবিব লাগে। লগতে অলপ হলেও সদায় মানুহৰ লগত সম্পৰ্ক বৰ্তি ৰাখিব লাগে। যাতে নিসংগতাই কেতিয়াও আমাৰ মাজত ঠাই নাপায়।


মিনাক্ষী হাজৰিকা

দূৰভাষ ঃ ৭০৮৬৮-০৭৩৯০


## উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গতি কিয় ?

*"উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গতি কিয় ? এই প্ৰশ্নৰ প্ৰকৃত উত্তৰবোৰ মোৰ চিন্তা ধাৰাৰ বাহিৰত। যদি বিদেশী শিক্ষা অনুষ্ঠানবোৰ বিশ্ব দৰবাৰত বহুতো মুল্য আছে তেন্তে আমাৰ শিক্ষা অনুষ্ঠান সমূহক আমি বিশ্ব দৰবাৰত এতিয়ালৈকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাগৈ নাই নহয়নে? ইয়াৰ বাবে আমি কাক দোষাৰোপ কৰা উচিত হ'ব যেন লাগে? সচৰাচৰ আমি যদি বিদেশত শিক্ষা গ্ৰহণ কৰি নিজকে যদি বিদেশত প্ৰতিষ্ঠিত কৰাৰ মানসিতা লৈ নিজ দেশ এৰি ওলাই গৈছো তাতে মোৰ একো আপত্তি নাই।"*

একেবাৰে ব্ৰিটিছ সাম্ৰাজ্যৰ স্থাপনৰ পিছৰে পৰায়ে আমাৰ ভাৰতবৰ্ষৰ মানুহে উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গতি কৰিবলৈ আৰম্ভ কৰি দিছিল। আৰু বৰ্তমান সময়তো এই পক্ৰিয়া অব্যাহত আছে। সাম্প্ৰতিক সময়ত বৰঞ্চ এই পক্ৰিয়া আৰু অধিক ৰূপত বৃদ্ধি পাবলৈ ধৰিছে। অৰ্থাৎ বৰ্তমান সময়তো আমাৰ দেশৰ শিক্ষা অনুষ্ঠানসমূহে প্ৰদান কৰা ডিগ্ৰী বা উপাধি সমূহে উচিত মৰ্যদা পোৱাগৈ নাই নহয়নে? সচৰাচৰ বিদেশলৈ শিক্ষা আহৰণ কৰিবলৈ যোৱাৰ বহুতো কাৰণ থাকিব পাৰে। তাৰে ভিতৰত একেবাৰে নিম্ন মানৰ কাৰণ হ'ল এজন ব্যক্তিৰ অপৰিসীম সা-সম্পত্তিৰ গৰাকী বুলি নিজকে প্ৰদৰ্শন কৰিবলৈ বিদেশী শিক্ষাৰ ৰহন সানি নিজ দেশলৈ উভতি আহি অত্যাধিক ৰূপত কেৱল নিজৰ বাবে শিক্ষাক এক ধন সংগ্ৰহৰ অহিলা হিচাপে তৈয়াৰ কৰাৰ মানসিতা ।আনহাতে বিদেশলৈ গতি কৰি শিক্ষা আহৰণ এক গুৰুত্বপূৰ্ণ আৰু নিকা কাৰণ হক্সল উন্নত দেশসমূহত কেনেদৰে শিক্ষাৰ মাধ্যমৰে দেশ এখনক সফলতা শিখৰত উপনীত কৰিবলৈ সক্ষম হৈছে এই জ্ঞান সমূহ কোনো এক শিক্ষা বা ডিগ্ৰী গ্ৰহণৰ লগে লগে আয়ত্ব কৰাৰ মানসিতা। এতিয়া কথা হ'ল বৰ্তমান সময়ত কেনেকুৱা ধৰণৰ মানসিকতাবোৰ লৈ বিদেশলৈ শিক্ষা আহৰণ কৰিবলৈ গতি কৰি আছে।নে বিদেশত শিক্ষা আহৰণ কৰি কেৱল নিজৰ ব্যক্তিগত উন্নতিৰ বাবে বিদশতে নিজকে প্ৰতিষ্ঠিত কৰি লৈছে। এই সকলোবোৰ কথা এজন ব্যক্তিৰ মানসিক স্থিতিৰ ওপৰত সম্পূৰ্ণ ৰূপে নিৰ্ভৰ কৰে।

উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গতি কিয় ? এই প্ৰশ্নৰ প্ৰকৃত উত্তৰবোৰ মোৰ চিন্তা ধাৰাৰ বাহিৰত। যদি বিদেশী শিক্ষা অনুষ্ঠানবোৰ বিশ্ব দৰবাৰত বহুতো মুল্য আছে তেন্তে আমাৰ শিক্ষা অনুষ্ঠান সমূহক আমি বিশ্ব দৰবাৰত এতিয়ালৈকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাগৈ নাই নহয়নে? ইয়াৰ বাবে আমি কাক দোষাৰোপ কৰা উচিত হ'ব যেন লাগে? সচৰাচৰ আমি যদি বিদেশত শিক্ষা গ্ৰহণ কৰি নিজকে যদি বিদেশত প্ৰতিষ্ঠিত কৰাৰ মানসিতা লৈ নিজ দেশ এৰি ওলাই গৈছো তাতে মোৰ একো আপত্তি নাই। কিন্তু বিদেশী শিক্ষা আহৰণ কৰি নিজ দেশলৈ উভতি আহি নিজ দেশৰ চিন্তাধাৰা লগত সামঞ্জস্য স্থাপন কৰি দেশৰ উন্নতিৰ বাবে কাম কৰাৰ মানসেৰে আগুৱাই অহাতকৈ নিজ দেশৰ ভিতৰতে শিক্ষা আহৰণ কৰি দেশৰ একেবাৰে সামান্যতম সমস্যা সমূহৰ মুখামুখি কৰাৰ লগতে দেশৰ একেবাৰে উচ্চস্তৰৰ সমস্যা সমূহৰ নিৰ্মূকৰণৰ চিন্তা- চৰ্চাৰ কৰা উচিত হ'ব। সেয়েহে দেশৰ বাবে যদি আপুনি সচাকৈ দায়িত্ব সম্পন্ন ব্যক্তি হয় তেন্তে পৰাপক্ষত প্ৰতিজন অভিভাৱকে নিজ নিজ সন্তান সমূহক দেশীয় শিক্ষাৰ জৰিয়তে দেশয়ী সমস্যা সমূহক মুখামুখি কৰিবলৈ সুবিধা প্ৰদান কৰক। বিদেশী শিক্ষা গ্ৰহণ জৰিয়তে হয়তো আমাৰ সমাজত সিমান এটা লাভজনক পৰিস্থিতিৰ সৃষ্টি নকৰিব যেন অনুভৱ হয়। ইয়াৰ লগতে নিজ দেশৰ শিক্ষাৰ মানদণ্ড কেনেদৰে উচ্চ গুণসম্পন্ন কৰি তুলিব পাৰি তাৰ বাবে প্ৰতিক্ষণ চেষ্টা অব্যাহত ৰাখা উচিত হ'ব। আমাৰ দেশৰ গৌৰৱময় ইতিহাস হোৱা স্বত্বেও আমি নিজৰ আত্ম অস্তিত্ব অন্যান্য বহি ৰাষ্ট্ৰৰ জৰিয়তে বিকশিত কৰাত ব্যস্ত হৈ পৰিছো তাতোকৈ আৰু দুখজনক,লজ্জাজনক কথা কিনো হ'ব পাৰে।


চন্দ্ৰ শেখৰ পৰাজুলী

দূৰভাষ ঃ ৯৭০৭৩-০৬৪৭৪

### ২০২৮ চনৰ ভিতৰত টি বি মুক্ত ৰাভা হাছং গঢ়াৰ লক্ষ্যৰে আঁচনি গ্ৰহণ

# ছয়গাঁৱৰ পান্টানত প্ৰধানমন্ত্ৰী যক্ষ্মা ৰোগ মুক্ত অভিযান




**বাতৰি কাকত, বকো, ৩ জুন ঃ** অসম চৰকাৰৰ দ্বাৰা গঠিত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত আজি কামৰূপ জিলাৰ ছয়গাঁওৰ ৰতনপুৰ পান্টানত প্ৰধানমন্ত্ৰী যক্ষ্মা (টি বি) ৰোগ মুক্ত অভিযান আৰু সজাগতা সভা অনুষ্ঠিত হয়। ৰাভা হাছং পৰিষদৰ ৩১ আৰু ৩২ নং পৰিষদীয় সমষ্টিৰ উদ্যোগত পান্টান জনজাতীয় স্পোৰ্টিং ক্লাবৰ সভাগৃহত এক মনোজ্ঞ পৰিবেশত আয়োজন কৰে যক্ষ্মা ৰোগ মুক্ত অভিযান আৰু সজাগতা সভা খন। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সজগতা সভাত বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ৩০ গৰাকী টি বি ৰোগীক পৰিপুষ্টি খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰে। ইফালে যক্ষ্মা ৰোগ মুক্ত অভিযানৰ সজাগতা সভাত ৰাভা হাছং পৰিষদৰ কাৰ্যবাহী সদস্য ৰমাকান্ত ৰাভাই আত ধৰা কাৰ্যসুচীত আদিত্য ৰাভা, পৰিষদৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্যবাহী সদস্য প্ৰবোধ কলিতা, কেৱা গৰাকী কাৰ্যবাহী আৰু সাধাৰণ সদস্যাৰ উপৰিও বকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ যক্ষ্মা ৰোগ চিকিৎসা পৰিদৰ্শক ধ্ৰুৱজ্যোতি মেধি, ছয়গাঁও যক্ষ্মা গোটৰ পৰিদৰ্শক হেমন্ত কুমাৰ নাথ, ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ খণ্ড আঁচনি প্ৰৱন্ধক জিন্টি কলিতা, ষষ্ঠ অনুসূচী দাবী সমিতিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিদ্য ৰভাৰ উপৰিও ৰাভা হাছং যৌথ মঞ্চৰ বহুকেইজন বিষয় ববীয়া আৰু বহু সংখ্যক বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। পৰিপুষ্টি খাদ্য সামগ্ৰী যোগান ধৰি প্ৰবোধ কলিতাই কয় যে, এই বৰ্ষত মুঠ ২৯০ গৰাকী যক্ষ্মা ৰোগীক চিকিৎসা সেৱা আৰু পুষ্টিকৰ খাদ্য সামগ্ৰী যোগান ধৰা হৈছে। আনহাতে ২০২৮ চনৰ ভিতৰত টি বি মুক্ত ৰাভা হাছং গঢ়া হ'ব বুলি ঘোষণা কৰে।

## প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষাত ৰূপাঙ্কণা কাশ্যপৰ সফলতা



**কুমুদ বৰ্মন, টিহু, ৩ জুন ঃ** অসম ৰাজ্যিক প্ৰাথমিক অনুষ্ঠিত কৰা 'প্ৰজ্ঞান প্ৰতিভা সন্ধানী' পৰীক্ষাত চতুৰ্থ শ্ৰেণীৰ পৰা ৰাজ্যখনৰ ভিতৰতে পঞ্চম স্থান লাভ কৰে পূব নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ২ নং নাথকুছি মণ্ডলৰ পূৰ্ব দীঘেলী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী ৰূপাঙ্কণা কাশ্বপে। ৰূপাঙ্কণা কাশ্যপৰ ঘৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত গোৰৰাদল গাঁৱৰ পিতৃ ভাস্কৰজ্যোতি দাস আৰু মাতৃ শিখামণি দাসৰ কণ্যা। ছাত্ৰীগৰাকীয়ে কঢ়িয়াই অনা এনে সাফল্যত নলবাৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনী, পূব নলবাৰী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ লগতে জিলাখনৰ আটাইকেইটা শিক্ষা খণ্ডৰ শিক্ষক সন্মিলনীৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আনন্দ প্ৰকাশ কৰে। আনহাতে মহকুমা ভিত্তিত দ্বিতীয় স্থানপ্ৰাপ্ত চতুৰ্থ শ্ৰেণীৰ দিব্যজ্যোতি হালৈ আৰু তৃতীয় স্থানপ্ৰাপ্ত শুভ্ৰনীল বৰ্মনকো জিলাখনৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে শুভেচ্ছা জ্ঞাপন কৰে।

## লেখিকা পুষ্প ৰাজকুমাৰীৰ সৈতে সান্নিধ্য সুধা অনুষ্ঠান

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৩ জুন ঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত যোৱা ২৯ মে'ত সন্ধিয়া মাদুৰি গোহাঁই গাঁৱত বিশিষ্ট লেখিকা, অৱসৰী শিক্ষয়িত্ৰী পুষ্প ৰাজকুমাৰীৰ সৈতে 'সান্নিধ্য সুধা' নামেৰে এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে পৰিচালনা কৰা উক্ত অনুষ্ঠানৰ উদেশ্য ব্যাখা কৰাৰ লগতে পুষ্প ৰাজকুমাৰীক সম্বৰ্ধনা জনোৱা অনুষ্ঠান আঁত ধৰে শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈয়ে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগ গগৈয়ে। অন্তৰংগ আলাপ অনুষ্ঠানত জয়মতী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষয়িত্ৰী মলয়া গগৈয়ে পুষ্প ৰাজকুমাৰীৰ ব্যক্তিত্ব, আদৰ্শ আৰু সান্নিধ্য সম্পৰ্কে কয়। ইয়াৰ পাছত জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° জীৱন কলিতা, শিখা বুঢ়াগোহাঁই, পুণ্যজ্যোতি ফুকন, অনিমা ৰাজখোৱা খনিকৰ আৰু উন্মীলিতা বৰগোঁহাইয়ে কবিতা পাঠ, নিৰুজ তামুলী ফুকনে দিহানাম, ইলা মহন বুঢ়াগোহাঁইয়ে লোকগীত, দিলিপ শইকীয়াই ভাওনা সংলাপ, দিপালী শইকীয়া দুৱৰাই বিহুনাম পৰিবেশন কৰে। সৰোজ কুমাৰ বৰুৱা, ড° সীমান্ত বৰুৱা, দেৱযানী মহন্ত, ভাৰ্গৱ বৰগোহাঁই, মিনাক্ষী বৰগোঁহাইয়ে মনৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানত সুৰেন বৰগোঁহাই, ভুৱন মহন্ত, বিমান আৰন্ধৰা, ৰমেন বৰুৱা, দিপজ্যোতি বৰগোহাঁই, ৰঞ্জিত মেছ আদি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে, বিশিষ্ট লেখিকা পুষ্প ৰাজকুমাৰী মাদুৰি জয়মতী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষয়িত্ৰী আৰু জয়মতী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

## ৰোহিনী মেধিৰ মৃত্যুবাৰ্ষিকী বঁটা প্ৰদান অনুষ্ঠান

বাতৰি কাকত বাহাৰঘাট, জুন ঃ অসমৰ আগশাৰীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীৰ উদ্যোগত অহা ছ জুন তাৰিখে আবেলি দুই বজাত গুৱাহাটী প্ৰেছ ক্লাবত সদৌ অসম সাংবাদিক সন্থা শচআজুগ্ন, নলবাৰী জিলা সাংবাদিক সন্থা আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমাজকৰ্মী, কৃতী শিক্ষক, সমাজ সংগঠক তথা গৰীৱৰ বন্ধু ৰোহিনী মেধিৰ একাদশ মৃত্যু বাৰ্ষিকী পালন কৰা হক্সব। বাসনা সাহিত্য গোষ্ঠীৰ তৰফৰ পৰা ইতিমধ্যে প্ৰকাশ কৰি উলিওৱা কাৰ্যসূচীমতে, আবেলি দুই বজাত প্ৰয়াত ৰোহিনী মেধিৰ সহধৰ্মিণী গিৰিজা মেধিয়ে বন্তি প্ৰজ্বলন, বাসনা সাহিত্য গোষ্ঠীৰ কাৰ্যকৰী সভানেত্ৰী ৰুণু দেৱী শৰ্মাই মাল্যাৰ্পন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পাছত স্মৃতিচাৰণ সভাখন অনুষ্ঠিত হক্সব। কণ্ঠশিল্পী শেৱালী কলিতাৰ বৰগীতেৰে আৰম্ভ কৰাৰ পিছত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক নিপজ্যোতি মেধিয়ে আঁত ধৰিবলগা আৰু বাসনা সাহিত্য গোষ্ঠীৰ সভাপতি ড° দেৱীপ্ৰসাদ অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত হক্সব লগা এই গাম্ভীৰ্যপূৰ্ণ সভাখনত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰপ্ৰাপ্ত উপ-সচিব ড° ধৰণীধৰ গোস্বামী, সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰধান সম্পাদক পংকজ বৰ্মন, জনপ্ৰিয় ঔপন্যাসিকা মনিষা শৰ্মা, পূৰৱী বৰুৱা, বিশিষ্ট সাহিত্যিক ৰত্নেশ্বৰ বসুমতাৰী, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতা আদিকে ধৰি ভালেকেইগৰাকী গণ্য-মান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। একেটা অনুষ্ঠানতে কবি-লেখিকা নিৰ্মলা শৰ্মাৰ ক্সআমেৰিকাৰ পৰা দক্ষিণ কোৰিয়ালৈক্স নামৰ গ্ৰন্থখনৰ বাবে ৰোহিনী মেধি সোঁৱৰণী বঁটা-চঞ্লচ্ছ আৰু দীৰ্ঘদিন ধৰি - সততা, নিষ্ঠা আৰু সাহসিকতাৰে সাংবাদিকতা কৰি অহা দৈনিক জনমভূমি কাকতৰ উপ-- সম্পাদক তথা বিশিষ্ট সাংবাদিক, লেখক ৰাতুল ৰাজবংশীক ৰোহিনী মেধি সোঁৱৰণী প্ৰেৰণা - বঁটা-চঞ্লচ্ছ প্ৰদান কৰা হক্সব। অনুষ্ঠানটোত সাহিত্যপ্ৰাণ সকলো লোকৰ লগতে সাংবাদিকসকলৰ উপস্থিতি কামনা কৰিছে বাসনা সাহিত্য গোষ্ঠীৰ সভাপতি ড° দেৱীপ্ৰসাদ অধিকাৰী আৰু সম্পাদিকা কৰবী দাস মেধিয়ে।

## নাজিৰাত বাঘৰ সন্ত্ৰাস ঃ আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, নাজিৰা, ৩ জুন ঃ** নাজিৰা সমজিলা অন্তৰ্গত ছানবছা সন্দিকৈ গাঁৱত অৱস্থিত ঐতিহাসিক শ্ৰী শ্ৰী বুদবাৰী সত্ৰৰ লগতে কাষৰীয়া অঞ্চলত কিছুদিনৰে পৰা বাঘৰ সন্ত্ৰাস হ'ব ধৰিছে। বাঘে প্ৰায়ে গৰু, ছাগলী, কুকুৰ আদিক আক্ৰমণ কৰি খাদ্য হিচাপে গ্ৰহণ কৰিছে, যাৰফলত কৃষিজীৱি ৰাইজে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। আনকি ভয় আৰু আতংকৰ মাজত ৰাইজে দিন কটাবলগীয়া হৈছে। বাঘে প্ৰায়ে খাদ্যৰ সন্ধানত যিকোনো মূহূৰ্ত মানুহক আক্ৰমণ কৰাৰ আশংকাই দেখা দিছে। এই অঞ্চলত অৱস্থিত দিখৌ নদীৰ মথাউৰীতোৰ কেইবাটাও অংশত গৰাখহীয়াৰ কবলত পৰি বিপদাপন্ন হৈ আছে। যিকোনো মূহূৰ্তত নদীৰ বাঢ়নী পানীয়ে মথাউৰীতো বিচিন্ন কৰাৰ আশংকাই দেখা দিছে। গতিকে খৰতকীয়াকৈ মথাউৰীতোৰ মেৰামতিৰ ব্যৱস্থা কৰাৰ লগতে বান্দৰ তান্দৰ সমস্যা সমাধানৰ বাবে ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছে বুদবাৰী সত্ৰৰ উন্নয়ন সমিতিয়ে। ইয়াৰ উপৰিও সৌৰশক্তিচালিত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি ৰাইজে যাতে ৰাতি নিৰাপদে অহা যোৱা কৰিব পাৰে, সকলো বিষয় স্মাৰক পত্ৰত উল্লেখ কৰে। ইতিমধ্যে উপৰোক্ত বিষয়ত বুদবাৰী সত্ৰ উন্নয়ন সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ কলিতা আৰু সম্পাদক লক্ষীনাথ মহন্তৰ স্বাক্ষৰিত এখনি স্মাৰকপত্ৰ নাজিৰা সম জিলা আয়ুক্তৰ হাতত অৰ্পন কৰে।

## সত্যম বৃদ্ধাশ্ৰমত ৰংমনৰ প্ৰীতিমেল অনুষ্ঠিত

**খাইৰুদ্দিন আহমেদঞ্জ, শিৱসাগৰ, ৩ জুন ঃ** শিৱসাগৰৰ স্বেচ্ছাসেৱী অনুষ্ঠান ৰংমনে বহেমীয়ান জীৱন কটোৱা কাপ্তা নামৰ ব্যক্তিজনৰ আদ্যশ্ৰাদ্ধথলিতে গঠন কৰা 'মানুহে মানুহৰ বাবে' গোটটোৰে কোঁৱৰপুৰৰ সত্যম বৃদ্ধাশ্ৰমত অলপতে এক প্ৰীতিমেলৰ আয়োজন কৰে। 'বৃদ্ধাশ্ৰমত এদিন' শীৰ্ষক শীৰ্ষক অনুষ্ঠানত পুৱা প্ৰায় ২০ গৰাকী সদস্য আশ্ৰখনত উপস্থিত হৈ ডাঃ কবিতা শৰ্মাৰ পৰিয়ালে প্ৰতিষ্ঠা কৰা নামঘৰত বন্তি প্ৰজ্বলন কৰি আইসকলৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পিছতে বৃদ্ধাশ্ৰমৰ ককা-আইতাসকলৰ সৈতে এখনি প্ৰীতিমেল অনুষ্ঠিত কৰে। সকলোৰে সহযোগিতা কামনা কৰে। আনহাতে ৰংমনৰ সম্পাদক প্ৰদীপ বৰগোহাঁয়ে ভবিষ্যতে আশ্ৰমখনৰ বাবে কৰা কিছু পৰিকল্পনাৰ কথা কৰি অৱগত কৰাৰ লগতে ৰংমনে সদায়ে ৰাইজৰ বাবে কাম কৰি যাব বুলি উল্লেখ কৰে। ইয়াৰ পিছতে ৰংমনৰ




অনুষ্ঠানত আশ্ৰমৰ বাসিন্দা বিমলা গগৈ আৰু অনুপমা তামুলীয়ে কবিতা পাঠ কৰাৰ লগতে শ্যাম চন্দ্ৰ তাঁতীয়ে কেইবাটাও গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰি তোলে। আনহাতে ৰংমনৰ পৰিয়ালৰ তৰফৰ পৰা ঘনশ্যাম গগৈ আৰু কৃষ্ণা বৰগোহাঁয়ে গীত পৰিবেশনৰ লগতে লগতে কবি কল্পনা বৰগোহাঁয়ে কবিতা পাঠ কৰি আশ্ৰমখনৰ বাসিন্দাসকলৰ মাজত এক আনন্দময় পৰিবেশৰ সূচনা কৰে। অনুষ্ঠানত উপস্থিত থকা আশ্ৰমৰ পৰিচালক পৰাগ গোস্বামীয়ে ৰংমনৰ এই প্ৰচেষ্টাক আন্তৰিকতাৰে শলাগ লয় আৰু আশ্ৰম পৰিচালনাৰ ক্ষেত্ৰত সদস্যসকলে নিজাববীয়াকৈ অনা কিছু কামিজ, চাদৰ আৰু গামোচাৰ লগতে ডাঃ কবিতা শৰ্মায়ো কিছু সামগ্ৰীও বিতৰণ কৰে। ৰংমনে আগবঢ়োৱা প্ৰীতিভোজত অংশগ্ৰহণ কৰি প্ৰায় ৩০ গৰাকী ব্যক্তিয়ে ৰংমনৰ প্ৰচেষ্টাৰ শলাগ লৈ ৰংমনৰ পৰিয়ালবৰ্গক সদায় কাষত থকাৰ থকাৰ কামনা কৰে। অনুষ্ঠানত ৰংমনৰ সম্পাদক প্ৰদীপ বৰগোহাঁই, বুলবুল বৰা, প্ৰবীণ শৰ্মা, চম্পা বৰুৱা, অনুপ বৰুৱা, পবিত্ৰ বৰা, জীৱন মিলি, মুনিন ফুকন, দেৱজ্যোতি চাংমাই, কল্যাণ গোহাঁই, মহেশ্বৰ সৎনামী, বন্দনা দেৱী, পলী বৰা, কুশল কোঁৱৰ আদিয়ে অংশগ্ৰহণ কৰে।

## ৰাইজে আটক কৰে ড্ৰাগছ সৰবহকাৰীক

**বাতৰি কাকত, কলগাছিয়া, ৩ জুন ঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বলাইপাথাৰ গাঁৱৰ এজন ড্ৰাগছ ব্যৱসায়ীক আটক কৰাক কেন্দ্ৰ বৃহত্তৰ বলাইপাথাৰ অঞ্চলত এক চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে বলাইপাথাৰ গাঁৱৰ যুৱক দিলপিয়াৰ ওৰফে ভোলাৰ নেতৃত্বত দীৰ্ঘদিনৰ পৰা ড্ৰাৰ্গছৰ ব্যাৰসায় চলোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আজি ৰাতিপুৱা শ্বৰিফুল ইছলাম নামৰ ড্ৰাগছ ব্যৱসায়ী এজনে ভোলা নামৰ আন এজন ড্ৰাগছ ব্যৱসায়ীৰ পৰা ড্ৰাগছ কিনি আহোতে স্থানীয় ৰাইজে হাতে লোটে আটক কৰিবলৈ সক্ষম হয়। শ্বৰিফুল ইছলামক ৰাইজে আটক কৰাৰ লগে লগে ড্ৰাগছৰ কণ্টেইনাৰ কেইটা জংঘলৰ মাজত দলিয়াই দিয়াৰ আন এক অভিযোগ স্থানীয় ৰাইজৰ।অৱশেষত স্থানীয় ৰাইজে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত কলগাছিয়া আৰক্ষী আহি শ্বৰিফুল ইছলামক থানালৈ লৈ যায় আৰু ভোলাৰ ঘৰতো আৰক্ষীয়ে অভিযান চলায় যদিও ভোলাই ইতিমধ্যে পলায়ন কৰিবলৈ সক্ষম হয়। স্থানীয় ৰাইজে বৃহত্তৰ বলাইপথাৰ অঞ্চল ড্ৰাগছ মুক্ত কৰিবলৈ প্ৰশাসনক আহ্বান জনায়।

## শিক্ষক চন্দ্ৰকান্ত দাসক বিদায় সম্ভাষণ

**কুমুদ বৰ্মন, টিহু, ৩ জুন ঃ** পূৱ নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত টিহুৰ ২০৭/১ নং নাথকুছি নিম্ন বুনিয়াদী বিদ্যালয়ৰ জনপ্ৰিয় অমায়িক স্বভাৱৰ শিক্ষক চন্দ্ৰকান্ত দাসৰ সুদীঘ ছ্ছ বছৰীয়া কালৰ চৰকাৰী সেৱা নিবৃত্তিৰ অন্তত ৩০ মে'ত স্থানীয় গুণমুগ্ধ ৰাইজ, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত প্ৰাতঃ সভাত এক আবেগিক পৰিৱেশৰ মাজত আনুষ্ঠানিকভাবে বিদায় সম্ভাষণ জনোৱা হয়। জনপ্ৰিয় অমায়িক স্বভাৱৰ শিক্ষক গৰাকীয়ে আনুষ্ঠানিকভাৱে তেওঁৰ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৯৯ চনত মূৰমেলা ট্ৰাইবেল প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাবে শিক্ষকতা



জীৱনৰ পাতনি মেলা শিক্ষক গৰাকীয়ে ইয়াৰ পিছতে ২০০৫ চনত ২০৭/১ নং নাথকুছি নিম্ন বুনিয়াদী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে সেৱা আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে থকা মধুৰ সম্পৰ্কৰ গুণে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অত্যন্ত জনপ্ৰিয় শিক্ষক হিচাপে পৰিগণিত হয়। আজিৰ এই সভাত প্ৰধান শিক্ষক মাধৱ চন্দ্ৰ দাস, শিক্ষক ক্ৰমে চন্দনা ডেকা, চন্দনা দাস, মঞ্জু কলিতা, পল্লৱী গোস্বামী, ভৱেন দাস আৰু পাৰ্থসাৰথি হালৈয়ে শিক্ষকগৰাকীৰ চাকৰি জীৱনৰ গুণৰাজি ভাষণৰ মাজেৰে প্ৰদান কৰি চকুলো টুকি আৱেগিক পৰিৱেশৰ সৃষ্টি কৰে। শেষত শিক্ষক -শিক্ষয়িত্ৰী, ছাত্ৰ -ছাত্ৰী আৰু অভিভাৱকসকলে শোভাযাত্ৰাৰে নিজ গৃহলৈ আদৰি আনে।

## মাধুৰ্য বৰ্মনৰ স্মৃতিত একাঁজলি শ্ৰদ্ধাঞ্জলি

**চৰকাৰ তথা প্ৰশাসন যন্ত্ৰক কঠোৰ হ'বলৈ আহ্বান**

ষ্টাফ ৰিপৰ্টাৰ টংলা,চ জুন : নলবাৰীৰ ছাত্ৰ নেতা মাধুৰ্য বৰ্মনৰ মৃত্যুত ওদালগুৰি জিলাৰ টংলা অঞ্চলতো গভীৰ শোকৰ ছাঁ পৰিছে।পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক মাধুৰঞ্জয্য বৰ্মনক কালি সন্ধিয়া ৰজ আলী নামৰ দুৰ্বৃত্তই হানি খুচি নৃশংসভাৱে হত্যা কৰা কাৰ্যক সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য চিণ্টুমনি চক্ৰৱৰ্তীয়ে তীব্ৰ গৰিহণা দিয়াৰ লগতে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ চৰকাৰ তথা প্ৰশাসন যন্ত্ৰক আহ্বান জনায়। টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কনকন দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি ছাত্ৰ নেতা চিণ্টুমনি চক্ৰৱৰ্তীয়ে পুনৰ কয় এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহক্সবলৈ চৰকাৰ তথা প্ৰশাসন যন্ত্ৰ কঠোৰ হওক।ছাত্ৰ সন্থাৰ নিষ্ঠাৱান কৰ্মীৰ তেনে নিৰ্মম ঘটনাক গৰিহণাৰ লগতে মাধুৰঞ্জয্য বৰ্মনৰ আত্মাৰ চিৰ শান্তি কামনাৰে টংলা আঞ্চলিক ছাত্ৰ সন্থাই আজি সন্ধিয়া টংলা চাৰি আলিত বন্তি প্ৰজ্বলন আৰু মৌন প্ৰাৰ্থনা কাৰ্যসূচী ৰূপায়ণ কৰে।উক্ত কাৰ্যসূচীত সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি ৰুদ্ৰ কমল দাস, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাস, বিষয়ববীয়াৰ লগতে ওদালগুৰি জিলা সাহিত্য সভা, টংলা সাহিত্য সভা, টংলা প্ৰেছ ক্লাব,যুৱ মঞ্চ, টংলা,টংলা টাউন ইয়ুথ ক্লাব, টংলা আঞ্চলিক ৰাস মহোৎসৱ সমিতি ,প্ৰাক্তন ছাত্ৰ নেতাই অংশগ্ৰহণ কৰি ছাত্ৰ নেতা গৰাকীলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## চানমাৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ মাহেকীয়া বৈঠক

**গুৱাহাটী, ৩ জুন ঃ** গুৱাহাটী চানমাৰি সাহিত্য সভাৰ বৈঠক উপ-সভাপতি দিলীপ বৰুৱা আৰু মঞ্জুলা বেগমৰ আহ্বানত চানমাৰি কলনীৰ নিৰাময় ভৱনত অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে সভাপতি ভৰদ্বাজ ভট্টাচাৰ্য্যই। বিশিষ্ট অতিথি আৰু মুখ্য অতিথিৰ আসন অলংকৃত কৰে, কিশোৰী মোহন পাঠক ড° ৰোমান শৰ্মা, ড° নঞ্জু দত্ত, বৈজয়ন্তী গোস্বামী, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য আৰু হিন্ময়ী বৰুৱাই। উক্ত সভাত প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ জীয়ৰী চন্দ্ৰমা ভট্টচাৰ্য্যৰ কবিতা পুথি উন্মোচন কৰা হয়। ধ্ৰুৱজ্যোতি শৰ্মাই গল্প পাঠ কৰে। বৰগীত পৰিৱেশন কৰে মঞ্জু গৌতমে। লিখনি পাঠ কৰে ড° নঞ্জু দত্ত, বৈজয়ন্তী গোস্বামী, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, কিশোৰী মোহন পাঠক আৰু ড° ৰোমান শৰ্মাই। কবিতা পাঠ কৰে কুমুদ বৰুৱা, মঞ্জুলা বেগম, অঞ্জলী চলিহা, মনমোহন মেধি, বন্দনা মেধি, হিন্ময়ী বৰুৱা, ৰূপম বিকাশ গগৈ, নীতু গোস্বামী, কিৰন দাস, আব্দুল তালেব আৰু বন্তি শঞ্জইকীয়া দত্তই। সাহিত্য পৰ্য্যালোচনা আগবঢ়াই ৰোমান শৰ্মা, কিশোৰী মোহন পাঠক আৰু নঞ্জু দত্তই। মঞ্জুলা বেগমে জিকিৰ গীত পৰিৱেশন কৰে। শলাগৰ শৰাই আগবঢ়াই উপ সভাপতি দিলীপ বৰুৱাই। সভাপতিৰ ভাষণেৰে সভা ভংগ কৰা হয়।

## ভাতৃ-ভগ্নী একেলগে ফুৰিব পৰা পৰিবেশ হ'ব লাগিব অসমত ঃ ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য

**বাতৰি কাকত, জাগাৰা, ২ জুন ঃ** লোমহৰ্ষক হত্যাকাণ্ডৰ বলি হোৱা চামতাৰ ছাত্ৰনেতা মাধুৰ্য বৰ্মনৰ গৃহত আজি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই উপস্থিত হয়। চামতা ভকতপাৰা নিবাসী পিতৃ হৰি চন্দ্ৰ বৰ্মন আৰু মাতৃ দীপা বৰ্মনৰ গৃহত উপস্থিত হৈ শোক সন্তপ্ত পৰিয়ালটোৰ খবৰ লয় আৰু দুখত সমভাগী হয়। আজিও পৰিয়াল আৰু ওচৰ-চুবুৰীয়াৰ মাজত নিমাও মাও পৰিবেশ বিৰাজ কৰিছে। আজি পুৱাৰ ভাগত উপস্থিত হৈ তেখেতে মাধুৰ্য্যৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মাধুৰ্য্য বৰ্মনৰ পৰিয়ালত উপস্থিত হৈ ড° সমুজ্জ্বল ভট্টাচাৰ্যই সংবাদ মাধ্যমৰ আগত 'অসমত ভাতৃ-ভগ্নী একেলগে ফুৰিব পৰা পৰিবেশ সৃষ্টি হ'ব লাগিব। এনেকুৱা অপৰাধীৰ বাবে



কঠোৰতকৈ কঠোৰ শাস্তি আৰু আইন আনিব লাগিববুলি কয়। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ আৰু কয়- ছাত্ৰ সন্থাৰ পৰিয়াল দুটা এটা হ'ল মাক-দেউতা, বাই-ভনী আনটো হ'ল বৃহত্তৰ সদৌ অসম ছাত্ৰ সন্থাৰ পৰিয়াল। সদস্য সকলে নিজৰ পৰিয়ালত যিমান সময় দিছে তাতকৈ বেছি সময় দিয়ে ছাত্ৰ সন্থাৰ পৰিয়ালত। আজি মাধুৰ্য্য বৰ্মন হেৰাই গ'ল আমাৰ সদৌ অসম ছাত্ৰ সন্থাৰ পৰিয়ালৰ সদস্য এজন হেৰাই গ'ল। ছাত্ৰ সন্থাৰ সকলো সদস্যই মাধুৰ্য্যৰ পৰিয়ালৰ সৈতে সাৰথি হৈ থাকি আগুৱাই যাবলৈ প্ৰয়াস কৰিম। চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰি এনেকুৱা অপৰাধীক পোখাই পুলিয়ে উভালিবলৈ চৰকাৰক আহ্বান জনায়। যদি, কিন্তু, পৰন্তো এইবোৰ নহব বুলি মন্তব্য কৰে আছুৰ উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই। আছু নেতা গৰাকীক সংগ দিয়ে সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি ভৰজিৎ বেজবৰুৱা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য গুণজ্যোতি পাঠক, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদে।

# ৰাষ্ট্ৰীয় বয়োশ্ৰী যোজনা আৰু এ ডি আই পি আঁচনিৰ অধীনত নিৰীক্ষণ তথা পৰীক্ষা শিবিৰ

**পুলক মেধি, লাহৰীঘাট, ৩ জুন ঃ** মৰিগাঁও জিলা প্ৰশাসন, মহিলা আৰু শিশু উন্নয়ন বিভাগ তথা ALIMCO-ৰ সহযোগত আজি মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত ৰাষ্ট্ৰীয় বয়োশ্ৰী যোজনা (Rashtriya Vayoshri Yojana) আৰু ADIP আঁচনিৰ অধীনত এক বিশেষ পৰীক্ষা আৰু মূল্যায়ন শিবিৰ অনুষ্ঠিত হয়। উক্ত শিবিৰত শাৰীৰিক অসুবিধা বা বয়সজনিত সমস্যাত ভুগি থকা জেষ্ঠ্য নাগৰিকসকলক ৰাষ্ট্ৰীয় বয়োশ্ৰী যোজনাৰ অধীনত পৰীক্ষা কৰা হয়। একেদৰে ADIP



আঁচনিৰ অধীনত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ স্বাস্থ্য পৰীক্ষা আৰু প্ৰয়োজনীয় মূল্যায়ন সম্পন্ন কৰা হয়। শিবিৰত উপস্থিত বিশেষজ্ঞ দলটোৱে হিতাধিকাৰীসকলৰ স্বাস্থ্যঞ্জযজনিত অৱস্থা আৰু দৈনন্দিন জীৱনত সন্মুখীন হোৱা অসুবিধাসমূহ পৰ্যবেক্ষণ কৰি তেওঁলোকৰ বাবে কেনে ধৰণৰ সহায়ক সঁজুলি-যেনে হুইলচেয়াৰ, শ্ৰৱণ যন্ত্ৰ, ৱাকিং ষ্টিক, ক্ৰাচ, ত্ৰিচাইকেল আদি-প্ৰয়োজন হ'ব পাৰে, তাৰ মূল্যায়ন কৰে। এই বাছনিৰ ভিত্তিত পৰৱৰ্তী সময়ত যোগ্য হিতাধিকাৰীসকলক বিনামূলীয়াকৈ এই সঁজুলিসমূহ প্ৰদান কৰা হ'ব। উল্লেখ্য যে, মৰিগাঁও জিলাত চঞ্জ মে'ৰ পৰা জ্ঞ জুনলৈকে এনে মূল্যায়ন শিবিৰ অনুষ্ঠিত হৈ আছে। আজি মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ মুঠ ৰচঞ্জ জন হিতাধিকাৰীৰ পৰীক্ষা সম্পন্ন কৰা হয়।লাহৰীঘাট উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা শিবিৰৰ সফল পৰিচালনাত মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ চুপাৰভাইজাৰ শ্ৰীমতী বিনিতা বেজ আৰু শ্ৰীমতী এলিজা বেগমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লগতে ট্ৰম্চতত্ত্ৰথ-ৰ সম্পূৰ্ণ বিষয়া দলটোৱে উপস্থিত থাকি পৰীক্ষা আৰু মূল্যায়ন কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰে।এই পদক্ষেপে জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ জীৱনধাৰণ অধিক সহজ, স্বাৱলম্বী আৰু আৰামদায়ক কৰি তোলাত বিশেষ সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

# ইনফিনিটি লাৰ্নৰ হাইব্ৰিড এডভান্টেজঃ জে ই ই এডভান্সড ২০২৬ত চমকপ্ৰদ প্ৰদৰ্শন



**গুৱাহাটী,৩জুনঃ** ভাৰতৰ আগশাৰীৰ হাইব্ৰিড লাৰ্নিং প্লেটফৰ্ম ইনফিনিটি লাৰ্ন বাই শ্ৰী চৈতন্যই পহিলা জুনত জেইই এডভান্সড ২০২৬ পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ চমকপ্ৰদ ফলাফলৰ সৈতে সফলতাৰ অবিৰত ধাৰা অব্যাহত থকাৰ কথা ঘোষণা কৰে। অনলাইন আৰু অফলাইন শিক্ষণ পদ্ধতি দুয়োটাতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰি ইনফিনিটি লাৰ্নে পুনৰবাৰ আইআইটি আৰু আইআইআইটিৰ দৰে অগ্ৰণী অভিযান্ত্ৰিক প্ৰতিষ্ঠানত নামভৰ্তিৰ বাবে ভাৰতৰ অন্যতম প্ৰতিযোগিতামূলক আৰু প্ৰত্যাশিত প্ৰৱেশ পৰীক্ষা জেইই এডভান্সডত নিজৰ হাইব্ৰিড লাৰ্নিং মডেলৰ শক্তি প্ৰদৰ্শন কৰিছে। শীৰ্ষ কৃতিত্বপ্ৰাপ্তসকলৰ ভিতৰত ইনফিনিটি লাৰ্নৰ অনলাইন শাখাৰ ছাত্ৰ জয় সোমানীয়ে আকৰ্ষণীয় অল ইণ্ডিয়া ৰেংক (এআইআৰ) ৩৭৭ লাভ কৰে। প্ৰতিষ্ঠানিক গৌৰৱত অৰিহণা যোগাই শ্ৰী চৈতন্য একাডেমী বাৰাণসীৰ অফলাইন ছাত্ৰ শশাংক মৌৰ্যই এআইআৰ ৫০০ লাভ কৰে আৰু শ্ৰী চৈতন্য একাডেমী বেংগালুৰুৰ ছাত্ৰ নিশাংক ব্যাসে এআইআৰ ৭৬৯ লাভ কৰে।এই ধাৰাবাহিক ৰেংকিঙে অনলাইন আৰু অফলাইন শিক্ষণ অভিজ্ঞতাক নিৰবচ্ছিন্নভাৱে সংযোগ কৰি শ্ৰী চৈতন্যৰ চাৰি দশকৰ শৈক্ষিক উৎকৰ্ষতাৰ ইনফিনিটি লাৰ্নৰ প্ৰযুক্তি-চালিত হাইব্ৰিড লাৰ্নিং মডেলৰ সৈতে একত্ৰিত কৰা এটা প্ৰমাণিত পৰিৱেশতন্ত্ৰৰ শক্তিক প্ৰতিফলিত কৰে।এই নিৰন্তৰ বিকাশৰ উত্থানৰ বিষয়ে মন্তব্য কৰি শ্ৰী চৈতন্য এডুকেশ্বনেল ইনষ্টিটিউশ্যনছৰ চিইঅ' আৰু সঞ্চালক তথা ইনফিনিটি লাৰ্নৰ প্ৰতিষ্ঠাপক সুষমা বোপ্পানাই কয়, 'আমি ইনফিনিটি লাৰ্নক শিক্ষাৰ ক্ষেত্ৰত এক বিশ্বাসযোগ্য নাম হিচাপে আত্মপ্ৰকাশ কৰা দেখি যথেষ্ট গৌৰৱান্বিত, যিয়ে সামঞ্জস্যপূৰ্ণ ফলাফল প্ৰদান কৰে আৰু বছৰৰ পিছত বছৰ ধৰি ডিজিটেল আৰু শ্ৰেণীকোঠাৰ শিক্ষণ পৰিৱেশ দুয়োটাতে শিক্ষাৰ্থীৰ অৰ্থপূৰ্ণ সফলতাৰ কাহিনী সৃষ্টি কৰে। আমাৰ শিক্ষাৰ্থীসকলৰ ব্যতিক্ৰমী প্ৰদৰ্শনে তেওঁলোকৰ গভীৰ সমৰ্পণ আৰু আমাৰ অধ্যাপকসকলৰ অটল দায়বদ্ধতাক প্ৰতিফলিত কৰে। এটা অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান হিচাপে আমি শিক্ষাৰ গণতান্ত্ৰিকীকৰণ, প্ৰতিভাক ইয়াৰ সম্পূৰ্ণ সম্ভাৱনালৈ উন্নীত কৰা আৰু অভিভাৱকসকলে আমাৰ ওপৰত ৰখা আস্থাক শক্তিশালী কৰাত গভীৰভাৱে গুৰুত্ব প্ৰদান কৰি আহিছোঁ। আমাৰ শিক্ষাৰ্থীসকল আৰু তেওঁলোকৰ পৰিয়াললৈ মই অভিনন্দন জনাইছোঁ।' ইনফিনিটি লাৰ্ন বাই শ্ৰী চৈতন্যৰ প্ৰতিষ্ঠাপক চিইঅ' উজ্জ্বল সিঙে কয়, 'ইনফিনিটি লাৰ্নত ফলাফলে আমাৰ চূড়ান্ত উদ্দেশ্য নিৰ্ধাৰণ কৰে। মই যথেষ্ট সুখী যে বছৰৰ পিছত বছৰ ধৰি আমি আমাৰ অনলাইন প্লেটফৰ্ম আৰু অফলাইন কেন্দ্ৰ দুয়োটাতে আমাৰ প্ৰদৰ্শন শক্তিশালী কৰি আহিছো, যাৰ ফলত দেশজুৰি ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ আকাংক্ষা পূৰণ কৰি অগ্ৰণী অভিযান্ত্ৰিক প্ৰতিষ্ঠানসমূহত সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। আমাৰ হাইব্ৰিড মডেলে টায়াৰ ২ আৰু টায়াৰ ৩ চহৰৰ ছাত্ৰ-ছাত্ৰীসকলকো প্ৰধান মেট্ৰ'সমূহৰ দৰে একে উচ্চমানৰ, ফলাফল-চালিত শিক্ষা লাভ কৰিবলৈ সক্ষম কৰে, যিয়ে প্ৰমাণ কৰে যে উৎকৃষ্টতা ভৌগোলিক পৰিসৰৰ দ্বাৰা সীমাবদ্ধ নহয়। আমাৰ মূল প্ৰতিশ্ৰুতি সদায় একেই থাকিব- বাচ্ছা ছিখা কি নেহী। আমাৰ ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালক তেওঁলোকৰ অসাধাৰণ সফলতাৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীৰ ফলাফলৰ প্ৰতি তেওঁলোকৰ ব্যতিক্ৰমী নিষ্ঠা আৰু দায়বদ্ধতাৰ বাবে আমাৰ অধ্যাপকসকলক মই আন্তৰিক অভিনন্দন জনাইছোঁ।' ইনফিনিটি লাৰ্নে নিজৰ হাইব্ৰিড আন্তঃগাঁথনিৰ বিকাশৰ ধাৰা অব্যাহত ৰখাৰ সময়তে এই ফলাফলে সমগ্ৰ ভাৰতৰ শীৰ্ষ স্থানৰ অভিযান্ত্ৰিক প্ৰতিষ্ঠানসমূহত নামভৰ্তিৰ ক্ষেত্ৰত ভাৰতৰ অন্যতম নিৰ্ভৰযোগ্য প্লেটফৰ্ম হিচাপে ইয়াৰ স্থান সুদৃঢ় কৰে।

# ৰূপনগৰ সেৱা মন্দিৰ ৰাজহুৱা নামঘৰত ড° বিজয় গুপ্তাক সম্বৰ্ধনা

**গুৱাহাটী, ৩জুনঃ** গুৱাহাটীৰ ৰূপনগৰস্থিত ৰূপনগৰ সেৱা মন্দিৰ ৰাজহুৱা নামঘৰত মঙলবাৰে মধ্য গুৱাহাটী সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক ড° বিজয় গুপ্তাক সম্বৰ্ধনা জনোৱা হয়। নামঘৰৰ উপদেষ্টা, সমাজকৰ্মী কুমুদ চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নামঘৰ কৰ্তৃপক্ষৰ পৰা সম্বৰ্ধনা গ্ৰহণ কৰি বিধায়ক ড° বিজয় গুপ্তাই



নামঘৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে নামঘৰৰ আধৰুৱা কাম-কাজ আৰু অঞ্চলটোৰ সমস্যাৰ বুজ লয়। তেওঁ অঞ্চলবাদী ৰাইজৰ সহায়-সহযোগিতাত অঞ্চলবাসীৰ সমস্যাসমূহ সমাধান কৰাৰ আশ্বাস দিয়ে। তেওঁ লগতে আধ্যাত্মিক চিন্তা-চৰ্চাৰে আৰু সেৱাৰ মনোভাৱেৰে সকলোকে আগবাঢ়ি যাবলৈ কয়।এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি নামঘৰৰ বিষয়ববীয়া, সমূহসদস্য উপস্থিত থাকে।

# এছ এম ই আই পি অ'ৰ প্ৰস্তুতি ত্বৰান্বিত কৰিবলৈ বি এছ ইৰে সহযোগিতা মীশ্ব'ৰ

**গুৱাহাটী,৩জুনঃ** বাৰ্ষিক লেনদেন ব্যৱহাৰকাৰীৰ সংখ্যা আৰু অৰ্ডাৰৰ ফালৰপৰা ভাৰতৰ সৰ্ববৃহৎ ই-কমাৰ্চ প্লেটফৰ্ম মীশ্ব'ৰে বিএছইৰ সৈতে সহযোগিতা স্থাপন কৰি প্ৰজেক্ট শিখৰ আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। এই পদক্ষেপৰ লক্ষ্য হৈছে এম এছ এম ইসমূহে বিকাশৰ বাবে প্ৰয়োজনীয় পুঁজি সহজে লাভ কৰিব পৰাকৈ বি এছইএছএমই প্লেটফৰ্মত ৰাজহুৱা তালিকাভুক্ত সত্তালৈ পৰিৱৰ্তন হোৱাত সক্ষম কৰা। বুজাবুজিৰ চুক্তিৰ জৰিয়তে আনুষ্ঠানিকভাৱে সম্পাদিত এই সহযোগিতাৰ চুক্তি মীশ্ব'ৰ কৰ্পৰেট পৰিক্ৰমাৰ মুৰব্বী লোপামুদ্ৰা ৰাও আৰু বি এছ ইৰ এমডি আৰু চিই অ' সুন্দৰাৰমন ৰামমূৰ্তিৰ উপস্থিতিত স্বাক্ষৰ কৰা হয়। ই তৃণমূল পৰ্যায়ৰ ডিজিটেল ব্যৱসায়সমূহক প্ৰতিষ্ঠানিক মূলধন লাভ কৰিবলৈ সক্ষম কৰাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হৈছে। বিএছইৰ পৰিচালন




সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া সুন্দৰাৰমন ৰামমূৰ্তিয়ে কয়, 'বিএছইত আমি ভাৰতৰ আটাইতকৈ গতিশীল, চাকৰি সৃষ্টিকাৰী ব্যৱসায়সমূহক মূলধনী বজাৰৰ সুবিধা গ্ৰহণৰ বাবে পোনপটীয়া পথ প্ৰদান কৰিবলৈ এছ এম ই প্লেটফৰ্ম আৰম্ভ কৰিছিলো। বিগত বছৰসমূহত বি এছ ই এছ এম ই প্লেটফৰ্মে শতাধিক এম এছ এম ইক তালিকাভুক্ত হোৱাত, বিকাশৰ বাবে মূলধন সংগ্ৰহ কৰাত, আৰু শাসনৰ মানদণ্ড শক্তিশালী কৰিবলৈ সক্ষম কৰিছে । মীশ্ব'ৰ সৈতে সহযোগিতাই এই পৰিৱেশ তন্ত্ৰক ডিজিটেল-ফাৰ্ষ্ট উদ্যমীসকললৈ সম্প্ৰসাৰিত কৰিছে, যাৰ জৰিয়তে ই-কমাৰ্চ বিক্ৰেতাসকলক ৰাজহুৱা প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত হোৱাত সহায়ক হ'ব।' মীশ্ব'ৰ কৰ্পৰেট পৰিক্ৰমা বিভাগৰ মুৰব্বী লোপামুদ্ৰা ৰাৱে কয়, 'আমাৰ বিক্ৰেতা পৰিৱেশতন্ত্ৰৰ এটা উল্লেখযোগ্য অংশ এনে কিছুমান উদ্যমী ব্যৱসায়ীৰ দ্বাৰা গঠিত, যিয়ে আমাৰ প্লেটফৰ্মত দ্ৰুতগতিত বিকাশ লাভ কৰিছে। এটা সফল ই-কমাৰ্চ ব্ৰেণ্ডৰ পৰা বিনিয়োগকাৰী-সাজু সত্তালৈ ৰূপান্তৰিত হোৱাটো যথেষ্ট কষ্টকৰ, আৰু প্ৰজেক্ট শিখৰে এনে সমস্যাবোৰ দূৰ কৰে। বিএছইৰ সৈতে এই সহযোগিতা স্থাপনৰ জৰিয়তে আমি বিক্ৰেতাসকলক ৰাজহুৱা মূলধন সংগ্ৰহ কৰাত সহায় কৰাৰ লগতে এনে নিয়ম অনুসৰণ কৰা আৰু পাৰদৰ্শিতা দেখুওৱা ব্যৱসায়ৰ এনে এক শৃংখলো তৈয়াৰ কৰিছোঁ, যিয়ে ভাৰতৰ অৰ্থনৈতিক ব্যৱস্থাৰ বিকাশত ইন্ধন যোগাব।'

# আচাৰৰ নতুন অভিযান মুকলি মাডাৰ্ছ ৰেচিপিৰ

**গুৱাহাটী,৩জুনঃ** মাডাৰ্ছ ৰেচিপিয়ে নিজৰ জনপ্ৰিয় আচাৰৰ শৃংখলাৰ বাবে এক নতুন ৰাষ্ট্ৰীয় অভিযান আৰম্ভ কৰাৰ লগতে নিজৰ সামগ্ৰীসমূহৰ বাবে এক সতেজ পৰিচয় উন্মোচন কৰিছে। এই শৃংখলা আৰম্ভ হোৱাৰ পিছত এয়া হৈছে প্ৰথমটো ডাঙৰ দৃশ্যমান পৰিৱৰ্তন।এই প্ৰচাৰ অভিযানৰ মূল ধাৰণাটো হৈছে- যদিও বিভিন্ন অঞ্চল আৰু ঘৰ ভেদে আচাৰ বনোৱাৰ পৰম্পৰা বেলেগ বেলেগ হয়, তথাপিও মাতৃৰ মৰম আৰু যত্ন সদায় একেই থাকে। এই বিজ্ঞাপন চলচ্চিত্ৰখনত ভাৰতৰ বিভিন্ন ঘৰত আচাৰ প্ৰস্তুত কৰাৰ যাত্ৰা প্ৰদৰ্শন কৰা হৈছে, য'ত সামগ্ৰীসমূহ পৰিয়ালৰ ডাইনিং টেবুললৈ অনাৰ পূৰ্বে আঞ্চলিক পদ্ধতি আৰু পৰম্পৰাসমূহক আলোকপাত কৰা হৈছে। কেঁচা আম বাছি উলিওৱা, টুকুৰা কৰা, শুকুওৱা, মছলা দিয়া আৰু সংৰক্ষণ কৰাৰ প্ৰামাণিক দৃশ্যৰ জৰিয়তে এই প্ৰচাৰ অভিযানে ভাৰতৰ চহকী আচাৰ ঐতিহ্য আৰু ঘৰুৱা সোৱাদৰ সৈতে জড়িত আৱেগিক বন্ধনক উদযাপন কৰিছে।এই অভিযানৰ আবহ সংগীতে পৰম্পৰাগত ভাৰতীয় সুৰ আৰু লোক-সংগীতৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছে, যিয়ে অতীতৰ নষ্টালজিয়াক এক আধুনিক অনুভূতিৰ সৈতে একত্ৰিত কৰিছে।ই কেৱল সামগ্ৰীকেন্দ্ৰিক বাৰ্তা প্ৰেৰণ কৰাৰ পৰিৱৰ্তে স্মৃতি, আঞ্চলিক পৰম্পৰা আৰু মাতৃ তথা আচাৰৰ মাজত থকা চিৰস্থায়ী সম্পৰ্কক লৈ এক বিস্তৃত কাহিনী ক'বলৈ ব্ৰেণ্ডটোৰ যোগাযোগ ৰণনীতিত এক পৰিৱৰ্তন চিহ্নিত কৰিছে।এই




প্ৰচাৰ অভিযানৰ সমান্তৰালকৈ মাডাৰ্ছ ৰেচিপিয়ে নিজৰ ৬৪টা আচাৰৰ প্ৰকাৰত এক নতুন ডিজাইনৰ পেকেজিং মুকলি কৰিছে। এই নতুন ৰূপটোত আঞ্চলিক সাংস্কৃতিক উপাদানসমূহ অন্তৰ্ভুক্ত কৰা হৈছে, যাৰ ভিতৰত আছে পৰম্পৰাগত খাৰু, শাৰীৰ দ্বাৰা অনুপ্ৰাণিত ৰং আৰু পাকঘৰৰ সজ্জা ইত্যাদি। ইয়াৰ উপৰিও স্থানীয় সংযোগ অধিক শক্তিশালী কৰিবলৈ এতিয়া সামগ্ৰীসমূহৰ নাম আঞ্চলিক ভাষাত প্ৰকাশ কৰা হৈছে।এই শুভাৰম্ভণি সন্দৰ্ভত মন্তব্য কৰি দেশাই ফুডছ প্ৰাইভেট লিমিটেডৰ কাৰ্যবাহী সঞ্চালক সঞ্জনা দেশাইয়ে কয় যে, 'এই প্ৰচাৰ অভিযানে আঞ্চলিক আচাৰ প্ৰস্তুতকৰণ পৰম্পৰাৰ বৈচিত্ৰ্যক উদযাপন কৰাৰ লগতে ব্ৰেণ্ডটোৰ দীৰ্ঘদিনীয়া স্বাদ মমতা কা ধাৰণাটোক পুনৰ শক্তিশালী কৰি তুলিছে। এই প্ৰচাৰ অভিযানে উত্তৰ-পূবৰ গ্ৰাহকসকলৰ মাজত তীব্ৰ সঁহাৰি লাভ কৰিব বুলি আশা কৰা হৈছে, য'ত পৰম্পৰাগত ঘৰুৱা আচাৰ স্থানীয় খাদ্য সংস্কৃতিৰ এক অপৰিহাৰ্য অংশ হৈ আছে। উত্তৰ-পূৰ্বাঞ্চলক এক প্ৰধান কেন্দ্ৰীয় বজাৰ হিচাপে চিনাক্ত হোৱাৰ পৰিপ্ৰেক্ষিতত, আঞ্চলিক ভাষাৰ পেকেজিং আৰু সাংস্কৃতিক প্ৰামাণিকতাৰ ওপৰত দিয়া গুৰুত্বই গ্ৰাহকৰ সম্পৃক্ততা গভীৰ কৰাত আৰু অঞ্চলটোত মাডাৰ্ছ ৰেচিপিৰ উপস্থিতি শক্তিশালী কৰাত সহায় কৰিব পাৰে।

# এয়াৰবিএনবিৰ প্ৰতিবেদনত প্ৰকাশ
# হ্ৰস্ব, ব্যক্তিগতকৃত ভ্ৰমণৰ প্ৰতি ঢাপলি মেলিছে জেন জিয়ে


**গুৱাহাটী, ৩ জুনঃ** এয়াৰবিএনবিৰ দ্বাৰা প্ৰকাশিত এক নতুন প্ৰতিবেদন অনুসৰি, ভাৰতৰ ভ্ৰমণ উদ্যোগে এক গুৰুত্বপূৰ্ণ আচৰণগত পৰিৱৰ্তন প্ৰত্যক্ষ কৰিছে কিয়নো জেন জি ভ্ৰমণকাৰীসকলে ক্ৰমান্বয়ে চুটি, অধিক সঘনাই আৰু ব্যক্তিগত ভ্ৰমণৰ বিকল্প বাছি লৈছে, যাৰ ফলত পৰ্যটন আৰু আতিথ্য ব্যৱসায়ৰ বাবে ন ন সুযোগ সৃষ্টি হৈছে। 'নেভাৰ দ্য ছেমঃ দ্য নিউ ৰুলছ অৱ জেন জি ট্ৰেভেল ইন ইণ্ডিয়া' শীৰ্ষক প্ৰতিবেদনত দেখা গৈছে যে ১০জন জেন জেড যাত্ৰীৰ ভিতৰত সাতজনে এটা দীঘলীয়া বাৰ্ষিক বন্ধৰ দিনতকৈ তিনিটা চুটি ভ্ৰমণ পছন্দ কৰে। আনহাতে ৮৭শতাংশই এসপ্তাহতকৈও কম সময়ৰ বাবে বন্ধৰ দিনৰ পক্ষপাতী। এয়াৰবিএনবিৰ আভ্যন্তৰীণ তথ্যই দেখুৱাইছে যে গ্ৰীষ্মকালৰ বাবে ভাৰতীয় জেন জি ভ্ৰমণকাৰীসকলৰ অনুসন্ধান বছৰি ৩০ শতাংশৰো অধিক বৃদ্ধি পাইছে, য'ত দুইৰ পৰা ছয় ৰাতিৰ ঘৰুৱা ভ্ৰমণ পথ দ্ৰুতগতিত বৃদ্ধি পোৱা ভ্ৰমণৰ বিন্যাস হিচাপে আত্মপ্ৰকাশ কৰিছে। প্ৰায় ৮০ শতাংশ বৃদ্ধিৰ অভিলেখ গঢ়িছে।এই অধ্যয়নে প্ৰকাশ কৰিছে যে, ৯৫ শতাংশ উত্তৰদাতাই ব্যক্তিগত আৰু অনন্য অনুভৱ কৰা ভ্ৰমণ বিচাৰে। আনহাতে ৮৭ শতাংশই বিশ্বাস কৰে যে ভ্ৰমণ কৰাৰ ধৰণে তেওঁলোকৰ পৰিচয় প্ৰতিফলিত কৰে। বাসস্থান আজিৰ সময়ত ভ্ৰমণৰ সিদ্ধান্তৰ এক গুৰুত্বপূৰ্ণ চালক হৈ পৰিছে, ৬৩ শতাংশই অন্বেষণ কৰি থকাৰ বাবে গন্তব্যস্থান বাছনি কৰিছে। গ্ৰুপ ট্ৰেভেলেও গতি লাভ কৰিছে, এয়াৰবিএনবিত ভাৰতীয় জেন জি ট্ৰেভেলাৰসকলৰ ঘৰুৱা গ্ৰুপ বুকিং বছৰি প্ৰায় ৫৫ শতাংশ বৃদ্ধি পাইছে। এয়াৰবিএনবিৰ ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ মুৰব্বী অমনপ্ৰীত বাজাজে কয় যে, 'ভ্ৰমণ জেন জিৰ বাবে আত্ম-অভিব্যক্তিৰ এক ৰূপ হৈ পৰিছে, যিয়ে এই প্ৰজন্মক ক'লৈ যায়, কাৰ সৈতে ভ্ৰমণ কৰে আৰু ক'ত থাকে সেইসমূহ দিশ প্ৰভাৱিত কৰে।গুৱাহাটী মহানগৰীৰ পৰা পোৱা তথ্যই সমগ্ৰ অসম আৰু উত্তৰ-পূবত হোমষ্টে, বুটিক সম্পদ আৰু পৰীক্ষামূলক পৰ্যটনৰ বৰ্ধিত চাহিদাৰ ইংগিত দিয়ে। উদ্যোগৰ অংশীদাৰসকলে আগন্তুক দিনবোৰত আঞ্চলিক আতিথ্য পৰিচালনা কৰাসকলৰ বাবে ব্যৱসায়িক সম্ভাৱনা বৃদ্ধি কৰিবলৈ প্ৰকৃতিকেন্দ্ৰিক সম্ভাৰ, স্থানীয় সংস্কৃতি, নমনীয় ভ্ৰমণসূচী আৰু অংশীদাৰী বাসস্থান বিচৰা যুৱ ভ্ৰমণকাৰীসকলক আশা কৰে।

# মে'ত নিচানৰ ঘৰুৱা বিক্ৰী ১১৮শতাংশ বৃদ্ধি

**গুৱাহাটী, ৩ জুনঃ** নিচান মটৰ ইণ্ডিয়া প্ৰাইভেট লিমিটেড(এনএমআইপিএল)এ ভাৰতীয় বজাৰত নিজৰ বিকাশৰ গতি ধাৰাবাহিকভাৱে বজাই ৰাখি ২০২৬ চনৰ মে' মাহত এক শক্তিশালী প্ৰদৰ্শন দাঙি ধৰিছে। কোম্পানীটোৱে এই মাহত ঘৰুৱা পাইকাৰী বিক্ৰীত বছৰি ভিত্তিত ১১৮ শতাংশ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। কোম্পানীটোৱে জনোৱা মতে, এই মাহত ঘৰুৱা পাইকাৰী বিক্ৰী আছিল ২,৯৪৮খন বাহন। আনহাতে ৰপ্তানিৰ পৰিমাণ ৫,০২৩ ইউনিট স্পৰ্শ কৰিবলৈ সক্ষম হয়। মে' মাহৰ মুঠ পাইকাৰী বিক্ৰী হৈছিল ৭,৯৭১খন বাহন। এই শেহতীয়া পৰিসংখ্যাই নিচান ইণ্ডিয়াৰ ঘৰুৱা বিক্ৰীৰ ক্ষেত্ৰত বছৰি ভিত্তিত ধাৰাবাহিকভাৱে তৃতীয়টো মাহৰ বাবে বৃদ্ধি চিহ্নিত কৰিছে। নিচান মটৰ ইণ্ডিয়াৰ পৰিচালন সঞ্চালক সৌৰভ বৎসই এই প্ৰদৰ্শনৰ সন্দৰ্ভত মন্তব্য কৰি কয় যে, এই ধাৰাবাহিক বিকাশে ব্ৰেণ্ডটোৰ প্ৰতি গ্ৰাহকৰ ক্ৰমবৰ্ধমান বিশ্বাস প্ৰতিফলিত কৰিছে। তেওঁ এই সফলতাৰ আঁৰত সম্পূৰ্ণ নতুন নিচান গ্ৰেভাইট গাড়ীখনে লাভ কৰা ইতিবাচক সঁহাৰি আৰু ইয়াৰ চিএনজি মডেলৰ লগতে নিচান মেগনাইটৰ ধাৰাবাহিক জনপ্ৰিয়তাক প্ৰধান কাৰণ হিচাপে উল্লেখ কৰে। বৎসই কয় যে, 'নিচানৰ বছৰেকীয়া ভিত্তিত ঘৰুৱা বিক্ৰীৰ ধাৰাবাহিকভাৱে তৃতীয়টো মাহৰ বৃদ্ধি হৈছে, গ্ৰাহকে নিচানৰ ওপৰত দেখুৱাই অহা বিশ্বাসৰ এক উৎসাহজনক প্ৰতিফলন।' তেওঁ লগতে কয় যে, কোম্পানীটোৱে সমগ্ৰ দেশতে নিজৰ শ্ব'ৰুম আৰু সেৱাৰ নেটৱৰ্ক সম্প্ৰসাৰণ কৰা, গ্ৰাহকৰ বাবে প্ৰৱেশাধিকাৰ সহজ কৰা আৰু গ্ৰাহকৰ অভিজ্ঞতা উন্নত কৰাৰ ওপৰত গুৰুত্ব দি আহিছে।ইফালে, নিচানে নিচান টেক্টন বাহনৰ ৱ'ৰ্ল্ড প্ৰিমিয়াৰৰ বাবেও প্ৰস্তুতি চলাইছে, যাক কোম্পানীটোৱে ভাৰতত নিজৰ বিকাশৰ ৰণনীতি আৰু সামগ্ৰী সম্প্ৰসাৰণ পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি বৰ্ণনা কৰিছে। গুৱাহাটী মহানগৰীত সংপৃক্ত এছইউভি আৰু ইন্ধন সাশ্ৰয়ী বাহনৰ বৰ্ধিত চাহিদাই নিচানৰ দৰে ব্ৰেণ্ডসমূহৰ প্ৰতি গ্ৰাহকৰ আগ্ৰহ বৃদ্ধি কৰিছে। উদ্যোগ জগতৰ পৰ্যবেক্ষকসকলৰ মতে, মেগনাইট আৰু নতুনকৈ মুকলি কৰা গ্ৰেভাইটৰ দৰে মডেলসমূহে উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰেতাসকলক আকৰ্ষণ কৰিব পাৰে, য'ত সুলভ মূল্যৰ আৰু আধুনিক সা-সুবিধাযুক্ত এছইউভিৰ চাহিদা ধাৰাবাহিকভাৱে শক্তিশালী হৈ আছে। নিচান মটৰ ইণ্ডিয়াই বৰ্তমান ৬৫টা আন্তঃৰাষ্ট্ৰীয় গন্তব্যস্থানত ঘৰুৱা আৰু ৰপ্তানি বজাৰৰ প্ৰয়োজনীয়তা পূৰণ কৰি আহিছে আৰু ২০২৫ চনত ১.২ মিলিয়ন সঞ্চয়ী বাহন ৰপ্তানিৰ লক্ষ্য অৰ্জন কৰিছে। যাৰ ফলত ভাৰতৰ আগশাৰীৰ বাহন ৰপ্তানিকাৰীসকলৰ মাজত নিজৰ স্থান শক্তিশালী হৈ পৰিছে।

# প্লেয়াৰ্ছ কালেকচন মুকলি অ'কলিৰ

**গুৱাহাটী,৩ জুনঃ** চশমা আৰু ছানগ্লাছৰ অগ্ৰণী ব্ৰেণ্ড অ'কলিয়ে নিজৰ প্লেয়াৰ্ছ কালেকচন অভিযানৰ শেহতীয়া সংস্কৰণ মুকলি কৰিছে, য'ত বিশ্ববিখ্যাত ক্ৰীড়া তাৰকা কিলিয়ান এমবাপে আৰু জাইলেন ব্ৰাউনক প্ৰদৰ্শন কৰা হৈছে। এই সংগ্ৰহত দুয়োগৰাকী খেলুৱৈৰ সৈতে যুটীয়াভাৱে প্ৰস্তুত কৰা বিশেষ চিগনেশ্বৰ চশমা শৃংখলা সন্নিৱিষ্ট কৰা হৈছে, যিয়ে খেলুৱৈ দুজনৰ ব্যক্তিগত শৈলী, পৰিচয় আৰু ক্ৰীড়া জগতৰ প্ৰভাৱক প্ৰতিফলিত কৰে।এই নতুন চশমাসমূহত হাইলণ্ড জাইলেন ব্ৰাউন চিগনেশ্বাৰ চিৰিজ অন্তৰ্ভুক্ত কৰা হৈছে, য'ত একচেটিয়া কোকো ব্ৰাউন ৰং, ব্ৰাউনৰ ব্যক্তিগত ল'গ' আৰু সূৰ্যৰ পোহৰ বা ৰ'দৰ পৰা অধিক সুৰক্ষা প্ৰদান কৰিবলৈ বিশেষভাৱে ডিজাইন কৰা প্ৰিজম ৰুবী লেন্স ব্যৱহাৰ কৰা হৈছে। খেলপথাৰৰ বাহিৰত ব্ৰাউনৰ ফেশ্বন পচন্দৰ দ্বাৰা অনুপ্ৰাণিত এই চশমাযোৰ দীৰ্ঘস্থায়ী আৰু আৰামদায়ক কৰিবলৈ অত্যন্ত পাতল অ'-মেটাৰ ফ্ৰেম ব্যৱহাৰ কৰি প্ৰস্তুত কৰা হৈছে। আনহাতে, কিলিয়ান এমবাপে চিগনেশ্বাৰ চিৰিজ পাৰ্মিয়ানত প্ৰিজমত ৰোড লেন্সৰ সৈতে এক আকৰ্ষণীয় লেন্স ডিজাইন আগবঢ়োৱা হৈছে। চশমাৰ ফ্ৰেমটোত এমবাপৰ ল'গ' থকাৰ লগতে তেওঁৰ শিপা আৰু ক্ৰীড়া যাত্ৰাৰ প্ৰতি সন্মান জনাই ফ্ৰান্সত অৱস্থিত খেলুৱৈজনৰ গৃহ চহৰ বণ্ডীৰ ভৌগোলিক স্থানাংক চশমাযোৰত খোদিত কৰা হৈছে।এই সন্দৰ্ভত ব্ৰাউনে নিজৰ অভিমত ব্যক্ত কৰি কয় যে, 'মোৰ বাবে সকলো বস্তুৱেই ইটো সিটোৰ সৈতে সম্পৰ্কিত, ইয়াত আছে। প্ৰদৰ্শন, সৃজনশীলতা আৰু পৰিচয়।' এমবাপেই কয় যে, 'ষ্টাইল হৈছে এক স্বকীয় পৰিচয়। এই চশমাজোৰ কেৱল এক ফেশ্বন সামগ্ৰী নহয়- ই মোৰ শিপা বহন কৰে আৰু মোৰ জীৱনৰ যাত্ৰাকো প্ৰতিফলিত কৰে।'গুৱাহাটী মহানগৰীৰ যুৱ গ্ৰাহক, ক্ৰীড়া প্ৰেমী আৰু প্ৰিমিয়াম




চশমা ক্ৰেতাসকলৰ মাজত অ'ক্লিৰ উপস্থিতিক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। চহৰখনত ব্ৰেণ্ডেড আৰু উচ্চমানৰ ক্ৰীড়াকেন্দ্ৰিক চশমাৰ বৰ্ধিত চাহিদালৈ লক্ষ্য ৰাখি, ক্ৰীড়া-অনুপ্ৰাণিত ডিজাইন আৰু লাইফষ্টাইল ফেশ্বনৰ সংমিশ্ৰণ বিচৰা গ্ৰাহকসকলক এই নতুন সংগ্ৰহে আকৰ্ষিত কৰিব পাৰে।এই প্লেয়াৰ্ছ কালেকচন বৰ্তমান আগশাৰীৰ অপ্টিকেল ষ্ট'ৰ, ছানগ্লাছ হাট, লেন্স ক্ৰাফটাৰ্ছ আৰু প্ৰধান ই-কমাৰ্চ প্লেটফৰ্মসমূহত উপলব্ধ, যাৰ মূল্য ১১,৬৯০ টকাৰ পৰা আৰম্ভ হৈছে।

# হাইড্ৰেচন সতেজৰ প্ৰাকৃতিক সমাধান আগবঢ়াইছে ডাবৰ ইণ্ডিয়া লিমিটেডে




**গুৱাহাটী, ৩ জুনঃ** সমগ্ৰ দেশতে উষ্ণতা বৃদ্ধি পোৱাৰ লগে লগে দেশৰ আগশাৰীৰ বিজ্ঞান ভিত্তিক আয়ুৰ্বেদ প্ৰতিষ্ঠান ডাবৰ ইণ্ডিয়া লিমিটেডে এই গ্ৰীষ্মকালত কোনো অতিৰিক্ত চেনি নোহোৱাকৈ হাইড্ৰেচন সতেজ কৰাৰ চূড়ান্ত প্ৰাকৃতিক সমাধান হিচাপে আগবঢ়াইছে ৰিয়েল এক্টিভ নাৰিকল পানী। প্ৰাকৃতিক ইলেক্ট্ৰ'লাইটৰ সৈতে ভৰপূৰ আৰু উন্নতমানৰ নাৰিকলৰ পৰা সংগ্ৰহ কৰা ৰিয়েল এক্টিভ নাৰিকল পানীয়ে সতেজ হাইড্ৰেচনৰ বাবে চেনিযুক্ত কাৰ্বনেটেড পানীয়ৰ সলনি চৰ্বিমুক্ত, কম কেলৰিযুক্ত বিকল্প আগবঢ়ায়। ৰিয়েল এক্টিভ নাৰিকল পানী ২০০ মিলিলিটাৰ আৰু ১ লিটাৰৰ টেট্ৰা পেক আৰু পেট বটলত উপলব্ধ। সমগ্ৰ ভাৰতৰ আগশাৰীৰ খুচুৰা বিপনী, চুপাৰ মাৰ্কেট আৰু ই-কমাৰ্চ প্লেটফৰ্মত ইয়াৰ মূল্য ৩০ টকাৰ পৰা ১৭৮ টকাৰ ভিতৰত।' ৰিয়েল এক্টিভ নাৰিকল পানী হৈছে নিখুঁত গ্ৰীষ্মকালীন সংগী যিয়ে ক্লান্তিৰ বিৰুদ্ধে যুঁজিবলৈ আৰু হাইড্ৰেচন সমৰ্থন কৰিবলৈ এটা প্ৰাকৃতিক ইলেকক্ট'লাইট বুষ্ট প্ৰদান কৰে। ই কোনো যোগ কৰা চেনিৰ অবিহনে এটা অপৰাধবোধহীন হাইড্ৰেচন অভিজ্ঞতা প্ৰদান কৰে। আনহাতে ইয়াৰ অন্তৰ্নিহিত শীতল গুণে হজম আৰু ছালৰ হাইড্ৰেচন আৰু স্বাস্থ্যক প্ৰসাৰিত কৰি গ্ৰীষ্মকালীন সুস্থতাক সমৰ্থন কৰে। এতিয়া সৰ্বোচ্চ সুবিধাৰ বাবে পুনৰ সংজ্ঞায়িত কৰা আমাৰ বিভিন্ন পেকৰ আকাৰে নিশ্চিত কৰে যে এই সতেজ, স্বাস্থ্যকৰ পৰম্পৰা ব্যস্ত গ্ৰাহকৰ বাবে যিকোনো সময়তে আৰু যিকোনো ঠাইতে সুলভ। ডাবৰ ইণ্ডিয়া লিমিটেডৰ বিপণন শাখাৰ উপাধ্যক্ষ মায়ংক কুমাৰে কয়। সাধাৰণ তৃষ্ণা নিবাৰণৰ বাহিৰেও, ৰিয়েল নাৰিকল পানীয়ে সামগ্ৰিক স্বাস্থ্য সুবিধাৰ বিভিন্ন সুফল প্ৰদান কৰে যিয়ে সামগ্ৰিকভাৱে গ্ৰীষ্মকালীন সুস্থতাক সমৰ্থন কৰে। ইয়াৰ অন্তৰ্নিহিত শীতল গুণে পাচনতন্ত্ৰৰ স্বাস্থ্য বজাই ৰখাত আৰু তাপৰ ফলত হোৱা অস্বস্তিৰ বিৰুদ্ধে ব্যৱস্থাটোক শান্ত কৰাত সহায় কৰে। তদুপৰি এই পানীয় বিধে আভ্যন্তৰীণ হাইড্ৰেটৰ হিচাপে কাম কৰে যিয়ে কঠোৰ বতৰতো প্ৰাকৃতিক উজ্জ্বলতাৰ প্ৰসাৰ ঘটাই ছালৰ স্বাস্থ্য বজাই ৰখাত সহায় কৰে। প্ৰাকৃতিকভাৱে চৰ্বিমুক্ত আৰু ইয়াত কোনো ধৰণৰ যোগ কৰা চেনি বা কৃত্ৰিম সোৱাদ নথকাৰ বাবে ই ৰুচি বা বিশুদ্ধতাৰ সৈতে আপোচ নকৰাকৈ ফিট হৈ থাকিব বিচৰাসকলৰ বাবে শূন্য অপৰাধবোধৰ অভিজ্ঞতা প্ৰদান কৰে।

# শ্ৰমিক নেতা অতুল চন্দ্ৰ শইকীয়াৰ মৃত্যু দিৱস উদযাপন



**গুৱাহাটী, ৩ জুনঃ** দেশৰ এগৰাকী আগশাৰী ট্ৰেড ইউনিয়ন নেতা, মুক্তিযোদ্ধা, প্ৰাক্তন বিধায়ক আৰু ৰাজ্যিক পৰিবহণ কৰ্মচাৰী সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক প্ৰায়াত অতুল চন্দ্ৰ শইকীয়া ৪৪ তম মৃত্যু দিৱস পহিলা জুনত ৰাজ্যিক পৰিবহণ কৰ্মচাৰী সন্থাই গুৱাহাটীৰ ৰূপনগৰত অৱস্থিত পৰিবহণ নিগমৰ মুখ্য কাৰ্যালয়ত নাম প্ৰসংগৰে প্ৰয়াত নেতাগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। ৰাজ্যিক পৰিবহণ কৰ্মচাৰী সন্থাৰ সভাপতি হেমিদ আলি, উপ-সভাপতি গৌতম কলিতা আৰু প্ৰাঞ্জল শইকীয়া, সাধাৰণ সম্পাদক বিপ্লৱ বৰুৱা, সম্পাদক বুবুল কলিতা, কমল চেতিয়া, নুৰ আলি, ছফিকুৰ ৰহমান, তাইজুদ্দিন ইছলাম, খয়বৰ আলি, দিম্বৰ দাস আৰু পৰশুৰাম বৰ্মনকে ধৰি সন্থাৰ সমূহ নেতৃবৃন্দ উপস্থিত থাকে। অনুষ্ঠানত স্বৰ্গীয় শইকীয়াৰ পুত্ৰ অতনু শইকীয়াই পৰিয়ালৰ ফালৰ পৰা উপস্থিত থাকে আৰু ৪৪ বছৰ একেলেঠাৰিয়ে এই অনুষ্ঠান পাতি অহাৰ বাবে সন্থালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, ১৯৫৮চনত প্ৰতিষ্ঠা হোৱা এই সন্থাৰ স্বৰ্গীয় শইকীয়া ১ জুন ১৯৮২ চনলৈ তেখেতৰ মৃত্যুৰ সময়লৈ সাধাৰণ সম্পাদকৰ দায়িত্বত আছিল আৰু পৰিবহণ বিভাগ পৰিবহণ নিগমলৈ ৰূপান্তৰিত হোৱাত নিগমৰ সঞ্চালক মণ্ডলীত শ্ৰমিকৰ প্ৰতিনিধি হিচাপে সদস্য আছিল। স্বৰ্গীয় শইকীয়া পৰিবহণ কৰ্মচাৰী সন্থাৰ উপৰিও তৈল উদ্যোগ, চাহ উদ্যোগ, প্লাইউদ উদ্যোগ, প্ৰায় ৫০টা সৰু-বৰ ট্ৰেড ইউনিয়নৰ লগত জড়িত আছিল আৰু মৃত্যুৰ সময়লৈকে দেশৰ পৰিবহণ নিগম সমূহৰ উমৈহতীয়া সংগঠন অল ইণ্ডিয়া ট্ৰেনছপোৰ্ট ৱৰ্কাছ ফেডাৰেছনৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্বত আছিল।

# চম্পাৱতী হাইস্কুলত কৰ্মশালা

**গুৱাহাটী,৩জুনঃ** মহানগৰীৰ ধীৰেন পাৰা-গণেশ পাৰাস্থিত চম্পাৱতী হাইস্কুলত ২৯ মে'ত এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। পেলনীয়া কাগজৰ পুনৰাৱৰ্তন কৰি পুনৰ ব্যৱহাৰ যোগ্য কাগজৰ উৎপাদন কৰাৰ উদ্দেশ্যে এই কৰ্মশালাখন Environment Education Program ৰ অধীনত কৰা হয়। ইয়াত সহযোগ কৰে ASTEC, Science & Technology Dept. Govt. Of Assam , District Nodal Agency, EEP, Kamrup(M) আৰু Rural woman upliftment Association of Assam। কৰ্মশালাখনত অংশগ্ৰহণ কৰে চম্পাৱতী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে। কৰ্মশালাখন আঁত ধৰে শিক্ষয়িত্ৰী ৰুণুমী দেৱী আৰু মহচীনা মজুমদাৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সোমা দাসক এটি গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলে হাতেকামে কাগজৰ পুনৰাৱৰ্তন কৰিব পাৰি আপ্লুত হয়। কৰ্মশালাখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ঘৰতে পেলনীয়া কাগজৰ পৰা নতুন কাগজ তৈয়াৰ কৰি বিভিন্ন ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰা হয়।

# বিশেষ

## ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়



নগেন তালুকদাৰ

যুগ যুগ ধৰি স্বাক্ষৰ বহন কৰি অহা এখন পবিত্ৰ ধৰ্মানুষ্ঠান হৈছে বিল্বেশ্বৰ দেৱালয়। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনৰ তীৰ্থভূমি এই প্ৰাচীন পীঠখন নলবাৰী জিলাৰ বেলশৰ গাঁৱত অৱস্থিত। ৪২ টা চুবুৰিৰে গঠিত বেলশৰ গাঁৱৰ চাৰিসীমা এনেধৰণৰ- পূৱে বৰ্ণি-বাটসৰ, পশিচেম শোলমাৰী, উত্তৰে গন্ধিয়া আৰু দক্ষিণে ককয়া। জিলাখনৰ চহৰৰ পৰা পশ্চিম-দক্ষিণ কোণত প্ৰায় ১৩ কিঃমিঃ নিলগত অৱস্থিত এই শক্তি পীঠখন। সমগ্ৰ দেশখনত আজি বিল্বেশ্বৰ দেৱালয়খনেই হৈ পৰিছে বেলশৰৰ পৰিচয়। জনশ্ৰুতি মতে এসময়ত বেলশৰৰ এটা অঞ্চল বিৰিণা আৰু কেতেকী ফুলৰ গছেৰে ভৰি আছিল। দেৱালয়খনৰ পূব দিশৰ দেউৰীপাৰাৰ ৰূপনাৰায়ণ নামৰ ব্ৰাহ্মণ এজনৰ এজনী কপিলী গাইগৰু আছিল। গাইজনীয়ে ব্ৰাহ্মণজনক আশা কৰা অনুসৰি গাখীৰ নিদিয়াত আলেঙে-আলেঙে গাইজনী অনুসৰণ কৰাত ব্ৰাহ্মণে দেখিছিল এক স্বৰ্গীয় দৃশ্য। ব্ৰাহ্মণে দেখে যে তেওঁৰ গাইজনীয়ে এজোপা বিৰিণাৰ ওপৰত থিয় হৈ আছে আৰু তাইৰ ওহাৰৰ পৰা অমৃতৰূপী দুগ্ধৰ সোঁত বৈ আছে। এনেদৰে গাইজনীয়ে বিৰিণা গছজোপাৰ তলত কেবাদিনো গাখীৰ দিয়া প্ৰত্যক্ষ কৰে ব্ৰাহ্মণ ৰূপনাৰায়ণে। প্ৰতিদিনে এজোপা নিৰ্দিষ্ট বিৰিণাত গাখীৰ দিয়া কাৰ্য দেখি ব্ৰাহ্মণৰ মনত ভীষণ কৌতুহল জন্মিল। এদিন ব্ৰাহ্মণে কোৰেৰে বিৰিণাজোপা উভালি মাটি খান্দি দেখে যে এটা ক'লা ৰঙৰ শিৱলিঙ্গ। বিস্ময় বিমূঢ় ব্ৰাহ্মণ ৰূপনাৰায়ণে এই অলৌকিক কাৰ্য্যৰ কথা গাঁওবাসীক জনোৱাত ভক্তি বিহ্বল ভয়াৰ্ত্ত গঞা ৰাইজে উক্ত স্থানত শিৱলিঙ্গত নিয়মিত পূজা-অৰ্চনা কৰিবলৈ ধৰিলে। শিৱলিঙ্গৰ অলৌকিক বিস্ময় মহিমাৰকথা কোচ ৰজা নাগাক্ষ (নাগশঙ্কৰ) ৰ কাণত পৰিল। আহোম স্বৰ্গদেউ শিৱসিংহৰ তলতীয়া ৰজা আছিল কোচ ৰজা নাগাক্ষ। ৰজা নাগাক্ষ সদলবলে আহি উক্ত স্থানত উপস্থিত হৈ পালি-পহৰীয়াক শিৱলিঙ্গটো উঠাবলৈ নিৰ্দেশ দিয়ে যদিও হাতীৰে টানিও শিৱলিঙ্গটো উঠোৱা দূৰৰ কথা বেজিৰ আগৰ মানো ওপৰলৈ আনিব নোৱাৰিলে। ভূমিপৃষ্ঠৰ পৰা দহ ফুট দত অৱস্থান কৰি থকা এই মাহাত্ম্যপূৰ্ণ শিৱলিঙ্গৰ ওপৰত নাগাক্ষ ৰজাই ১৫২১ খৃষ্টাব্দত এটি মন্দিৰ সজাই পূজা-পাতালৰ ব্যৱস্থা কৰে। শাক্ত, শৈৱ আৰু বৈষ্ণৱ এই তিনিওটা পদ্ধতিৰেই প্ৰভাৱ বিদ্যমান হৈ থকা বিল্বেশ্বৰ দেৱালয়ত থকা শিলালিপিৰ পৰা বহু পুৰণি তথ্য পোৱা যায়। ১৯৬৯ চনৰ ১৪ এপ্ৰিলৰ নিশা দেৱালয়ৰ ৫২৮০ বিঘা ১৪ লেচা মাটি অধিগৃহীত হয়।

বিল্বেশ্বৰ দেৱালয়ৰ পুনৰ নিৰ্মাণক সংস্কাৰৰ শিলালিপি আহোম ৰজা লক্ষ্মীসিংহৰ দিনৰ (খ্ৰীঃ ১৭৬৯-১৭৮০) ফলিত খোদিত কৰা তাৰিখ আছিল ১৬৮৯ বা ১৬৯৯ শক। ইংৰাজী মতে ১৭৬৭ বা ১৭৬৮। তাম্ৰফলিত পোৱা মতে, স্বৰ্গদেউ শিৱসিংহই ১৭১৪ খ্ৰীঃত এই মন্দিৰলৈ ১৪২০ বিঘা লাখেৰাজ আৰু ২৮০১ বিঘা নিস্পিখেৰাজ মাটি দান কৰিছিল। তাহানি নাগাক্ষ ৰজাৰ দিনৰে পৰা বৰ্তমানলৈকে শাসকসকলেই দেৱালয়ৰ পৃষ্ঠপোষকতা কৰি আহিছে।

যোগিনী তন্ত্ৰত পোৱা মতে, বিল্বেশ্বৰ দেৱালয় এখন শৈৱপীঠ হ'লেও ইয়াত নিত্য পূজা-পাৰ্বণৰ উপৰি পৰম্পৰাগতভাৱে দুৰ্গা পূজা, শিৱৰাত্ৰি পূজা, লক্ষ্মী পূজা, শ্যামা পূজা, বাসন্তী পূজা, দৌলোৎসৱ, সত্যনাৰায়ণ পূজা, জেঠুৱা নাম, বৰাতৰ নাম, যাগ-যজ্ঞ, ভঠেলি আদি পালন হৈ আহিছে।

পবিত্ৰ এই দেৱালয়খনত প্ৰতি ব'হাগ মাহৰ সাত দিনাৰ দিনা আৰু কুৰি দিনৰ দিনা ভঠেলি উৎসৱ পালন কৰা হয়। জেঠ মাহৰ প্ৰথমটো সোমবাৰৰ পৰা মাহটোৰ প্ৰতিটো সোমবাৰত আয়তীসকলে জেঠুৱা নাম বা সোমবৰীয়া নাম ধৰে। জেঠুৱা নাম তিৰোতাৰ নাম যদিও মতা মানুহ অধিক হোৱা দেখা যায়। জেঠুৱা নামৰ শেষত আহাৰৰ ৩ তাৰিখে আয়তীসকলে বৰাতৰ নাম ধৰে। পুৱাৰ পৰা গধূলিলৈ হেজাৰ হেজাৰ তিৰোতাৰ সমাগমে বিল্বেশ্বৰ দেৱালয়ৰ চৌদিশ আনন্দৰে মুখৰিত কৰি তোলে। বৰাতৰ নামৰ শেষত আয়তীসকলে শাস্ত্ৰীয় সাধু শুনা দেখা যায়। শাওণ মাহত দেৱালয়ত তেনে কোনো মাংগলিক অনুষ্ঠান নাই যদিও দেৱালয়ত নাম কীৰ্ত্তন চলি থাকে। ভাদ মাহত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। আকৌ পাঁচ দিন বা পোন্ধৰ দিন পিছত 'পচতি উৎসৱ' পালন কৰা হয়। আহিন বা কাতি মাহৰ এক নিৰ্দিষ্ট তিথিমতে পালন কৰা হ'ল শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গোৎসৱ। এই দুৰ্গোৎসৱত শুক্লা প্ৰতিপদ তিথিৰ পৰা শুক্লা দশমীলৈ মুঠ ১০ দিনীয়াকৈ পালন কৰা হয়। দেৱালয়খনৰ আটাইবোৰ উৎসৱ-পাৰ্বণৰ ভিতৰত ব্যাপকভাৱে উদ্‌যাপিত হৈ অহা দুৰ্গা পূজা সমগ্ৰ দেশতে বিশেষভাৱে পৰিচিত। অইন ঠাইৰ নিচিনাকৈ বিল্বেশ্বৰ দেৱালয়ত দুৰ্গা পূজাত মাটিৰ মূৰ্তি সজোৱা নহয়। ইয়াৰ বিপৰীত সম্পূৰ্ণ ধৰ্মীয় নিয়ম-নীতিৰে ৰামকল এজোপাকে বিবিধ বস্ত্ৰ, আ-অলংকাৰ পিন্ধাই সুশোভিত কৰি দেৱী সজাই তোলা হয়। পঠা ছাগলী, হাঁহ, পাৰ আদি বিভিন্ন জীৱ বলি দি অহা বেলশৰৰ দুৰ্গা পূজাৰ প্ৰতিবছৰে বিশেষকৈ মহানৱমী পূজাৰ ম'হ বলিয়ে লক্ষ লক্ষ ভক্তক দুৰ্গোৎসৱক আকৰ্ষিত কৰি আহিছে। শাৰদীয় দুৰ্গোৎসৱৰ বিদায়ৰ পিছত উদ্‌যাপিত হয় লক্ষ্মীপূজা। কাতি মাহত বলি-বিধানেৰে পালন কৰা হয় শ্যামাপূজা বা কালী পূজা। সেই মাহৰ একাদশীৰ পৰা পূৰ্ণিমালৈ চলে ৰাসপূজা। অনুষ্টুপীয়াকৈ চলা ৰাস পূজাৰ পূৰ্ণিমাৰ নিশা পূৰ্ণাহুতি দিয়া হয়। আঘোণ মাহত নতুন ধানেৰে কৃষকৰ প্ৰাণৰ উৎসৱ 'ন' খোৱা প্ৰথা বিৰাজমান। ধৰ্মীয় দৰ্শনৰ বাবে উত্তম বুলি ধৰা মাঘ মাহটোত দেৱালয়খন ভৰি পৰে দেশৰ বিভিন্ন প্ৰান্তৰ ভক্ত-দৰ্শনাৰ্থীৰে। ফাগুণ মাহত মহা ধূমধামেৰে পালন কৰা হয় শিৱ চতুৰ্দশী। চ'ত মাহত উদ্‌যাপিত হয় ফাকুৱা উৎসৱ বা দৌলোৎসৱ।

ইতিহাসপ্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়খন অন্যধৰণে পৰিচালিত হৈ আহিছে। দেৱালয়খনত এজন দলৈ থাকে। দলৈজনক বৰদেউৰীসকলে নিৰ্বাচন কৰে। দলৈগৰাকী হৈছে দেৱালয়খনৰ সম্পাদক আৰু জিলাৰ উপায়ুক্ত গৰাকী হৈছে স্থায়ী সভাপতি।

মন্দিৰ চৌহদৰ পুখুৰীৰ মাজত স্থাপন হোৱা যাঁড়গৰুৰ স'তে সুশোভিত শিৱমূৰ্তি, পুখুৰী সংলগ্ন নাগাৰা পাৰ্ক আৰু ইয়াৰ ভিতৰত থকা ভিন ভিন ফুলবোৰ, মূল প্ৰৱেশ পথৰ সন্মুখত থকা মলয়া বতাহ সৃষ্টি কৰা আঁহত গছ সমূহ, ওচৰতে থকা লম্বমান দীঘলী পুখুৰী মন্দিৰৰ দক্ষিণ ফালে থকা পৰিদৰ্শন বঙলা, তীৰ্থযাত্ৰী নিবাস, মন্দিৰৰ চাৰিওফালে থকা বিভিন্ন সংঘ আৰু চৰকাৰী কাৰ্যালয়সমূহৰ সমাহাৰে বিল্বেশ্বৰ দেৱালয়খন প্ৰাকৃতিক শোভা অতি বিতোপন কৰি তুলিছে।

নলবাৰী জিলাৰ ইতিহাস প্ৰসিদ্ধ বেলশৰৰ বিল্বেশ্বৰ দেৱালয়ৰ শাৰদীয় দুৰ্গা পূজা ভাগ সুকলমে পাৰ কৰাৰ উদ্দেশ্যে ইতিমধ্যে সীমান্ত মেনাক সভাপতি, অৱনী বৰ্মন, গৌতম বৰ্মনক উপ-সভাপতি, দিগন্ত শইকীয়াক মুখ্য সম্পাদক, দেৱজিৎ দাস, মৃণাল বৰ্মনক সহকাৰী সম্পাদক হিচাপে লৈ এখন শক্তিশালী পূজা পৰিচালনা সমিতি গঠন কৰা হৈছে। ৰজাদিনীয়া শৈৱপীঠখনত এইবেলি অহা ১৫ অক্টোবৰৰ পৰা ২৪ অক্টোবলৈ দহদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শাৰদীয় দুৰ্গা পূজাৰ আয়োজন কৰিছে। কাৰ্য্যসূচী অনুসৰি ১৫ অক্টোবৰত দেৱীৰ শৈলপুত্ৰী ৰূপত, ১৬ অক্টোবৰ ব্ৰহ্মচাৰিণী ৰূপত, ১৭ অক্টোবৰত চন্দ্ৰঘণ্টা ৰূপত, ১৮ অক্টোবৰত কুষ্মাণ্ডা ৰূপত, ১৯ অক্টোবৰত স্কন্ধমাতা ৰূপত, ২০ অক্টোবৰত কাত্যায়নী ৰূপত, ২১ অক্টোবৰত কালৰাত্ৰি ৰূপত, ২২ অক্টোবৰত দেৱীৰ মহাগৌৰী ৰূপত মহাঅষ্টমী পূজা, ২৩ অক্টোবৰত সিদ্ধিদাত্ৰী ৰূপত মহানৱমী পূজা আৰু ২৪ অক্টোবৰত দেৱীৰ দশমী বিহিত পূজাভাগ ধৰ্মীয় ৰীতি-নীতিৰে সম্পন্ন কৰা হ'ব। এইবেলি মহানৱমী পূজা ৫৮ টা ম'হ দেৱীৰ ওচৰত উচৰ্গা কৰা হ'ব বুলি দেৱালয়ৰ দলৈ ৰঞ্জিত মিশ্ৰই জানিব দিছে। কেইবা লক্ষ্যাধিক ভক্ত দৰ্শনাৰ্থীৰ সমগমলৈ লক্ষ্য ৰাখি ইতিমধ্যে পূজা পৰিচালনা সমিতিয়ে সকলো দিশত চকু ৰাখিছে। ইয়াৰোপৰি তিনিখন আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলে নাট্যমোদী দৰ্শকৰ সন্মুখত বলিষ্ঠতাৰে নাট মঞ্চস্থ কৰিব বুলিও জানিব পৰা গৈছে।

দূৰভাষ ঃ ৬০০০৩-৬৮৮৩১

## গ্ৰামাঞ্চলত প্ৰচলিত শৈশৱৰ খেল-ধেমালী ঃ চমু অৱলোকন

বন্দিতা ডেকা

খেল-ধেমালী হৈছে লৰা-ছোৱালীৰ মানসিক আৰু শাৰিৰীক বিকাশৰ লগতে মনত আনন্দ সঞ্চাৰ কৰা মাধ্যম। শৈশৱৰ খেল ধেমালীবোৰে ভাবিব নোৱাৰাকৈ মানুহৰ মনত সাঁচ বহুৱাই থৈ যায়। শৈশৱত খেলা খেলবোৰ মানুহে মৃত্যুৰ আগমুহূৰ্তলৈকে স্মৰণ কৰে। আগতে ককা আইতাহতে কোৱা শুনিছিলো যে আমি এইটো খেল খেলিছিলো সেইটো খেল খেলিছিলো তেনেকৈ কৈ কৈ পুৰণি স্মৃতিবোৰ ৰোমন্থন কৰি খুব আমোদ পাইছিল। কিন্তু বৰ্তমান যুগত তাহানিৰ সেই মনোৰঞ্জন দিয়া খেলসমূহ লুপ্ত হৈ পৰা দেখা গৈছে। আজিৰ কণ কণ শিশুহতৰ মাজত খেল-ধেমালীৰ প্ৰতি কোনো ধাউতি দেখা নাযায়। এতিয়া সিহতে স্কুল, হমৱৰ্ক, টিউচন, আৰ্ট, ডেন্স আদিতেই ব্যস্ত হৈ থাকিব লাগে। আৰু যিখিনি সময় পায় সেইখিনি সময়ত ম'বাইল, দূৰদৰ্শনত ব্যস্ত হৈ পৰে। গতিকে অভিভাৱকসকলৰ বাবে এইটো এটা ডাঙৰ চিন্তাৰ বিষয় হৈ পৰিছে। আমি অভিভাৱকসকলে অলপ সময় উলিয়াই হলেও ল'ৰা-ছোৱালীক খেলৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগে। কাৰণ খেল-ধেমালীৰ দ্বাৰা মানকি আৰু শাৰীৰিকভাৱে আমাৰ ল'ৰা-ছোৱালীসকল বহুত উপকৃত হ'ব বুলি ভাবো।

আগৰ দিনত মনোৰঞ্জনৰ আহিলা বুলি ক'লে খেল-ধেমালীকে ধৰা যায় কিন্তু এতিয়া ম'বাইল, ভিডিঅ' গেম, ইণ্টাৰনেটৰ প্ৰসাৰৰ লগে লগে বিভিন্ন ধৰণৰ মনোৰঞ্জনৰ সুবিধা উপলব্ধ হোৱা দেখা গৈছে। এই বিলাকৰ পৰা শাৰিৰীক আৰু মানসিক দিশত কোনোধৰণৰ সুফল পোৱা নাযায়।

অসমৰ বিভিন্ন ঠাইৰ লগতে ব্যাসকুছিতো পৰম্পৰাগত খেল-ধেমালী সমূহৰ ব্যাপক প্ৰচলন আছিল। কিন্তু আধুনিক মনোৰঞ্জনৰ আহিলা সমূহ অহাৰ লগে লগে আৰু সমাজ আৰু সময়ৰ পৰিৱৰ্তনৰ লগে লগে খেলসমূহ সুপ্ত প্ৰায় হবলৈ ধৰিছে।

পৰম্পৰাগত খেলসমূহ বয়স অনুপাতে বেলেগ বেলগ। শৈশৱৰ খেলসমূহ বেলেগ, যৌৱৰ খেলসমূহ বেলেগ, কৈশোৰৰ খেলসমূহ বেলেগ। শৈশৱকালত চোতালত ঢাৰি পাতি বহি আইতাহতে কোৱা সাধু শুনাৰ উপৰিও বিভিন্ন ধৰণৰ খেল খেলা হয়। শৈশৱত খেলা খেল সমূহে দেহ মন আলোড়িত কৰি ৰাখে।

প্ৰচলিত শৈশৱৰ কেইটামান পৰম্পৰাগত উল্লেখযোগ্য খেল হৈছে—

**লেটুকৰ গছ খেল ঃ**

এই খেলটো খেলি ল'ৰা-ছোৱালী বিলাকে খুব আনন্দ উপভোগ কৰিছিল। এই খেলটোত ৪-৫ জন মান শিশুৱে লগ লাগি খেলিছিল। এই সকলৰ মাজৰ কোনোবা এজনে ভৰি এখন আগবঢ়াই দি ভৰিখনক গছৰ মুৰা বুলি ধৰি লৈছিল। তাৰ পিছত ভৰিখনৰ ওপৰত অৰ্থাৎ বুঢ়া আঙুলিটোত গোটেইবিলাকে দুয়োখন হাতেৰে মুঠা বান্ধি বুঢ়া আঙুলি কেইটা ওপৰলৈ দি ইটোৰ ওপৰত সিটো ধৰি গৈ থাকে। গোটেইবিলাক শিশুৰ প্ৰত্যেকৰে দুটাকৈ মুঠা লগ লাগি গছৰ নিচিনা ওখ দেখা হয়। আৰু তাকেই গছ হিচাপে ধৰি লৈ ভৰি আগবঢ়াই দিয়াজনে সুধি যাব

ইডেল কিহৰ গাছ?<br>
বাকীবোৰে উত্তৰ দিব<br>
"লেটুকৰ গাছ<br>
এইবাৰ সুধিব<br>
লাগ্‌ছি না লাগা নাই?<br>
লাগ্‌ছি<br>
পক্‌ছি না পকা নাই?<br>
পকছি।<br>
গহে বান্নক দিছা না নাই?<br>
দিছো<br>
তুহুন খাইছা না নাই?<br>
খাইছু।<br>
মোক লগি থৈছানা নাই?<br>
চাঙৰ তলত থৈছিলু<br>
বান্দৰে খাইছি

তাৰ পিছত প্ৰশ্নকৰ্ত্তাজনৰ খং উঠাৰ নিচিনা কৰি ক'ব

তেনেহলি গাছ ডেল কাটু?<br>
নাক্‌ট পা।<br>
ঢেউক্‌ৰা কুকুৰক মাতু?<br>
নামাত্‌ পা<br>
কুঠাৰখেল আনু?<br>
না্‌ন বা<br>
গাছ ডেল কাটু?<br>
কটু গছডেল?<br>
"ঘেচাঙ"

তাৰ পিছত প্ৰত্যেকে হাতৰ মুঠিবোৰ বুঢ়া আঙুলিৰ পৰা আঁতৰাই আনি হাঁহি স্ফূৰ্তিৰে গছৰ মুৰা হৈ থকা ভৰিখনক টানি আজুৰি একাযৰীয়া কৰি থয়। এইটোৱে হৈছে শিশুসকলৰ প্ৰিয় খেল লেটুকৰ গাছ খেল।

**ইচ্‌নি-বিচ্‌নি খেল ঃ**

শিশুসকলৰ প্ৰিয় খেলসমূহৰ ভিতৰত ইচ্‌নি-বিচ্‌নি খেল বিধো অন্যতম। এই খেলবিধত কেইজনমান সমবয়সীয়া শিশুয়ে লগ হৈ ঘুৰনীয়াকৈ বহি লয়। তাৰ পিছত তেওঁলোকে নিজৰ নিজৰ হাত দুখন মাটিত পাৰি থয়। শিশুসকলৰ ভিতৰত দায়িত্ব লব পৰা এজনে মাটিত পাৰি থোৱা হাত কেইখনত এমূৰৰ পৰা লাহে লাহে থপৰিয়াই গাই যায়।

"ইচ্‌নি-বিচ্‌নি দৈৰ্‌কা কিচ্‌নি"<br>
মৌ পৰে চিলা পৰে।<br>
হাফু জাই চাউল চৰে<br>
চাউল চৰতে চাউল চৰতে<br>
ভৰি হল খৰা<br>
ঢুক্‌ দি দি গিলবা নৰে<br>
বইতা মাছৰ মুৰা।"

এনেকৈ গাওতে গাওতে যিজন শিশুৰ হাতত শেষ শব্দটো ৰৈ যাব তেওঁৰ হাতখন উঠিব (মানে পিছপিনে লুকাই থব) মাটিত পাৰি থোৱা বাকী হাতকেইখন আকৌ থপৰিয়াই গানটো গাই যাব যিজনৰ হাতত শেষ শব্দটো ৰৈ যাব সেইজনৰে সেইখন হাত উঠিব। সেইহাতখনো লুকুৱাই থব।

## শিশুৰ সৰ্বাংগীন বিকাশত বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ভূমিকা

চন্দ্ৰ শেখৰ পৰাজুলী

মই এই আলোচনাৰ জৰিয়তে শিক্ষা ব্যৱস্থাৰ ওপৰত একেবাৰে বিতংকৈ আলোচনা কৰিবলৈ বিচৰা নাই। কাৰণ আমাৰ শিক্ষা ব্যৱস্থাৰ বিতংকৈ আলোচনাৰ মাধ্যমেৰে জানিবলৈ হ'লে একেবাৰে অতীতলৈ ভূমুকি মাৰি আলোচনাবোৰ আৰম্ভ কৰিব লাগিব। আৰু আমি সকলোৱে জানো যে ভাৰতীয় সভ্যতা একেবাৰে পুৰণি সভ্যতা। আচলতে এনে এটি সময়ো আছিল যেতিয়া গোটেই বিশ্বয়ে আমাৰ জৰিয়তে শিক্ষা আহৰণ কৰিছিল। কিন্তু বৰ্তমান সময়ৰ আমাৰ দেশৰ দুৰ্দশা বুলিয়ে ক'ব নে অহোভাগ্য বুলিয়ে ক'ব এতিয়া উচ্চ শিক্ষাৰ গ্ৰহণৰ বাবে আমি বিদেশলৈ গতি কৰিব লগীয়া হৈছে। আমাৰ শিক্ষাৰ দিশত এনে বিসংগতিৰ মুখ্য কাৰণে হ'ল মোগল সাম্ৰাজ্যৰ আধিপত্য আৰু একেবাৰে শেষত ব্ৰিটিছ সাম্ৰাজ্যৰ স্থাপত্য। ইয়াৰ পিছৰে পৰা ভাৰতত অতীতৰে পৰা চলি অহা উন্নতমানৰ গুৰুকুল শিক্ষা-পদ্ধতি লাহে লাহে কৰি সমাপ্তি ঘটিলে। সেয়েহে বৰ্তমান সময়ত পশ্চিমীয়া শিক্ষা-পদ্ধতিৰ প্ৰভাৱ আমাৰ হাড়ে হিমজোৱে বৰ বেয়াকৈ বিস্তাৰ হৈছে।

আমাৰ শিক্ষা ব্যৱস্থা প্ৰতি দিনাই ধৰাতলত যোৱাৰ সময়ত আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ জাপানৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ওপৰত এভূমুকি মাৰি তুলনামূলকভাৱে কিছু বিশ্লেষণ কৰি চাওঁ আহক। আচলতে জাপানক শিশু আৰু কিশোৰৰ স্বৰ্গভূমি বুলি ক'ব পাৰি। জাপানৰ প্ৰাক প্ৰাথমিক আৰু প্ৰাথমিক শিক্ষা ব্যৱস্থাও এনেদৰে পৰিকল্পনা কৰা হৈছে যে ই এজন শিশুক পূৰ্ণাঙ্গ দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাত সহায়ক হয়। প্ৰাথমিক বিদ্যালয়ত ভৰ্তি হোৱাৰ আগতে জাপানত প্ৰাক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাও আছে। প্ৰাক প্ৰাথমিক বিদ্যালয়ত এবছৰ, দুবছৰ বা তিনি বছৰ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থকা, কাপোৰ-কানি পিন্ধা, খোৱা-বোৱা কৰা আদি কথা শিকোৱা হয়। ল'ৰা-ছোৱালীবোৰে যাতে নিজৰ ওপৰত নিজে নিৰ্ভৰ কৰিব পৰা হয়, তাকে খেলা-ধূলা আদিৰ যোগেদি অভ্যাস কৰোৱা হয়। ছবি আঁকা বা নেওতা আদিও শিকোৱা হয় যদিও এই বিদ্যালয়বোৰত নিয়মীয়াকৈ কোনো লিখা-পঢ়া শিকোৱা নহয়। জাপানী সকলে প্ৰদান কৰা এনে শিক্ষাৰ জৰিয়তে এজন উঠি অহা শিশুৱে দায়িত্বশীল দেশৰ নাগৰিক আৰু ভৱিষ্যতে গৈ শ্ৰেষ্ঠ জীৱন সাধনাৰ বাবে বহুতো সহায়ক হৈ পৰিছে। জাপানী সকলৰ শিক্ষা ব্যৱস্থাৰ তুলনাত বৰ্তমান ভাৰতৰ অভিভাৱক সকলে নিজ নিজ সন্তানক নিজতকৈ বেছি ওজনৰ মোনা পিঠিত ওলমাই দি নিজ দেশতে ৰাজ্য ভেদে শ, শ ভাষা থকা সত্বেও পশ্চিময়া ভাষাত জ্ঞান আহৰণ কৰিবলৈ বিদ্যালয়ত পঠিয়াই দিয়া পৰিলক্ষিত হ'বলৈ ধৰিছে। যাৰ ফলস্বৰূপে বৰ্তমান উঠি অহা নৱপ্ৰজন্ময়ে ভাৰতীয় সংস্কৃতি, সভ্যতাক নেওচি পশ্চিময়া সংস্কৃতক, সভ্যতাক আদিৰ লোৱাটো একেবাৰে সামান্য কথা নহয়নে? সেয়েহে পশ্চিমীয়া শিক্ষা আহৰণ কৰাৰ জৰিয়তে আমাৰ ল'ৰা-ছোৱালীবোৰ হয়তো বহুত শিক্ষিত হৈ পৰিছে কিন্তু দায়িত্বশীল দেশৰ নাগৰিক আৰু জীৱন সাধনাৰ প্ৰকৃত জ্ঞান আহৰণৰ পৰা বঞ্চিত হৈ পৰিছে।আমি সচৰাচৰ সকলোৱে লক্ষ্য কৰিছোঁ যে, যিবোৰ ৰাষ্ট্ৰয়ে নিজ ভাষা, সাহিত্য, সভ্যতা আৰু সংস্কৃতিৰ ওপৰত বেছিকৈ প্ৰাধান্য দি বিদ্যালয়সমূহত একেবাৰে আৰম্ভণিৰ পৰাই শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰি গৈছে বিশেষকৈ তেনেকুৱা দেশসমূহে কেৱল সফলতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হৈছে। আচলতে মই ইয়াত এইধৰনে কবলৈ বিচৰা নাই যে আমাৰ দেশে আকৌ পূৰ্বৰ সময়ত প্ৰচলিত গুৰুকুল পদ্ধতিৰ জৰিয়তে অতীততে দিয়া শিক্ষা সমূহ পুনৰাবৃত্তি কৰক। কিয়নো সময়ৰ লগত হয়তো শিক্ষা ব্যৱস্থাৰ সালসলনি হোৱাটো একেবাৰে স্বাভাৱিক। কিন্তু মই এইটোও বিচৰা নাই যে সময়ৰ সূতত আমাৰ ইতিহাস, আমাৰ ভাষা, সংস্কৃতিক পৰিহাৰ কৰি চলক। মই স্পষ্ট ৰূপত ক'ব পাৰোঁ যে মোৰ আলোচনাৰ বিষয়বস্তু আমাৰ দেশৰ সকলো শ্ৰেণীৰ মানুহে কেৱল মুখেৰে সহাৰি জনাই হয় হয় কৈ থাকিব। কিন্তু ইয়াৰ সঠিক সমাধানৰ বাবে কোনেও একো মনকান দিয়া পৰিলক্ষিত নহয়। সেয়েহে শিশুৰ সৰ্বাংগীন বিকাশত বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ভূমিকা একেবাৰে দুখঃজনক বুলিয়ে উল্লেখ কৰিব লাগিব।

## চ'ক বজাৰবাসীৰ বিননি কোনে শুনিব ?

দেবৰ্ষি গৌতম

ৰাতিপুৱা নিজৰ দোকানখন খুলি পূজা অৰ্চনা কৰি ব্যৱসায় আৰম্ভ কৰাৰ পিছত ৰাতি আকৌ বস্তু বাহানি সামৰি পিছদিনালৈ বুলি বন্ধ কৰি সকলো ব্যৱসায়ী ঘৰলৈ গৈছিল। কিন্তু পিছদিনা ব্যৱসায়ী সকলে দোকান খুলিবলৈ আহি যি পৰিস্থিতিৰ সন্মুখীন হল তেনেকুৱা এটা অভাৱনীয় পৰিস্থিতি কাৰো জীৱনতে কাম্য নহয়। আচলতে প্ৰাৰম্ভিক তথ্য অনুসৰি যোৰহাট জিলাৰ চ'ক বজাৰৰ এখন দোকানত বৈদ্যুতিক বিজুতিৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। সেই এখন দোকানৰ পৰা সূত্ৰপাত হোৱা অগ্নিৰ লেলিহান শিখাই এখন দুখনকৈ প্ৰায় তিনিশ খনৰো অধিক দোকান আৱৰি ধৰে। কিছু সময়ৰ ভিতৰতে প্ৰতি দিনে মানুহৰ সমাগমৰে গিজগিজাই থকা তথা সমগ্ৰ যোৰহাট জিলাৰ ভিতৰতে জনপ্ৰিয় চক্সক বজাৰক জুইৰ লেলিহান শিখাই আৱৰি ধৰি সৰু-বৰ বহুতো সপোন মোহাৰি পেলাই। উপাৰ্জনৰ একমাত্ৰ পথ নিজৰ দোকান খন পুৰি চাৰখাৰ হৈ যোৱা দেখি বিষাদত হৃদয় উচুপি উঠে। পুলিচ প্ৰশাসন আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে স্থানীয় ৰাইজৰ সহযোগত নেৰা নেপেৰা প্ৰচেষ্টাত এই জুই নিয়ন্ত্ৰণ হয় যদিও সকলো পুৰি চাৰখাৰ হৈ যায়। এই ঘটনাৰ পিছত বিভিন্ন প্ৰশ্ন সন্মুখলৈ আহিছে। অগ্নি নিৰ্বাপক বাহিনীৰ অগ্নি নিৰ্বাপন কৰা বাহন অনবৰতে যিকোনো পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে সাজু হৈ নাথাকে নেকি ? সৰু-সুৰা ঘটনা নিয়ন্ত্ৰণ কৰাৰ বাহিৰে অগ্নি নিৰ্বাপক বাহিনী ডাঙৰ ঘটনা নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নহয় নেকি ? আচলতে স্থানীয় ভুক্তভোগী ৰাইজৰ অভিযোগ অনুসৰি অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ীত পৰ্যাপ্ত পৰিমাণে পানী নাছিল। যাৰ ফলত এই জুই নিয়ন্ত্ৰণ কৰিবলৈ প্ৰয়োজনকৈ অধিক সময়ৰ খৰছ কৰিব লগীয়া হয়। আচলতে প্ৰতিটো বিভাগৰ সক্ষমতাৰ খতিয়ান এনেকুৱা কিছুমান ডাঙৰ ঘটনাৰ পিছতহে জলজল পটপট হৈ ওলাই পৰে। যদি সচাকৈ কিবা বিভাগীয় গাফিলতিৰ ফলত এনেকুৱা এটা ডাঙৰ ঘটনা সংঘটিত হবলৈ পালে তেনেহলে ইয়াৰ বাবে দায়ী কোন হব ? এই ঘটনাত সৰ্বস্ব হেৰুৱাই দিক বিদিক হেৰুৱাই পেলোৱা লোক সকলৰ বাবে চৰকাৰ অথবা প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰিব ? এই ঘটনা সংঘটিত হোৱাৰ আঁৰৰ প্ৰকৃত কাৰণ উদঘাটন কৰিবলৈ এক নিৰপেক্ষ তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰা হব নে ? এই ঘটনাত ভুক্তভোগী লোকসকলে অনা অভিযোগৰ সত্যতা প্ৰমাণ কৰাৰ বাবেও এক তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰাটো দৰকাৰী কিয়নো এই তদন্তৰ পৰাহে পোহৰলৈ আহিব যে এই ঘটনাৰ ভয়াবহতা স্বাভাৱিক আছিল নে অন্য কিবা গাফিলতিৰ বাবে এনে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হবলৈ পালে। এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ পবলৈ এতিয়া ভুক্তভোগী লোকসকলে চৰকাৰ প্ৰশাসনৰ উপৰিও অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী গৰাকীৰ মুখলৈ বৰ আশাৰে বাট চাই আছে।

দুৰাভাষ - ৬৯১৩৯ ৩০৮২৯

## শৈশৱৰ স্মৃতি আৰু আনন্দ

অৰ্পিতা দাস

শৈশৱ আৰু শৈশৱকালৰ সেই আনন্দৰ স্মৃতিবোৰ আজিও আমাৰ প্ৰতিগৰাকীৰ যুৱক-যুৱতীৰ চকুৰ আগত ভাহি উঠে। সেই দিনবোৰ যেন নষ্টালজিক আছিল। কণ কণ আমিবোৰে বিভিন্ন ধৰণৰ খেল-ধেমালি কৰি নিজৰ সেই আনন্দময় সময় অতিবাহিত কৰিছিলোঁ। বৰ্তমান যুগৰ শিশুৱে কি বুজিব আমাৰ সেই শৈশৱকালৰ দিনবোৰৰ কথা। ডিজিটেল যুগত মোবাইল আৰু কম্পিউটাৰ এৰিব নোৱাৰা শিশুসকলে কি বুজিব আমাৰ যুগৰ সেই খেল- ধেমালিৰ দিনবোৰ। এটা সময় আছিল যেতিয়া আমি ওৰে দিনটো প্ৰখৰ ৰ'দত খেলি ঘৰলৈ উভতিবলৈ পাহৰি গৈছিলো। মায়ে কাণ মোহাৰি আমাক ঘৰলৈ লৈ আহিছিল আৰু বৰ্তমান শিশুবোৰক কাণ মোহাৰি বাহিৰলৈ খেলিবলৈ পঠিয়াবলৈ হয়। ৯০ দশকৰ প্ৰতিটো শিশুৰ আজিও মনত পৰে সেই দিনবোৰলৈ। বিদ্যালয় বন্ধ থাকিলে আনন্দ হৈ পৰে দুগুণ। পুৱাই মায়ে বনাই দিয়া জলপান নাকে মুখে গুজি লৈ দিনটোৰ বাবে সমনীয়াসকলৰ লগত খেলপথাৰলৈ দৌৰ মাৰিছিলো। দিনটো খেলি সন্ধিয়া আকৌ ঘৰৰ চোতালত সকলোৱে সৈতে কথা পতিছিলো। প্ৰায় সৰহ সংখ্যক শিশুৰ নিজৰ আইতাৰ পৰা সাধুকথা শুনাটো একেবাৰে বাঞ্চনীয় আছিল। বৰ্তমান মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত পঢ়ি থকা বা বিভিন্ন কৰ্মৰ সৈতে জড়িত প্ৰতিগৰাকী যুৱক-যুৱতীয়ে আজিও মনত পেলাই সেই কথাবোৰ। শৈশৱৰ এই কথাবোৰ যে ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰৈ গ'ল।



# ৰঙিয়াত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ অভিনন্দন অনুষ্ঠান

**বাতৰি কাকত বিশেষ ৰঙিয়া৩ জুনঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ৰঙিয়া জিলা সমিতিৰ উদ্যোগত চলিত বৰ্ষৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ স্বগোষ্ঠীয় কৃতি ছাত্ৰসকলক ৰঙিয়াত বিশেষ অভিনন্দন জ্ঞাপন কৰা হয়। স্থানীয় হৰদত্ত -বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত তদুপলক্ষে অনুষ্ঠিত বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠানত ৰঙিয়া জিলা সমিতিৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ পৰা চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই অনা দুই শতাধিক স্বগোষ্ঠীয় কৃতি ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। ৰঙিয়া জিলা সমিতিৰ সভাপতি ৰাজেন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি ৰূপে সংগঠনটোৰ মুখ্য উপদেষ্টা ডাঃ ৰমেন কুমাৰ কাকতিৰ লগতে সন্মানীয় অতিথি ৰূপে স্থানীয় বিধায়ক ভৱেশ কলিতাই অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে সভাপতি ৰাজেন কলিতাই পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে । পৰৱৰ্তী কাৰ্যসূচী হিচাপে স্মৃতি তৰ্পণ কৰে কাৰ্যকৰী সভাপতি অনুপ কুমাৰ ডেকা, কেন্দ্ৰীয় সম্পাদক মন্টেশ্বৰ কলিতা আৰু ৰঙিয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কুলদীপ লহকৰে। কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক লবধৰ কলিতা, সম্পাদক নিতুল চন্দ্ৰ ডেকাই বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত স্থানীয় বিধায়ক ভৱেশ কলিতাই অংশগ্ৰহণ কৰে ।সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি প্ৰতুল কুমাৰ কলিতা,বিশিষ্ট চিকিৎসক ডাঃ নিলমনি কলিতা প্ৰমুখ্যে আন কেবাগৰাকীও বিশিষ্ট ব্যাক্তিয়ে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি কৃতি ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা,স্বগোষ্ঠীয় বাৰ্ষিক কেলেণ্ডাৰ আৰু অভিনন্দন পত্ৰৰে শুভেচ্ছা জ্ঞাপন কৰে।

# ধ্বংসৰ দিশলৈ গতি নাজিৰাৰ কোটি টকীয়া দুগ্ধ প্ৰকল্প

**নাজিৰা,৩ জুনঃ** নাজিৰাৰ চানবছাৰ মাছমৰানীস্থিত কোটি টকীয়া দুগ্ধ প্ৰকল্প আৰ্থিক অনিয়ম তথা বিশৃংখলতাৰ ফলত বন্ধ হৈ প্ৰকল্পটোৰ বৰ্তমান ধ্বংসৰ দিশে গতি কৰিছে আৰু তাৰ সা-সৰঞ্জাম আদি ক্ৰমাৎ নষ্টৰ দিশে গতি কৰিছে । নাজিৰা মহকুমা পশু চিকিৎসালয়ৰ একালৰ পশু চিকিৎসক ডাঃ জগদীশ বৰ্মনৰ উদ্যোগত বৃহত্তৰ নাজিৰাৰ কৃষকসকলক লৈ গঠন কৰা সুন্দৰপুখুৰী দুগ্ধ সমবায় সমিতিয়ে শতাধিক দৰিদ্ৰ সীমাৰ ৰেখাৰ তলৰ পৰিয়ালৰ জীৱিকাৰ এক উৎস হিচাপে সপোন দেখুৱাই প্ৰথম অৱস্থাত কিছু সাফল্য লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত দৈনিক ৪০০ লিটাৰৰো অধিক দুগ্ধ উৎপাদন কৰি উক্ত সমিতিখনে গ্ৰাম্য অৰ্থনীতিত বছৰি এক কোটি টকাতকৈ অধিক টকাৰ অৱদান আগবঢ়োৱাৰ কথা অসমৰ পশুপালন বিভাগৰ ৱেবছাইটতো উল্লেখ কৰিছিল “কাৰেং” নামৰ নিজস্ব ব্ৰেণ্ডৰ অধীনত সমিতিখনে বিপণন নেটৱৰ্ক আৰম্ভ কৰাৰ লগতে নাজিৰাৰ চানবছা গাঁৱত বহু কোটি টকা ব্যয়েৰে এটা দুগ্ধ বিশুদ্ধিকৰণ প্ৰকল্প স্থাপন কৰিছিল। কিন্তু অভ্যন্তৰীণ বিশৃঙ্খলতাৰ ফলত কোটি টকাৰ এই প্ৰকল্পটো বৰ্তমান সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। প্ৰকল্পটোত সংস্থাপিত মূল্যৱান যন্ত্ৰপাতি আৰু সঁজুলিসমূহো পৰিত্যক্ত অৱস্থাত থাকি নষ্ট হ’ব ধৰিছে।স্থানীয় লোকৰ অভিযোগ অনুসৰি, গাঁৱৰ দৰিদ্ৰ আৰু অল্পশিক্ষিত লোকসকলৰ বহুতেই প্ৰশাসনিক প্ৰক্ৰিয়াৰ বিষয়ে অৱগত নাছিল ।সমবায় সমিতিখন গঠন কৰি সেই সময়ৰ নাজিৰা অন্যতম পশু চিকিৎসক ডাঃ জগদীশ বৰ্মনে কাৰ্যতঃ সমিতিখনৰ নিয়ন্ত্ৰণ নিজৰ হাতত ৰাখিছিল ।লগতে বিভাগীয় উদ্ধতম কতৃপক্ষকো এক প্ৰকাৰ মেনেজ কৰি আহিছিল ।উক্ত প্ৰকল্পত কেৱল সা-সৰঞ্জাম ক্ৰয়ৰ বাবেই এক কোটি বাৰ লাখৰো অধিক টকা বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা হৈছিল ।তথ্য সংগ্ৰহ কৰামতে এই প্ৰকল্পলৈ শিৱসাগৰ জিলাৰ সমূহ বিধায়কৰ পুঁজিৰ পৰা ৩২৫০০০০ টকা,জিলা পৰিষদৰ পৰা ৩৫০০০০ টকা,ডি আৰ ডি এ ৰ পৰা ১৪০০০০০ টকা,পশুপালন বিভাগৰ দ্বাৰা ১৭৫০০০০ টকা,দুগ্ধ উন্নয়ন বিভাগৰ পৰা ২৩৯৪১৮০ টকা,অ’ এন জি চিৰ পৰা ২৫০০০০ টকা আৰু সমবায় বিভাগৰ পৰা ১৮০৮৫০৯ টকাৰ অৰ্থাৎ মুঠ ১১২০২৬৮৯ টকাৰ অনুদান আগবঢ়োৱা হৈছিল। গ্ৰামাঞ্চলৰ লোকে সহজে বুজি নোপোৱা এনে লুণ্ঠনৰ বজাৰ তথা সমবায় খুলি সমবায় খনৰ হৰ্তাকৰ্তা বিধাতা হৈ পৰা ডাঃ জগদীশ বৰ্মনে কৌশলেৰে এই সমবায়ৰ ধনৰ সৎব্যৱহাৰ নকৰাৰ ফলতেই এই সম্ভাৱনাপূৰ্ণ প্ৰকল্পটো মৃত্যু মুখত পৰা বুলি বহু লোকে অভিযোগ উত্থাপন কৰিছে।কোটি কোটি টকাৰ ৰাজহুৱা সম্পত্তিৰ এনেদৰে অপব্যয় হোৱা কাৰ্যৰ বিৰুদ্ধে স্থানীয় ৰাইজে তদন্তৰ দাবী কৰাৰ লগতে এইক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি এই সম্ভাৱনাপূৰ্ণ দুগ্ধ উদ্যোগটো পুনৰ উজ্জীৱিত কৰিবৰ বাবে অসম চৰকাৰৰ বিভাগীয় কতৃপক্ষক আহ্বান জনাইছে ।এনে প্ৰেক্ষাপটত চৰকাৰে কি বিহিত ব্যৱস্থা লয় আগন্তুক দিনত লক্ষ্যণীয় হ’ব ।

# ৰূপহীহাটৰ মডাৰ্ন আদৰ্শ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত বিধ্বংসী অগ্নিকাণ্ড

**বাতৰি কাকত লাওখোৱা৩ জুনঃ** ৰূপহীহাটৰ কাছখাইটি মডাৰ্ন আদৰ্শ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত য়োৱানিশা এক বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। উক্ত অগ্নিকাণ্ডৰ ফলত বিদ্যালয়খনৰ বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ,যাৱতীয় আচবাব পত্ৰৰ লগতে বিদ্যালয় গৃহ সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হয়। স্থানীয় ৰাইজ আৰু অগ্নি নিৰ্বাপক বাহিনীয়ে জুই নুমাবলৈ চেষ্টা কৰে যদিও বিদ্যালয়খন সম্পুৰ্নৰূপে জুইত ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত বিদ্যালয়খনৰ প্ৰায় ২০ লক্ষাধিক টকাৰ ক্ষয়ক্ষতি হয়। বিদ্যালয়খনত কোনো দুষ্ট চক্ৰই অগ্নি সংযোগ কৰাৰ সন্দেহ স্থানীয় ৰাইজৰ। বিদ্যালয়খন সম্পুৰ্নৰূপে জুইত ভস্মীভূত হয় যদিও কথমপি ৰক্ষা পৰে ওচৰ-চুবুৰীয়াৰ ঘৰবাৰী সমূহ। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। কোনো দুষ্ট চক্ৰ নে বিদ্যুৎৰ বিজুতি ঘটি অগ্নিকাণ্ড সংঘটিত হৈছে সেয়া আৰক্ষীৰ তদন্তত পোহৰলৈ আহিব।

# শুৱালকুছিৰ শংকৰদেৱৰ ধামৰ কুইজ প্ৰতিযোগিতাত গণেশ দাস হাইস্কুল শ্ৰেষ্ঠ



**বাতৰি কাকত, শুৱালকুছি,৩ জুনঃ** মহাপুৰুষীয়া শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ ৫৩৮ সংখ্যক জন্মোৎসৱ উপলক্ষে মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শ্ৰীশ্ৰীশংকৰদেৱ ধামৰ শ্ৰীমন্ত মাধৱদেৱ পুথিভঁৰালৰ উদ্যোগত অনুষ্ঠিত হোৱা আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতাত শুৱালকুছি গণেশ দাস হাইস্কুলৰ শিক্ষাৰ্থীয়ে প্ৰথম স্থান লাভ কৰি শ্ৰেষ্ঠত্ব অৰ্জন কৰে । প্ৰতিযোগিতাত মুঠ সাতখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে । বিশিষ্ট কুইজ মাষ্টৰ ৰতন কলিতা আৰু হৰকুমাৰ নাথে পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাত গণেশ দাস হাইস্কুলৰ হৈ নিশান্ত দেৱান, হীৰকজ্যোতি মহন্ত আৰু মন্টু বৈশ্যই অংশ গ্ৰহণ কৰি প্ৰথম পুৰস্কাৰ লাভ কৰে । দ্বিতীয় স্থান লাভ কৰে শুৱালকুছি শংশিংবিংনিংৰ শিক্ষাৰ্থী কৃতাৰ্থ প্ৰতীম বৈশ্য, মৌচাক মৰল, দিবাংশু বিকাশ কলিতাই । তৃতীয় স্থান লাভ কৰে শুৱালকুছি পাব্লিক স্কুলৰ শিক্ষাৰ্থী নীলাভ বৈশ্য, দীপ্তা সন্ধ্যা ভৰালী আৰু অশ্লেষা মালাকৰে । প্ৰতিযোগিতাত উপস্থিত থকা অভ্যাগত সকলক সম্বৰ্ধনা জনোৱা অনুষ্ঠানটিৰ আঁতধৰে পুথিভঁৰালৰ সভাপতি অনিল চন্দ্ৰ বৈশ্যই ।



# তাতিকটাত ৪২ জন কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**বাতৰি কাকত মৈৰাবাৰী,৩ জুনঃ** ধিং সমষ্টিত শিক্ষাৰ ক্ষেত্ৰত উৎসাহ আৰু প্ৰেৰণা সৃষ্টিৰ লক্ষ্যৰে নৱনিৰ্বাচিত বিধায়ক মেহবুব মোক্তাৰে পুনৰ এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰে। ধিং উন্নয়ন খণ্ডৰ অন্তৰ্গত তাতিকটা গাঁও পঞ্চায়তৰ সভাগৃহত অনুষ্ঠিত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব প্ৰদৰ্শন কৰা ৪২ জন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয় ।মুফতি মতলুবুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সচেতন নাগৰিক উপস্থিত থাকে। মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিধায়ক মেহবুব মোক্তাৰে কৃতি শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ উজ্বল ভৱিষ্যতৰ কামনা কৰে। নিজৰ ভাষণত তেওঁ ধিং সমষ্টিৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে আৰ্থিকভাৱে দুৰ্বল কিন্তু মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে যাতে উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত কোনো বাধাৰ সন্মুখীন নহয়, তাৰ প্ৰতিও বিশেষ গুৰুত্ব আৰোপ কৰা হ’ব বুলি উল্লেখ কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা জামিয়া ইছলামীয়া দাৰুল উলুম মৈৰাবাৰী মাদ্ৰাছাৰ পৰিচালনা সমিতিৰ সভাপতি ছফিকুল ইছলাম, এডভোকেট খাইৰুল ইছলাম ছিৰাজীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। উপস্থিত বক্তাসকলে শিক্ষাৰ্থীসকলক অধ্যৱসায়, শৃংখলা আৰু নৈতিক মূল্যবোধৰ জৰিয়তে জীৱনত সফলতা অৰ্জনৰ আহ্বান জনায়। অনুষ্ঠানটোৱে কৃতি শিক্ষাৰ্থীসকলৰ মাজত নতুন উদ্যম আৰু আত্মবিশ্বাস সঞ্চাৰ কৰাৰ লগতে অঞ্চলটোৰ শিক্ষা ক্ষেত্ৰত ইতিবাচক পৰিৱেশ গঢ়ি তোলাত সহায়ক হ’ব বুলি উপস্থিত ৰাইজে মত প্ৰকাশ কৰে।

# ওৰাং থানাত ভাৰপ্ৰাপ্ত আক্ষী বিষয়া হীৰকজ্যোতি দাসৰ বিদায় সভাত উষ্ম সম্বৰ্দ্ধনা

**ওদালগুৰি,৩ জুনঃ**ওদালগুৰি জিলাৰ ওৰাং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হীৰকজ্যোতি দাসৰ বিদায় সভা এখনি ওৰাং আৰক্ষী থানাত অনুষ্ঠিত হৈ যায় ।সভাখন সঞ্চালনা কৰে ৰৌতা আৰক্ষী চক্ৰৰ চক্ৰ আৰক্ষী বিষয়া উৎপল শৰ্মাই। সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উপ-পৰিদৰ্শক সুৰজিত হাজৰিকাই। সভাত আৰক্ষী চক্ৰ বিষয়া উৎপল শৰ্মা,উপ পৰিদৰ্শক জিতুমণি কলিতা,ওৰাং গাঁওৰক্ষী বাহিনীৰ সম্পাদক, শিব ৰাম ডেকা,উপ-পৰিদৰ্শক সুৰজিৎ হাজৰিকা আদিয়ে বিদায়ী আৰক্ষী বিষয়া হীৰকজ্যোতি দাসৰ কৰ্মখতিয়ান সমূহ আলোকপাত আৰু আলোচনা -পৰ্যালোচনা কৰি বক্তব্য আগবঢ়াই।। সভাত ওৰাং আৰক্ষীথানা আৰক্ষী,বেটেলিয়ন,গাওঁ ৰক্ষী বাহিনীৰ সম্পাদক সকলে শৰাই,গামোছা আদিৰে উষ্ণ বিদায় সম্বৰ্দ্ধনা জনায় ।অনুষ্ঠানটোত বড়োলেণ্ড সাংবাদিক সংস্থাৰ কেন্দ্ৰীয় উপদেষ্টা নৱ কুমাৰ ডেকা, উপ-পৰিদৰ্শক দিগন্ত কুমাৰ বড়া,মাজৰচুবা গাঁওৰক্ষী বাহিনীৰ সম্পাদক আব্দুল জলিল, নিছিলামাৰী মহিলা গাঁওৰক্ষী বাহিনীৰ সম্পাদিকা অনুৰূপা ডেকা,গৰুবান্ধা গাঁওৰক্ষী বাহিনীৰ সম্পাদিকা জাহ্নৱী ডেকা,লেন্স নায়ক বিশ্বজিৎ সুত্ৰধৰ,মহিলা আৰক্ষী কনিষ্টবল ভনিতা মেধি,কঞ্জনা ৰাভা আদি সকলে উপস্থিত থাকি সহায় সহযোগিতা কৰে।

# নগাঁৱত নাহৰ সাংস্কৃতিক গোষ্ঠীয়ে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানৰ সম্পন্ন

**বাতৰি কাকত নগাঁও,৩ জুনঃ** নগাঁও জিলাৰ পলাশতল কাছমাৰী হাইস্কুল খেল পথাৰত প্ৰথমবাৰৰ বাবে দিনযোৱা কাৰ্যসূচীয়ে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান সফলতাৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ অংশ হিচাপে পুৱাৰ ভাগত পতাকা উত্তোলন,স্মৃতি তৰ্পণৰ পিছতেইসুধাকণ্ঠ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰে মহান শিল্পী দুগৰাকীক শ্ৰদ্ধা জনোৱা হয় ।আনহাতে অনুষ্ঠানতেই বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে নগাঁও সদৰ বন বিষয়া হোমেন পেগুৱে।তদুপৰি সন্ধিয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে মৰিগাঁও জিলাৰ তিৱা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন উপাধ্যক্ষ বিদ্যুৎ বৰদলৈয়ে। মঞ্চ উদ্বোধনত নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষন প্ৰদান কৰে মৰিগাঁও জিলাৰ তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোৱৰে। অনুষ্ঠানৰ অন্তিম পৰ্যায়ত অথাৎ নিশাৰ ভাগত অনুষ্ঠিত কৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ শুভ উদ্বোধন কৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই ।সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা কণ্ঠ- শিল্পী অষ্টিয়ানা দিহিঙীয়া আৰু দ্বীপজ্যোতি নাথৰ মনপৰশা গীতে অঞ্চলজুৰি এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়।

# বকোত মাঁ বিষহৰি থানৰ ডাঙৰ মাৰে পূজাৰ সফল সামৰণি



**বাতৰি কাকত, বকো,৩ জুনঃ** বহু শতিকাযোৱা ইতিহাস প্ৰসিদ্ধ শক্তিপীঠ স্থান কামৰূপ জিলাৰ বনগাঁও বকো মৌজা পৰিষদৰ ঐতিহাসিক ডাঙৰ মাৰে পূজা আনুষ্ঠানিকভাৱে শুভাৰম্ভ হৈছে। কামৰূপ জিলাৰ বকোৰ খাটলপাৰাত ১৮১৮ ইংৰাজী চনতে স্থাপন কৰা শ্ৰী শ্ৰী মাঁ বিষহৰি থানত আনুষ্ঠানিক ভাৱে পৌৰাণিক ৰীতি-নীতিৰে আয়োজন কৰা হৈছে বনগাঁও বকো মৌজা পৰিষদৰ উপাস্য দেৱী শক্তিপীঠ শ্ৰী শ্ৰী মাঁ বিষহৰি দেৱীৰ বাৰ্ষিক পূজা। বিগত বছৰবোৰৰ দৰে এই বছৰো বিষহৰি থানত জেঠলৈ সম্পুৰ্ণ পৌৰাণিক ৰীতি-নীতি আৰু পৰম্পৰাৰে ডাঙৰ মাৰে পূজা । ইফালে বনগাঁও বকো মৌজা পৰিষদৰ সভাপতি অমূল্য ৰাভা , উপ সভাপতি সুৰেশ ৰাভা , নিৰঞ্জন চৌধুৰী আৰু দুলাল ৰাভাৰ লগতে সম্পাদক দয়াল ৰাভাই জনোৱা মতে ; পৰম আৰাধ্য দেৱী মাঁ বিষহৰি থানৰ ডাঙৰ মাৰে পূজা বিগত বছৰবোৰৰ দৰে এই বৰ্ষও চাৰি দিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। পূজা ভাগি সম্পূৰ্ণ মাংগলিক ৰীতি-নীতিৰে পালন কৰা হয়। ইফালে ডাঙৰ মাৰে পূজাৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত দূৰৱী পূজা , জলকুঁৱৰী পূজা অৰ্চনা কৰাৰ পিছত সভাপতি অমুল্য ৰাভাৰ জৰিয়তে কাৰ্যালয় মুকলি, প্ৰাক্তন সভাপতি যোগেন ৰাভাৰ জৰিয়তে স্মৃতি তৰ্পণ, প্ৰাক্তন সভাপতি নৃপেন চন্দ্ৰ ৰাভাৰ জৰিয়তে অতিথি শালা উন্মোচন, বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতাৰ জৰিয়তে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিছতে নাম প্ৰসংগ আৰু হৰগৌৰী পূজাৰে মাৰে পূজা আৰম্ভ কৰা হয়। দ্বিতীয় দিনা ঘট বৰণ, গোপীনাথ গোসাঁই স্থাপন, বৰ চান্দৰা স্থাপন , মজু বৰণ, বাৰ সাৰা বা মুৰীয়া সাৰাৰ দ্বাৰা মজু স্থাপন, মজু উন্মোচন, মালেয়া পূজা আৰম্ভ আৰু মাৰে গীতেৰে বৰ মাৰে পূজা আৰম্ভ হ’ব। ইফালে তৃতীয় দিনা নিচিনা গোসাঁই স্থাপন , চান্দ সদাগৰৰ গীতৰ পূজা আৰম্ভ , দীঙা ঘুৰোৱা আৰম্ভ , ছয় কুমাৰৰ গীত আৰম্ভ , চায়াদগ আৰু বৰদগ পূজা পালন , নাৰায়ণী ৰথ স্থাপন আৰু গীতেৰে লক্ষী বৰণ কৰা হয়। আনহাতে ডাঙৰ মাৰেৰ নিচিনা পূজা , বৰদগ উঠোৱা , ছয় কুমাৰক জীয়াই উঠোৱা , দীঙা টনা আৰু দীঙা বিসৰ্জন , দেৱীৰ বলি বিধানৰ শক্তিপূজাৰ পাছত সমুহীয়াভাৱে মজু সেৱা কৰাৰ পিছত মজু বিসৰ্জন দি ডাঙৰ মাৰে পূজাৰ সামৰণি পেলোৱা হয়। ইফালে মাৰে পূজাৰ দিন কেইটাত গায়ন বায়নৰ উপৰি নাম প্ৰসংগ চলি থাকে। পূজাৰ সময়ত সামাজিক ; ৰাজনৈতিক আৰু ধাৰ্মীক লোকৰ উপস্থিতিৰ লগতে সহায় সহযোগে মাৰে পূজাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বকোৰ এই শ্ৰীশ্ৰী মাঁ বিষহৰি দেৱীৰ বাৰ্ষিক মাৰে পূজাত আদিম যুগৰ পৌৰাণিক প্ৰথাৰ প্ৰচলন কৰা হয় বুলি জানিব দিয়ে উপদেষ্টা সত্যজিৎ ৰাভাই। ইফালে আজি নিজম পৰে মাৰে পূজা স্থলী। মাৰেত বৃহত্তৰ অঞ্চলটোৰ জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সহযোগ আগবঢ়ায়।

# বঙাইগাঁৱত আক্ৰাছুৰ জিলা সভাপতি পদৰ পৰা অব্যাহতি সঞ্জীৱ কুমাৰ ৰায়ৰ

**বঙাইগাঁও,৩ জুনঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা বঙাইগাঁও চহৰৰ বৰপাৰা শ্বহীদ বেদীস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয় ।আক্ৰাছুৰ সভাপতি মনোজ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত উদ্দেশ্য ব্যাখ্য কৰে সাধাৰণ সম্পাদক বলোৰাম ৰায়ে । সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে ।বিশেষকৈ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাত তিনিটা পথ নিৰ্মাণৰ ঠিকাৰ কাম লোৱা জিলা আক্ৰাছুৰ সভাপতি সঞ্জীৱ কোচ ওৰফে সঞ্জীৱ কুমাৰ ৰায়ে সময়মতে কাম সমাপ্ত কৰিবলৈ সক্ষম নোহোৱাত শেহতীয়াভাৱে উক্ত অঞ্চলৰ একাংশ ৰাইজে বিষয়টো সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমৰ আগত ঠিকাদাৰজনৰ বিৰুদ্ধে ক্ষোভ তথা কেলেংকাৰী সংঘটিত কৰা বুলি অভিযোগ কৰাত সংগঠনৰ মজিয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল । সঞ্জীৱ কুমাৰ ৰায় আক্ৰাছুৰ সৈতে জড়িত হোৱাত ৰাইজৰ এই অভিযোগকলৈ সংগঠনটোৰ কেন্দ্ৰীয় সমিতিয়েও বিষয়টোত গুৰুত্বাৰোপ কৰে । আনকি শুকুৰবাৰে আক্ৰাছুৰ সভাপতিসহ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া সকলে লোক নিৰ্মাণ বিভাগৰ বঙাইগাঁও জিলা ক্ষেত্ৰীয় পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ত উপস্থিত হৈ অভিযন্তা গৰাকীক সাক্ষাৎ কৰি উক্ত পথৰ লেহেমীয়া নিৰ্মাণ কাৰ্যৰ প্ৰকৃত কাৰণ সন্দৰ্ভত বিতং তথ্য সংগ্ৰহো কৰিছিল ।ইয়াৰ পিছতে অনুষ্ঠিত কৰে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা ।সভাত এই বিষয়টো সন্দৰ্ভত বিতংভাৱে আলোচনা হয় আৰু সেই অনুসৰি গ্ৰহণ কৰে সিদ্ধান্ত ।এই সন্দৰ্ভত আক্ৰাছুৰ প্ৰচাৰ সম্পাদক উত্তম কুমাৰ ৰায় আৰু প্ৰাঞ্জল কুমাৰ চৌধুৰীয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এখন প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে কাৰ্যনিৰ্বাহক সভাত বিগত কিছুদিনৰ পৰা নিউজ চেনেল আৰু সামাজিক মাধ্যমযোগে প্ৰচাৰিত হৈ থকা বহু চৰ্চিত সঞ্জীৱ কুমাৰ ৰায়ৰ পথ সম্পৰ্কীয় কেলেংকাৰীৰ বিষয়টো আক্ৰাছুৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাই । বিষয়টো সম্পূৰ্ণ সঞ্জীৱ কুমাৰ ৰায়ৰ নিজা সমস্যা । গতিকে তেওঁ কম সময়ত সমস্যা নিস্পত্তি কৰাৰ বাবে আক্ৰাছুক সন্মান জনাই তেঁও জিলা সমিতিৰ উপ সভাপতি অমৰ ৰায়ক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পন কৰে আৰু দেওবাৰৰ পৰাই কাৰ্যকৰী হোৱাকৈ সভাপতি পদৰ পৰা সঞ্জীৱ কুমাৰ ৰায়ে অব্যাহতি লয় । অব্যাহতি বাহাল থকালৈকে সঞ্জীৱ কুমাৰ ৰায়ে কোনো ধৰণৰ আক্ৰাছুৰ সাংগঠনিক কামত জড়িত থাকিব নোৱাৰিব । অন্যথা আক্ৰাছুৱে তাৎক্ষণিকভাৱে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে । আনহাতে সভাই কেন্দ্ৰীয় সমিতিৰ অনুমোদন নোহোৱাকৈ আঞ্চলিক সমিতি আৰু জিলা সমিতিয়ে কোনো ধৰণৰ সংবাদ মেল অনুষ্ঠিক কৰিব নোৱাৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে ।অন্যথা কেন্দ্ৰীয় সমিতিয়ে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব বুলিও প্ৰস্তাৱ গ্ৰহণ কৰে ।সেইদৰে উত্তৰ শালমাৰাৰ ৰাইজৰ পথকলৈ সঞ্জীৱ কুমাৰ ৰায়ৰ যি কেলেংকাৰী, সেই সমস্যা অতিশীঘ্ৰে নিস্পত্তি কৰি ৰাইজক যাতায়তৰ সুবিধা কৰি দিবলৈ আক্ৰাছুৱে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে ।সভাত অহা ২৯ জুলাইত আক্ৰাছুৰ প্ৰতিষ্ঠা দিৱস বাক্সা, তামুলপুৰ আৰু ওদালগুৰি তিনিখন জিলাই উমৈহতীয়াভাৱে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে ।সভাত ইয়াৰ উপৰি প্ৰতিষ্ঠা দিৱসৰ পিছতে আক্ৰাছুৱে দিল্লীৰ যন্তৰ মন্তৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা, এমাহৰ ভিতৰতে প্ৰতিখন জিলা সমিতি একত্ৰিকৰণ কৰাৰ বাবে ৰাইজক লগত লৈ অভ্যৰ্থনা সমিতি গঠন কৰি দিন ঘোষণা কৰা আৰু বিভিন্ন কোচ ৰাজবংশী অধ্যুষিত অঞ্চলত ডি ভোটাৰৰ সমস্যাসমূহ পৰ্যালোচনা কৰাৰ কাৰণে পাঁচ জনীয়া সমিতি গঠন কৰি দিয়াৰো প্ৰস্তাৱ গ্ৰহণ কৰে ।

# শংকৰদেৱ শিশু নিকেতন,লাছি-বালিসত্ৰৰ শিশুবাটিকা গৃহ মুকলি,বিদায়-সম্বৰ্ধনা অনুষ্ঠান

**বাতৰি কাকত ৰঙিয়া বিশেষ, ৩ জুনঃ** ৰঙিয়া সমজিলাৰ বালিসত্ৰৰ লাছিবিষ্ণুপুৰস্থিত শংকৰদেৱ শিশু নিকেতনৰ এটি নৱ নিৰ্মিত শিশু বাটিকা গৃহৰ দ্বাৰ উন্মোচন কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰা হয়। নিকেতনৰ ছাত্ৰী জীজ্ঞাসা গোস্বামীৰ গণেশ স্তোত্ৰমেৰে শুভাৰম্ভ কৰা অনুষ্ঠানৰ দ্বাৰ মুকলি কৰে বয়োজ্যেষ্ঠ সমাজসেৱক উদয় শংকৰ কলিতাই। একে অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত সভাত শিক্ষানুষ্ঠানখনৰ পৰা অৱসৰ গ্ৰহণ কৰা তিনিগৰাকী আচাৰ্য ক্ৰমে বসন্ত কুমাৰ শৰ্মা,মহেশ দাস,দীপক কলিতা আৰু শিশুমাতৃ দ্ৰুপদী কলিতা ছেহগালক ফুলাম গামোচা, শৰাই, মানপত্ৰ আৰু শ্ৰীকৃষ্ণগীতা পুথি উপহাৰ হিচাবে আগবঢ়াই আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা জনাই নিকেতন পৰিচালনা সমিতিৰ সম্পাদক ভৱেশ গোস্বামী তথা নিকেতন কৰ্তৃপক্ষই। ইয়াৰোপৰি নিকেতনখনৰ পৰা এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীকো অভিনন্দন জনোৱা হয়। বঙাইগাঁও তেল শোধানাগাৰৰ সহ গাণনিক বিষয়া শৰৎ চন্দ্ৰ বৈশ্যই গছ পুলি ৰোপণ কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভূৱনেশ্বৰ কুমাৰে সভাপতিত্ব কৰা সভাখনৰ আঁত ধৰে প্ৰধান আচাৰ্য হিৰেন্দ্ৰ নাথ কলিতাই। নিকেতনৰ ছাত্ৰী সকলে পৰিৱেশন কৰা আৰম্ভণি গীতৰ লগতে বৃষ্টি কাশ্যপে আমাৰ লক্ষ্য, সুভাষিত পাঠ কৰে মৃগাঙ্ক বৈশ্যই, প্ৰতিজ্ঞা পাঠ কৰে অনিন্দিতা কাশ্যপে,অমৃত বচন পাঠ কৰে বিবান কলিতাই। অনুষ্ঠানত অভিনন্দন জনোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকল হ’ল কাকলি কাশ্যপ, সুশান্ত কলিতা, দিক্ষু গোস্বামী, জ্যোতিস্মিতা কলিতা, আয়েচা ছিদ্দিকা, ভাৰ্গৱ কলিতা,ভ্ৰান্তি দাস,ৰাকেশ কলিতা, কাকুল কলিতা, ছিয়াৰেখা কাশ্যপ, ধৃতিষ্মান মেধী, হিয়াশ্ৰী কলিতা আৰু নয়না কলিতা। সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক মুকুল কলিতা, সমাজসেৱক কনক চন্দ্ৰ হালৈ, নিকেতনৰ প্ৰাক্তন সভাপতি সূৰ্যকান্ত কলিতা, উপ-সভাপতি তপন চন্দ্ৰ কোৱঁৰ, প্ৰাক্তন সম্পাদক শৰৎ কলিতা,সহকাৰী সম্পাদক দশৰথ ডেকা, বিশিষ্ট সাহিত্য সংগঠক তথা সাংবাদিক হেমন্ত কলিতা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি নিজৰ নিজৰ ভাষণ প্ৰদান কৰে। বন্দে মাতৰম গীত পৰিৱেশনেৰে সভাৰ সামৰণি মৰা হয়।

# ‘পদপথত আবেলিৰ কবিতা’ৰ মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱ পালন



**গুৱাহাটী,৩ জুনঃ** ‘পদপথত আবেলিৰ কবিতা’ কাব্যানুষ্ঠানৰ কবি সন্মিলন ১ জুনত চানমাৰিৰ ‘জয়ন্ত হাজৰিকা স্মৃতি উদ্যান’ত বিয়লি অনুষ্ঠিত হয়। সাহিত্যিক পেঞ্চনাৰ কিশোৰ মোহন পাঠকৰ সভাপতিত্বত অনুষ্ঠিত কবি সন্মিলন শেৱালি কলিতাই পৰিৱেশন কৰা মাধৱদেৱ বিৰচিত এটি বৰগীতেৰে আৰম্ভ হয়। জয়ন্ত হাজৰিকাৰ প্ৰতিমূৰ্তিৰ সন্মূখত বন্তি প্ৰজ্বলন কৰে ড° সুষমা মজুমদাৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে প্ৰতিবেদন পাঠ কৰে সহকাৰী সম্পাদক কাবেৰী দাসে। মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি স্বৰচিত কবিতা পাঠ কৰে ক্ৰমে সতীশ ওজা, ভৰদ্বাজ ভট্টাচাৰ্য, নগেন্দ্ৰ মোহন ভট্টাচাৰ্য, মানসী আদিল, সুকুমাৰ দত্ত, প্ৰণীতা দেৱী, প্ৰদীপ কৰ্মকাৰ, ভৱেশ চন্দ্ৰ দত্ত, কংকন ডেকা, বৃন্দালী দেৱী, তিলক ডেকা, হেমেন শৰ্মা, গিৰিশ কটকী, বিপুল শৰ্মা, ব্ৰজেন দাস, মঞ্জুলা বেগম, বন্তি শইকীয়া দত্ত, কাবেৰী দাস আৰু বিনিতা গোস্বামীয়ে। মাধৱদেৱ বিৰচিত বৰগীত আৰু জয়ন্ত হাজৰিকাৰ গীত পৰিৱেশন কৰে ক্ৰমে মঞ্জু গৌতম, ৰীতা চৌধুৰী,নিলোৎপল বড়া, ফুলমণি দাস, দীপিকা মালাকাৰ, আৰু গৌৰৱোজ্জ্বল কোছে।

# এমজি মেজেষ্টৰ ৪x২ অটমেটিক টপ ট্ৰিম মুকলি

**গুৱাহাটী,৩ জুনঃ** জেএছডব্লিউ এমজি মটৰ ইণ্ডিয়াই ভাৰতৰ প্ৰথমখন ডি প্লাছ এছইউভি, বহু-প্ৰত্যাশিত এমজি মেজেষ্টৰ মুকলি কৰাৰ কথা ঘোষণা কৰিছে। নিজৰ পৰৱৰ্তী এছইউভিখনৰ পৰা অধিক আশা কৰা গ্ৰাহকসকলৰ বাবে বিশেষ ধৰণে প্ৰস্তুত কৰা মেজেষ্টৰে এক শক্তিশালী পথত উপস্থিতি, উন্নত অভিযান্ত্ৰিকতা আৰু সকলো পথত চলিব পৰা সামঞ্জস্যৰ সংমিশ্ৰণ ঘটাইছে। জেএছডব্লিউ এমজি মটৰ ইণ্ডিয়াৰ পৰিচালন সঞ্চালক অনুৰাগ মেহৰোত্ৰাই কয় যে, ‘এমজি মেজেষ্টৰে ভাৰতৰ প্ৰথমখন ডি প্লাছ এছইউভি হিচাপে আমাৰ পৰ্টফলিঅ’ত এক বলিষ্ঠ সংযোজন চিহ্নিত কৰে, যি প্ৰদৰ্শন, প্ৰিমিয়াম আৰাম, উন্নত প্ৰযুক্তি আৰু উৎকৃষ্ট নিৰ্ভৰযোগ্যতাৰ এক শক্তিশালী মিশ্ৰণ প্ৰদান কৰে। ইয়াৰ অতুলনীয় মাত্ৰা, অফ-ৰোড পাৰদৰ্শিতা আৰু একাধিক খণ্ড-প্ৰথম বৈশিষ্ট্যৰ সৈতে, মেজষ্টৰে নতুন মানদণ্ড স্থাপন কৰিছে আৰু ভাৰতীয় এছইউভি দৃশ্যপটত সঁচাকৈয়ে পৃথক মূল্য প্ৰদান কৰিছে।’মেজেষ্টৰ বাহনখন প্ৰকৃত এছইউভি প্ৰদৰ্শনৰ বাবে প্ৰস্তুত কৰা হৈছে। ইয়াৰ ২.০ লিটাৰৰ টুইন টাৰ্বো ডিজেল ইঞ্জিনে ২১৫.৫ পিএছ আৰু ৪৭৮.৫ এনএম টৰ্ক প্ৰদান কৰে, যি ২ডব্লিউডি আৰু উন্নত ৪ডব্লিউডি দুয়োটাতে শ্ৰেষ্ঠ ৮ স্পীড অটোমেটিক ট্ৰেন্সমিছনৰ সৈতে যোগ কৰা হৈছে। বুদ্ধিদীপ্ত ৪ডব্লিউডি ব্যৱস্থাই ১০টা অফ-ৰোড মোড প্ৰদান কৰে, যিয়ে দৈনন্দিন দক্ষতাৰ সৈতে শক্তিশালী সামঞ্জস্যৰে নিৰৱচ্ছিন্নভাৱে ভাৰসাম্য ৰক্ষা কৰে। অটো মোডত, ই সাধাৰণ পৰিস্থিতিত ২ডব্লিউডিত চলে আৰু ট্ৰেকচন হেৰুৱালে তৎক্ষণাত ৪ডব্লিউডিলৈ সলনি হয় -বৰষুণ, বৰফ বা পিছল পৃষ্ঠ সকলোতে সঠিক।ইয়াৰ অফ-ৰোড সক্ষমতাক অধিক শক্তিশালী কৰি, মেজেষ্টৰ হৈছেশ্ৰেণীৰ ভিতৰত প্ৰথম বাহন য’ত সন্মুখৰ, পিছফালৰ আৰু কেন্দ্ৰীয় ডিফাৰেঞ্চিয়েল লক প্ৰদান কৰা হৈছে, যিয়ে চকাৰ গতি হেৰাই গ’লেও গাড়ীখনক উদ্ধাৰ কৰাত সহায় কৰে। ক্ৰল কণ্ট্ৰল মোড, ২১৯ মিলিমিটাৰ গ্ৰাউণ্ড ক্লিয়াৰেঞ্চ আৰু ৮১০ মিলিমিটাৰ পানী পাৰ হোৱাৰ ক্ষমতাৰে ইয়াক স্থায়িত্ব আৰু বিশ্বাসযোগ্যতাৰে আটাইতকৈ কঠিন ভূখণ্ডসমূহ জয় কৰিব পৰাকৈ নিৰ্মাণ কৰা হৈছে।২৯৫০ মিলিমিটাৰ হুইলবছৰ কমাণ্ডিং, মেজেষ্টৰ ৫০৪৬ মিলিমিটাৰ দৈৰ্ঘ্য, ২০১৬ মিলিমিটাৰ প্ৰস্থ আৰু ১৮৭০ মিলিমিটাৰ উচ্চতাত অতুলনীয় ৰূপত থিয় দিছে। ইয়াৰ মোজাইক মেট্ৰিক্স গ্ৰীল, ড্ৰেগন আইজ ডিআৰএল, ট্ৰাই-বিম হেডলেম্প, সংযুক্ত এলইডি টেইল লেম্প, উত্থাপিত হুড লাইন, আৰু ১৯ ইঞ্চিৰ মিশ্ৰণে এক বলিষ্ঠ অথচ পৰিশোধিত উপস্থিতি সৃষ্টি কৰে।

# অসম ৰাজ্যিক চিৰিয়াখানাত সজাগতা কাৰ্যসূচী



**গুৱাহাটী, ৩ জুনঃ** অসম ৰাজ্যিক চিৰিয়াখানা সহ উদ্ভিদ উদ্যানত মঙলবাৰে প্ৰথম আন্তঃৰাষ্ট্ৰীয় বিগ কেট মিত্ৰজোঁট (আই বি চি এ) শীৰ্ষ সন্মিলন ভাৰত-২০২৬ৰ উদ্বোধনী সংস্কৰণ অনুষ্ঠিত কৰা হয়। বিশেষ দিনটোত কেন্দ্ৰীয় চিৰিয়াখানা কৰ্তৃপক্ষৰ নিৰ্দেশ অনুসৰি অসম ৰাজ্যিক চিৰিয়াখানাই চিৰিয়াখানাৰ চৌহদৰ ভিতৰত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে এক সজাগতামূলক পদযাত্ৰা আৰু ডাঙৰ মেকুৰী সংৰক্ষণ সম্পৰ্কে অধিৱেশনৰ আয়োজন কৰে। অনুষ্ঠানত চিৰিয়াখানাৰ জীৱবিজ্ঞানী আৰু পশু চিকিৎসকে আলোচনা অনুষ্ঠিত কৰে। যিয়ে ভাৰতৰ থলুৱা ডাঙৰ মেকুৰীৰ জৈৱ বৈচিত্ৰ্য, ৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে বক্তব্য আগবঢ়োৱাৰ লগতে পৰিৱেশগত ভাৰসাম্য আৰু ইয়াৰ সংৰক্ষণৰ বাবে প্ৰয়োজনীয় বিশেষ চিকিৎসা সেৱা সম্পৰ্কেও আলোকপাত কৰে। এই কাৰ্যসূচীত গুৱাহাটীৰ শংকৰদেৱ বিদ্যা নিকেতনৰ ১৫০ গৰাকী যুৱ অংশগ্ৰহণকাৰীৰ মাজত সফলতাৰে কৌতুহলৰ সৃষ্টি কৰে আৰু তেওঁলোকে নিজৰ সম্প্ৰদায়ৰ ভিতৰত বন্যপ্ৰাণী সংৰক্ষণৰ চেম্পিয়নশ্বিপ আৰু মিত্ৰজোঁটৰ বিশ্বব্যাপী অভিযানক সমৰ্থন কৰাৰ সামূহিক প্ৰতিশ্ৰুতিৰে অনুষ্ঠানটো সফল কৰি তোলে।

# হিমালয়ান বেছ কেম্প - লাডাখ এডিচন ঘোষণা ৰয়েল এনফিল্ডৰ

**গুৱাহাটী, ৩ জুনঃ** বিশ্বৰ মধ্যম আকাৰৰ মটৰ চাইকেল শাখাৰ আগশাৰীৰ প্ৰতিষ্ঠান ৰয়েল এনফিল্ডে ‘হিমালয়ান বেছ কেম্প-লাডাখ এডিচন’ আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। উৎসৱ বা অনুষ্ঠানৰ পৰম্পৰাগত ধৰণৰ সলনি এয়া হৈছে ৰাইডাৰ, অন্বেষক, পৰ্বতাৰোহী, অভাৰলেণ্ডাৰ আৰু সেইসকলৰ মিলন। যিসকলৰ বাবে দুঃসাহসিক যাত্ৰা কেৱল ছুটিৰ দিনৰ আমোদ নহয়, জীয়াই থকাৰ, বিশ্বৰ মাজেৰে গতি কৰাৰ এক মাধ্যম। লাডাখৰ লেহত সমুদ্ৰপৃষ্ঠৰ পৰা ১১,৪৮০ ফুট উচ্চতাত অৱস্থিত এই শিবিৰ আয়োজনেৰে হেণ্ডেলবাৰৰ পৰা আগুৱাই গৈ আৰু ৰোমাঞ্চকৰ দুঃসাহসিক অভিযান প্ৰিয় মানসিকতাৰ বাবে এক আশ্ৰয়স্থল নিৰ্মাণ কৰি এতিয়া নিজৰ আধ্যাত্মিক স্থানলৈ ঘূৰি আহিছে ৰয়েল এনফিল্ড। তিনিদিনীয়া এই হিমালয়ান বেছ কেম্পে দুঃসাহসিক অভিযানৰ প্ৰতি আগ্ৰহীসকলক একগোট কৰি বিভিন্ন অনুষ্ঠান আয়োজন কৰিবলৈ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। ইয়াত বিশেষভাৱে তৈয়াৰ কৰা অভিযান, দক্ষতাভিত্তিক কৰ্মশালা, বিশেষজ্ঞৰ নেতৃত্বত ছেচ্ছন আৰু দুঃসাহসিক ভ্ৰমণ, দুঃসাহসিক ক্ৰীড়া আৰু দুঃসাহসিক জীৱনশৈলীৰে জড়িত বাস্তৱ প্ৰত্যাহ্বানসমূহ অন্তৰ্ভুক্ত কৰা হৈছে, য’ত অংশগ্ৰহণকাৰীসকলে সকলো ক্ষেত্ৰৰে আমেজ ল’ব পাৰিব। এই শিবিৰক সুলভ দুঃসাহসিক অভিযানৰ মনোভাৱক কেন্দ্ৰ কৰি নিৰ্মাণ কৰা হৈছে, য’ত মানুহে দৰ্শক হিচাপে নহয়, কিন্তু এই ঠাইত আৰু এই উচ্চতাত দুঃসাহসিক অভিযান কেনেকুৱা হয় তাৰ সক্ৰিয় সহ সৃষ্টিকৰ্তা হিচাপে অনুভৱবোৰক নিজে আকাৰ দিব। মটৰ চাইকেলিং আৰু অভাৰলেণ্ডিঙৰ পৰা আৰম্ভ কৰি চাইকেলিং, কয়াকিং, বোল্ডাৰিং আৰু পৰ্বতাৰোহণ আৰু বহু কাৰ্যসূচীৰে দুঃসাহসিক অভিযানৰ প্ৰতিগৰাকী অনুৰাগীৰ বাবে অনন্য কাৰ্যসূচীৰ লগতে পৰিচিত কিবা এটাৰ ব্যৱস্থা কৰা হৈছে। ৰয়েল এনফিল্ডৰ মুখ্য ব্ৰেণ্ড বিষয়া মোহিত ধৰ জয়ালে কয়, ‘হিমালয়ান বেছ কেম্প সকলো দুঃসাহসিকৰ বাবে এক মিলন স্থলী, তেওঁলোকে অশ্বশক্তি, ইচ্ছাশক্তি বা নিজৰ দু ভৰিৰে পৰিচালিত হওক বা নহওক। এই কাৰ্যসূচীত একচন, নিৰ্দেশনা আৰু বিভিন্ন অভিযানৰ সংমিশ্ৰণ ঘটিছে যিয়ে দুঃসাহসিক কৰ্মীসকলক তেওঁলোকৰ আৰাম জ’নৰ পৰা আঁতৰাই আনিব আৰু তেওঁলোকক দক্ষতা আৰু অভিজ্ঞতাৰ এক সম্পূৰ্ণ নতুন গোটৰ সৈতে মূল পটভূমিলৈ ঘূৰাই আনিব।’ হিমালয়ান বেছ কেম্পৰ লাডাখ এডিচন কেৱল উদযাপনেই নহয়, ই এক আহ্বান! আপুনি ঘণ্টাত ১০ কিলোমিটাৰ বেগেৰে বোল্ডাৰৰ ওপৰেৰে খোজ কাঢ়ক বা উপত্যকাৰ ওপৰেৰে ১০০ কিলোমিটাৰ বেগত উৰি যাওক, ৫০০ এম এ এছ এলত ৰাইডিং কৰক বা ৮,০০০ৰ উচ্চতালৈ উঠি যাওক - ই এনে এক স্থান য’ত প্ৰতিজন অনুৰাগীয়ে এই যাত্ৰাক গঢ় দিয়াত, ইয়াৰ উপসংস্কৃতিৰ প্ৰসাৰত, আৰু দুঃসাহসিকতাৰ প্ৰকৃত ভাৱনাক সংজ্ঞায়িত কৰিবলৈ নিজৰ অৰিহণা আগবঢ়ায়। সবিশেষ জানিবলৈ royalenfield.com/himalayan-basecamp/ চাব পাৰিব।

# গুৱাহাটীত ৱাটাৰ ইণ্ডিয়া এক্সপ’ৰ শুভাৰম্ভণি



**গুৱাহাটী, ৩জুনঃ** মঙলবাৰৰপৰা গুৱাহাটীৰ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত অনুষ্ঠিত হৈছে পানী আৰু বৰ্জ্য পানী উদ্যোগক কেন্দ্ৰ কৰি আয়োজিত অন্যতম বৃহৎ প্ৰদৰ্শনী ‘ৱাটাৰ ইণ্ডিয়া এক্সপ’ৰ ৪৫ সংখ্যক সংস্কৰণ। অহা ৪ জুনলৈ এই অনুষ্ঠান চলি থাকিব বুলি প্ৰকাশ কৰা হৈছে। তিনিদিনীয়াকৈ আয়োজিত এই এক্সপ’ত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা জল উদ্যোগৰ সৈতে জড়িত অংশীদাৰ, প্ৰযুক্তি প্ৰতিষ্ঠান, উৎপাদক, নীতিনিৰ্ধাৰক, পৰামৰ্শদাতা আৰু উদ্যোক্তাসকল একত্ৰিত হোৱাৰ সম্ভাৱনা আছে। এই আয়োজনৰ মূল উদ্দেশ্য হৈছে জল খণ্ডৰ নতুন প্ৰযুক্তি, উদ্ভাৱন আৰু কাৰ্যকৰী সমাধানসমূহ দাঙি ধৰা। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে, এই অনুষ্ঠানত ১২০ টাতকৈও অধিক প্ৰদৰ্শক আৰু ৫ হাজাৰৰো অধিক দৰ্শনাৰ্থীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। মন কৰিবলগীয়া যে, এই প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা হ’ব পানী শোধন, ৰিভাৰ্ছ অছম’চিচ, পুনৰাবৰ্তন, ফিল্ট্ৰেশ্যন, ডিচেলিনেশ্যন, পেকেজড খোৱাপানী, ইউভি বীজাণুমুক্তকৰণ, মেমব্ৰেন, ৰাসায়নিক উপাদান আৰু ঘৰুৱা জল শোধন ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন প্ৰযুক্তি তথা সামগ্ৰী। এক্সপ’ চলি থকাৰ সময়তে সামগ্ৰীৰ পোনপটীয়া প্ৰদৰ্শনী, উপস্থাপন আৰু নেটৱৰ্কিং সমাৱেশৰো আয়োজন কৰা হ’ব। উল্লেখযোগ্য যে, এই এক্সপ’ই উদ্যোগ খণ্ডৰ পাৰস্পৰিক যোগাযোগ বৃদ্ধি কৰাৰ লগতে বহনক্ষম জল ব্যৱস্থাপনা আৰু জল উদ্যোগত আত্মপ্ৰকাশ কৰা নতুন প্ৰযুক্তিসমূহক লৈ গুৰুত্বপূৰ্ণ আলোচনা তথা মত-বিনিময়ৰ এক বৃহৎ মঞ্চ হৈ পৰিব।

# ছনীৰ ব্ৰাভিয়া ৭II টিভি মুকলি



**গুৱাহাটী,৩ জুনঃ** ছনী ইণ্ডিয়াই ভাৰতত মুকলি কৰিলে নিজৰ নতুন ব্ৰাভিয়া ৭II টেলিভিছন ছিৰিজ। উন্নত ৰঙৰ সঠিকতা, গভীৰ কনট্ৰাষ্ট আৰু ঘৰুৱা মনোৰঞ্জনৰ অধিক বাস্তৱসন্মত অভিজ্ঞতা প্ৰদান কৰাৰ উদ্দেশ্যে ছনীয়ে প্ৰথমবাৰৰ বাবে ট্ৰু আৰজিবি এলইডি প্ৰযুক্তি ব্যৱহাৰ কৰিছে। কোম্পানীটোৱে প্ৰকাশ কৰা অনুসৰি, নিৰ্বাচিত ব্ৰাভিয়া ৭II মডেলসমূহৰ প্ৰি-বুকিং ২৮ মে’ৰ পৰা আৰম্ভ হৈছে।এই নতুন ব্ৰাভিয়া ৭II ছিৰিজত ছনীৰ আৰজিবি বেকলাইট মাষ্টাৰ ড্ৰাইভ প্ৰ’ প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে, যিয়ে ৰঙৰ সঠিকতা, উজ্জ্বলতা আৰু ক’লা ৰঙৰ গভীৰতা উন্নত কৰিবলৈ ৰঙা, সেউজীয়া আৰু নীলা এলইডিক স্বতন্ত্ৰভাৱে নিয়ন্ত্ৰণ কৰে। ইয়াৰ সৈতে সংযোজিত কগ্নিটিভ প্ৰচেছৰ এক্সআৰ-এ টিভিটোৰ দৃশ্য আৰু শব্দসমূহক মানুহৰ অনুভৱৰ সৈতে সংগতি ৰাখি প্ৰদৰ্শন কৰিব পৰাকৈ প্ৰস্তুত কৰা হৈছে। এই সামগ্ৰীসূচীত ৫৫, ৬৫, ৭৫, ৮৫ আৰু ৯৮ ইঞ্চিৰ আৰ্হি অন্তৰ্ভুক্ত আছে, যাৰ ডাঙৰ ভেৰিয়েণ্টসমূহ চলিত বৰ্ষৰ শেষৰ ফালে মুকলি কৰা হ’ব। এই টেলিভিছনখনত আৰজিবি ট্ৰিলুমিনছ মেক্স, স্মুথ কালাৰ গ্ৰেডেচন, এক্সআৰ কনট্ৰাষ্ট বুষ্টাৰ, এক্সআৰ মচন ক্লিয়াৰিটী আৰু এক্সআৰ ক্লিয়াৰ ইমেজ প্ৰযুক্তি আছে। গুৱাহাটী মহানগৰীত, প্ৰিমিয়াম টেলিভিছন খণ্ডত ছনীৰ স্থিতি এই শুভাৰম্ভণিয়ে অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে, কাৰণ চহৰীয়া গ্ৰাহকৰ মাজত ডাঙৰ স্ক্ৰীনৰ স্মাৰ্ট টিভিৰ চাহিদা ক্ৰমাৎ বৃদ্ধি পাইছে। উদ্যোগ পৰ্যবেক্ষকসকলৰ মতে, ঘৰতে চিনেমাৰ দৰে অভিজ্ঞতা বিচৰা আঢ্যৱন্ত ক্ৰেতাসকলক ছনীৰ এই উন্নত ডিছপ্লে প্ৰযুক্তি আৰু এআই চালিত বৈশিষ্ট্যসমূহে আকৰ্ষণ কৰিব পাৰে।

# জে ই ই এডভান্সডত গুৱাহাটীৰ শিক্ষাৰ্থীৰ সফলতা উদযাপন ফিজিক্সৱালাৰ

**গুৱাহাটী, ৩জুনঃ** আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান ফিজিক্সৱালাই যুটীয়া প্ৰৱেশ পৰীক্ষা জে ই ই এডভান্সড ২০২৬ত গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলৰ চমকপ্ৰদ সফলতা উদযাপন কৰিছে। সফলতা লাভ কৰা গুৱাহাটীৰ ফিজিক্সৱালাৰ শিক্ষাৰ্থীসকলৰ ভিতৰত হৈছে হৰ্ষ বৰ্মন (সৰ্বভাৰতীয় ৰেংক ৩১০৪), সাগ্নিকপ্ৰাণ ৰাজবংশী (সৰ্বভাৰতীয় ৰেংক ৩৬৩০) আৰু গোপেশ গাৰোডিয়া (সৰ্বভাৰতীয় ৰেংক ৩৭১০)। পৰীক্ষা পৰিচালনা কৰা ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন’লজীৰ প্ৰেছ বিজ্ঞপ্তি অনুসৰি জে ই ই এডভান্সড ২০২৬ৰ পেপাৰ ১ আৰু ২ দুয়োখনতে মুঠ ১,৭৯,৬৯৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল, যাৰ ভিতৰত ৫৬,৮৮০ গৰাকী পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হ’বলৈ সক্ষম হৈছে। শিক্ষাৰ্থীসকলক শুভেচ্ছা জনাই ফিজিক্সৱালাৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া অলখ পাণ্ডেই কয়, ‘কঠোৰ পৰিশ্ৰম আৰু দৃঢ়তাৰে জে ই ই এডভান্সড ২০২৬ পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰতিগৰাকী শিক্ষাৰ্থীক মই অভিনন্দন জনাইছোঁ। যিসকলে আজি আশা কৰা ধৰণে ফলাফল লাভ কৰিব নোৱাৰিলে, তেওঁলোকে মনত ৰাখিব যে এই এটা পৰীক্ষাই আপোনাৰ যোগ্যতা বা ভৱিষ্যতৰ সফলতা নিৰূপণ নকৰে। শিক্ষা এক সুদীৰ্ঘ যাত্ৰা আৰু এয়া কেৱল এটা খোজহে। গতিকে মন ভাঙি নপৰি ধৈৰ্য্য ধৰি ৰাখক, কাৰণ ভৱিষ্যতে আপোনালোকৰ বাবে বহু নতুন সুযোগ অপেক্ষা কৰি আছে।’ উল্লেখ্য যে, ফিজিক্সৱালাই সমগ্ৰ ভাৰততে অনলাইন প্লেটফৰ্ম, হাইব্ৰীড চেণ্টাৰ আৰু অফলাইন কোচিং ইনষ্টিটিউটৰ জৰিয়তে জে ই ই, নীট আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিমূলক পাঠ্যক্ৰম আৰু বিদ্যালয়ৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰত সহায় আগবঢ়াই আহিছে। চহৰখনত থকা ইয়াৰ অফলাইন ‘বিদ্যাপীঠ’ কেন্দ্ৰই শিক্ষাৰ্থীসকলক সুশৃংখলিত পৰীক্ষাৰ প্ৰস্তুতি, নিয়মীয়া শৈক্ষিক মূল্যায়ন আৰু সন্দেহ দূৰীকৰণৰ সুবিধা প্ৰদান কৰে।

# মে’ মাহতো পাইকাৰী বাহন বিক্ৰী বৃদ্ধিৰে অভিলেখ ৰেনল্ট ইণ্ডিয়াৰ

**গুৱাহাটী, ৩ জুনঃ** ৰেনল্ট গ্ৰুপৰ পূৰ্ণ মালিকানাধীন সহযোগী প্ৰতিষ্ঠান ৰেনল্ট ইণ্ডিয়াই মে’ মাহত ধাৰাবাহিকভাৱে নৰম মাহৰ বাবে পাইকাৰী বিক্ৰী বৃদ্ধি কৰিবলৈ সক্ষম হৈছে, যি বৃদ্ধিৰ ধাৰা ২০২৩ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা অব্যাহত আছে। ২০২৫ চনৰ ছেপ্টেম্বৰৰ পৰা ২০২৬ চনৰ মে’ মাহৰ ভিতৰত ৰেনল্ট ইণ্ডিয়াই সৰ্বমুঠ ৩৮,২২৫ ইউনিট বিক্ৰী কৰিবলৈ সক্ষম হয়, যি যোৱা বছৰৰ একেটা সময়ৰ তুলনাত ৪৬ শতাংশ শক্তিশালী অধিক। ‘বাহন’ৰ তথ্য অনুসৰি, মে’ মাহত ৰেনল্ট ইণ্ডিয়া আছিল ইতিবাচক খুচুৰা বিক্ৰী বৃদ্ধি পোৱা ভাৰতৰ মাত্ৰ দুটা যাত্ৰীবাহী বাহন নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ ভিতৰত অন্যতম। কোম্পানীটোৱে এই মাহত পাইকাৰী বিক্ৰীত বছৰেকীয়া হিচাপত ৬৪শতাংশ বৃদ্ধিৰ কথাও প্ৰকাশ কৰে, যিয়ে গ্ৰাহকৰ চাহিদা আৰু ভাৰতীয় বজাৰত ৰেন’ল্টৰ বৰ্ধিত উপস্থিতি স্পষ্ট কৰি তোলে। এই নিৰন্তৰ বৃদ্ধিয়ে ভাৰতীয় গ্ৰাহকৰ মনঃপুত হোৱা সামগ্ৰী আগবঢ়োৱাৰ ক্ষেত্ৰত ৰেনল্ট ইণ্ডিয়াৰ নিৰন্তৰ প্ৰচেষ্টাকেই প্ৰতিফলিত কৰিছে।

# গুৱাহাটী অপেন পিডব্লিউআৰৰ সফল সমাপ্তি



**গুৱাহাটী, ৩জুনঃ** অভিলেখসংখ্যক অংশগ্ৰহণকাৰী আৰু উচ্চমানৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলৰ জৰিয়তে আকৰ্ষণীয় ৰূপ লয় গুৱাহাটী অপেন পিডব্লিউআৰ ২০০ প্ৰতিযোগিতাই। অসম পিকলবল এছ’চিয়েচন (এপিএ)ৰ আয়োজনত আৰু ইণ্ডিয়ান পিকলবল এছ’চিয়েচন (আইপিএ)ৰ তত্ত্বাৱধানত অনুষ্ঠিত এই খেল দেওবাৰে সফলভাৱে সম্পন্ন হয়। গুৱাহাটীৰ নাৰেংগীৰ পাথৰ কুঁৱেৰীস্থিত পিকল পালচত আয়োজিত এই টুৰ্ণামেণ্টত প্ৰতিযোগিতাৰ মান আৰু অংশগ্ৰহণকাৰীসকলৰ উৎসাহে বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰে। দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এই টুৰ্ণামেণ্টত দেশৰ ভিন্ন প্ৰান্তৰ পৰা অহা খেলুৱৈসকলৰ উৎসাহজনক অংশগ্ৰহণ পৰিলক্ষিত হয়। ইয়াৰ সমান্তৰালকৈ উত্তৰ-পূব ভাৰতত পিকলবল খেলবিধৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা তথা বিকাশৰ ক্ষেত্ৰত এয়া এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। সমগ্ৰ চেম্পিয়নশ্বিপখনৰ ২২টা ভিন্ন শাখাত অংশ লয় সৰ্বমুঠ ১৩০ গৰাকী খেলুৱৈয়ে। ক্ৰীড়ানুৰাগীৰ মাজত ব্যাপক উৎসাহ জগাই তোলা এই প্ৰতিযোগিতাখনত অনুষ্ঠিত হয় ২১০খনকৈ তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ মেচ। নাগালেণ্ড, পশ্চিমবংগ, দিল্লী তথা অসমৰ বিভিন্ন জিলাৰ শীৰ্ষস্থানীয় খেলুৱৈৰ অংশগ্ৰহণেৰে চেম্পিয়নশ্বিপখন অত্যন্ত প্ৰতিদ্বন্দ্বিতাপূৰ্ণ হৈ পৰে। জুনিয়ৰ, অ’পেন আৰু মাষ্টাৰ্ছ শাখাত গঢ়ি উঠে এক তীব্ৰ প্ৰতিযোগিতামূলক পৰিৱেশ। কিশোৰ-কিশোৰী, পুৰুষ-মহিলাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলৰ বাবেও পৃথককৈ এই খেলসমূহৰ আয়োজন কৰা হয়। সকলোকে সাঙুৰি লোৱাৰ এনে সৰ্বাংগীণ বৈশিষ্ট্যই খেলবিধৰ ব্যাপক জনপ্ৰিয়তা আৰু সৰ্বস্তৰৰ অংশগ্ৰহণৰ সঁহাৰিকে স্পষ্টভাৱে প্ৰতিফলিত কৰে।পুৰুষৰ অ’পেন ছিংগলছ আৰু ডাবলছ শাখাৰ উপৰি ৩০ আৰু ৪০ উৰ্ধৰ পুৰুষৰ ছিংগলছ, ডাবলছ তথা মিক্সড ডাবলছ শাখাত সৰ্বমুঠ ৮০ হাজাৰ টকাৰ পুৰস্কাৰ বিতৰণ কৰা হয়। এই আকৰ্ষণীয় পুৰস্কাৰ মূল্যই টুৰ্ণামেণ্টখনৰ মৰ্যাদা আৰু প্ৰতিযোগিতাৰ মাত্ৰাক অধিক সমৃদ্ধ কৰে।অনুষ্ঠানত বক্তব্য ৰাখি অসম পিকলবল এছ’চিয়েচনৰ বিষয়ববীয়াসকলে টুৰ্ণামেণ্টখনৰ সফল আয়োজন আৰু খেলুৱৈ, প্ৰশিক্ষক তথা সমৰ্থকসকলৰ উৎসাহজনক সঁহাৰিত সন্তোষ প্ৰকাশ কৰে। এনে প্ৰতিযোগিতাই নতুন প্ৰতিভা চিনাক্তকৰণ আৰু তেওঁলোকৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্তব্য কৰে আয়োজকসকলে। একে সময়তে, তেওঁলোকে কয় যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পিকলবল প্ৰতিযোগিতাৰ অন্যতম সম্ভাৱনাময় স্থান হিচাপে অসমক প্ৰতিষ্ঠা কৰাত এনে আয়োজনে বিশেষভাৱে সহায় কৰে।অভিলেখসংখ্যক অংশগ্ৰহণ, উচ্চমানৰ প্ৰতিযোগিতা, ৰাষ্ট্ৰীয় ৰেংকিং লাভৰ সুযোগ আৰু আন্তঃৰাষ্ট্ৰীয় ৰেংকিঙৰ মঞ্চ- এই সকলো দিশৰ পৰা গুৱাহাটী অ’পেন পিডব্লিউআৰ ২০০-এ প্ৰমাণ কৰে যে পিকলবলৰ দ্ৰুত বিকাশমান কেন্দ্ৰসমূহৰ ভিতৰত অসম বৰ্তমান দেশৰ ভিতৰতে অন্যতম গুৰুত্বপূৰ্ণ নাম। একেদৰে এই প্ৰতিযোগিতাই খেলবিধৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি থকা ৰাজ্যখনৰ সংকল্পকো অধিক দৃঢ়ভাৱে দাঙি ধৰে।

# সাহিত্য অকাডেমিৰ উদ্যোগত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত নৱকান্ত বৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ আলোচনাচক্ৰ




**গুৱাহাটী,৩ জুনঃ** গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত প্ৰথিতযশা সাহিত্যিক আৰু যশস্বী কথাশিল্পী নৱকান্ত বৰুৱাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এখন গুৰু-গম্ভীৰ আলোচনা চক্ৰ পহিলা জুনত অনুষ্ঠিত হয়। সাহিত্য অকাডেমিৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত সাহিত্য অকাডেমীৰ সচিব প্ৰধান অধ্যাপক বৰুণ গুলাটিয়ে আদৰণি ভাষণত মন্তব্য কৰে যে নৱকান্ত বৰুৱাই অসমীয়া কবিতাক নতুন দিগন্তৰে সজাই পৰাই তুলিলে। তেওঁৰ কবিতাত প্ৰয়োগ হোৱা প্ৰতীক, ৰূপক আৰু চিত্ৰৰ প্ৰয়োগেৰে আধুনিক জীৱন সুন্দৰকৈ প্ৰতিফলিত কৰিছে। এইগৰাকী মহান সাহিত্যিক অকল অসমৰেই নহয়, সমগ্ৰ ভাৰতৰে এজন দিকদৰ্শক আৰু পাঠকৰ অন্তৰ বিজয়ী সাহিত্যিক। সাহিত্য অকাডেমীৰ অসমীয়া উপদেষ্টা সমিতিৰ সমন্বয়ক দিগন্ত বিশ্ব শৰ্মাই তেওঁৰ বক্তব্যত প্ৰকাশ কৰে যে যিকোনো সাহিত্যৰ মহত্ব নিৰ্ভৰ কৰে ইয়াৰ মূল দাৰ্শনিক ভিত্তিৰ ওপৰতবক্তব্যৰ মূল্যত ভিতৰৰ ৰসৰ ওপৰত আৰু ৰূপ বা ভাষাৰ মাধুৰ্য্যৰ ওপৰত। নৱকান্ত বৰুৱাৰ সাহিত্য কৰ্ম আমাৰ বাবে এক গুৰুত্বপূৰ্ণ ঐতিহ্য। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, বৰ্ষীয়ান শিক্ষাবিদ তথা ৰাজনীতিবিদ ড°হেমপ্ৰভা শইকীয়াই নৱকান্ত বৰুৱাৰ জীৱনৰ এক চমু অৱলোকন কৰে। মূল বীজ বক্তব্য দাঙি ধৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক বিভাস চৌধুৰীয়ে। তেওঁ নৱকান্ত বৰুৱাদেৱৰ সাহিত্য কৰ্মৰ এক খতিয়ান দাঙি ধৰাৰ লগতে সাহিত্যিকগৰাকীৰ আধুনিক চিন্তাধাৰৰ বিষয়টো উপস্থাপন কৰে।নৱকান্ত বৰুৱা আধুনিকতাৰ বাৰ্তাবাহক যদিও তেওঁৰ ৰচনা সহজ, সকলোৰে বোধগম্য। মানৱতাক যান্ত্ৰিকতাই অৱক্ষয় কৰাৰ চিত্ৰ যিদৰে দাঙি ধৰিছে তেনেদৰে অতীত বৰ্তমান আৰু ভৱিষ্যৎ প্ৰজন্মৰ চিত্ৰও আঁকি তেওঁ সমাজৰ মূল্যায়ন কৰিছে আৰু ভৱিষ্যৎ প্ৰজন্মৰ ওপৰত আস্থা প্ৰকাশ কৰিছে । আলোচনা চক্ৰখনৰ সভাপতি, কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বোধেন কুমাৰ শইকীয়াই নৱকান্ত বৰুৱাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আলোচনা চক্ৰখন অনুষ্ঠিত কৰিবলৈ সাহিত্য অকাডেমীয়ে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ক নিৰ্বাচন কৰাত আনন্দ ব্যক্ত কৰে। তেওঁ নিজৰ বক্তব্যত প্ৰকাশ কৰে যে এআইৰ যুগত আমি সাহিত্যিক নৱকান্ত বৰুৱাদেৱক আবেগেৰে মূল্যায়ন কৰিব লাগিব। অনুষ্ঠানত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত ‘নৱকান্ত বৰুৱাঃ আধুনিকতাৰ পথিকৃৎ’ গ্ৰন্থখন উন্মোচন কৰা হয়। এই গ্ৰন্থখন সম্পাদনা কৰিছে ড° কাশ্মিৰী গগৈ বৰুৱা আৰু ড° বিজু ৰাজখোৱাই। এই অনুষ্ঠানত নাৰেংগী আঞ্চলিক মহাবিদ্যালয়, বেলতলা কলেজ, গীতানগৰ কলেজ, দিশপুৰ কলেজ আৰু এছ বি দেওৰা কলেজ, ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আদি বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ অধ্যাপক অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে সামাজিক মাধ্যমৰ বিভিন্ন কৰ্মকৰ্তা উপস্থিত থাকে। দুটি কাৰিকৰী সত্ৰৰে সন্নিবিষ্ট এই আলোচনা চক্ৰখনত অধ্যাপক বিভাস চৌধুৰী, দিগন্ত ওজা, অধ্যাপক দিলীপ ৰাজবংশী, ডঃ প্ৰণামী ভট্টাচাৰ্য, ডঃ অৰ্চনা তালুকদাৰ, ডঃ জয়ন্ত ডেকা, ডঃ স্তুতি গোস্বামী, অধ্যাপক প্ৰাঞ্জল শৰ্মা বশিষ্ঠ আদি অধ্যাপক-গৱেষকসকলে নৱকান্ত বৰুৱাৰ বৰ্ণাঢ্য সৃষ্টিসমূহৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়ায়। অনুষ্ঠানটিৰ আঁত ধৰে অধ্যাপক ড° মৰমী চৌধুৰী আৰু ড° অনুপ কুমাৰ ডেকাই ।অনুষ্ঠানৰ শেষত শলাগৰ শৰাই জ্ঞাপন কৰে উপাধ্যক্ষা ড°মৌচুমী বৰদলৈ হাজৰিকাই। বন্দে মাতৰম ভাৰত সংগীতেৰে আৰম্ভ হোৱা আলোচনা সত্ৰখন সামৰণি পৰে অসম সংগীত অ’ মোৰ আপোনাৰ দেশেৰে। অনুষ্ঠানটিৰ সাফল্যত অধ্যক্ষ বোধেন কুমাৰ শইকীয়াই প্ৰতিজন অংশগ্ৰহণকাৰীকেই আন্তৰিক ধন্যবাদ আৰু শলাগ যাচে।

# চুটিগল্পৰ পৃথিৱী, অসমৰ স্বৰচিত গল্পপাঠ অনুষ্ঠান

**বাতৰি কাকত শুৱালকুছি, ৩ জুনঃ** অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত চুটিগল্পৰ প্ৰচাৰ আৰু প্ৰসাৰ তথা পাঠক আৰু লেখক সৃষ্টিৰ প্ৰয়াসেৰে গঠিত চুটিগল্পৰ পৃথিৱী, অসমক্ষ এটি সাহিত্যানুষ্ঠান। এই চুটিগল্পৰ পৃথিৱী, অসমৰ মঞ্চখনলৈ চুটিগল্পক ভালপোৱা সমাজখনৰ মৰম, ভালপোৱা আৰু সহযোগিতা সঁচাকৈয়ে আদৰণীয়। সাহিত্যানুষ্ঠান চুটিগল্পৰ পৃথিৱী, অসমৰ উদ্যোগত প্ৰতি সপ্তাহত শুকুৰবাৰে এটি অনলাইন স্বৰচিত চুটিগল্প পাঠ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। এই উদ্দেশ্যেৰে নৰমটি অনলাইন স্বৰচিত চুটিগল্প পাঠ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। চুটিগল্পৰ পৃথিৱী, অসমৰ উপ-সভাপতি তথা সংকলন সম্পাদিকা, বিশিষ্টা লেখিকা, গল্পকাৰ পূৰৱী বৰুৱা ফুকনৰ সঞ্চালনাত চুটিগল্পৰ পাঠ অনুষ্ঠানটিত প্ৰথমে চুটিগল্পৰ পৃথিৱী, অসমৰ নলবাৰী জিলা সমিতিৰ বনশ্ৰী পাঠকে তেখেতৰ স্বৰচিত চুটিগল্প 'চহৰৰ মাজত এজনী পখিলা' গল্পটি পাঠ কৰে। দ্বিতীয়তে চুটিগল্প পাঠ কৰে কামৰূপ মহানগৰ জিলাৰ গুৱাহাটীৰ গীতা দেৱীয়ে তেখেতৰ স্বৰচিত চুটিগল্প 'অপনোদন' নামৰ এটি চুটিগল্প। দুয়োগৰাকী গল্পকাৰৰ গল্প পাঠৰ অন্তত অসমীয়া সাহিত্য জগতৰ বিশিষ্টা গল্পকাৰ, বামপথাৰ বেঙেনাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা, সাহিত্যিক, সমালোচক জুৰি দেৱী ফুকনে বিশ্লেষক হিচাপে অংশগ্ৰহণ কৰি তেখেতৰ বিশ্লেষণাত্মক ভাষণত তেখেতে কয় যে নিৰ্দিষ্ট কোনো সংজ্ঞাৰে চুটিগল্পৰ ব্যাখ্যা দাঙি ধৰিব নোৱাৰি। জীৱনৰ বিশেষ একোটা ঘটনাৰ খণ্ড চিত্ৰ থাকে চুটিগল্পত। সু সংযতভাৱে বিন্দুৰ মাজত সিন্ধুৰ বতৰা দিয়া কথা শিল্পই চুটি গল্প। চমাৰচেট মমৰ মতে একেটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা কাহিনীয়েই চুটিগল্প। মহেন্দ্ৰ বৰা দেৱেও কৈছে চুটিগল্প সাহিত্যৰ বিশেষ শিল্পকৃতি য'ত পোৱা যায় ক্ষণিকৰ বুকুত চিৰন্তন ব্যঞ্জনা আৰু বিন্দুৰ বুকুত সিন্ধুৰ চেতনা। চুটিগল্প আচলতে কিমান চুটি হ'ব বা কিমান দীঘল হ'ব তাৰ কোনো নিৰ্দিষ্ট হিচাপ নাই। চুটি গল্প গতানুগতিকভাৱে আৰম্ভ নহয়। ইয়াৰ আৰম্ভণি আৰু শেষত আকাস্মিকতা থাকে। শেষ হৈও শেষ নোহোৱাৰ যি অনুভৱ সেৱাই সফল চুটিগল্প। তাৰ পিছত কি হ'ব বা কি হ'ল এই ভাবটোৱে পাঠকৰ হৃদয়ত খুন্দা মাৰে। জানিবলৈ উৎকণ্ঠা ৰৈ যায়। এয়া গল্পকাৰৰ পাৰদৰ্শিতা আৰু দক্ষতা বুলি কয়। চুটিগল্প হ'ল আধুনিক গদ্য সাহিত্যৰ এক চমু আৰু প্ৰভাৱশালী ধাৰা। যি বাস্তৱ জীৱনৰ বিশেষ একোটা ঘটনা বা অনুভুতিৰ ওপৰত ভিত্তি কৰি কাল্পনিক ৰহনেৰে ৰচিত হয় বুলি কৈ বিশ্লেষণাত্মক মন্তব্যৰে সকলোকে আহ্লাদিত কৰাৰ লগতে আপ্লুত কৰে। গল্পপাঠ অনুষ্ঠানটিত চুটিগল্পৰ পৃথিৱী, অসমৰ চৰাইদেউ জিলা সমিতিৰ পৰা বিশিষ্ট ক্ৰীড়াবীদ স্বপন কৰ, লেখিকা আৰতি বৰা, লেখক নয়নমণি আৰান্ধৰা, তৰু ডি বৰা, কামৰূপ জিলাৰ ৰঞ্জিত মহন্ত, নমিতা দাস, কামৰূপ মহানগৰ জিলাৰ ৰত্না ৰহাংপি, বৰপেটা জিলা সমিতিৰ সম্পাদিকা ৰূপালী নেওগ বৰা, মুম্বাই সমিতিৰ হিৰন ভূঞা আদি কৰি অসমৰ বিভিন্ন জিলাৰ নবীন-প্ৰবীন গল্পকাৰ সকলে অংশগ্ৰহণ কৰে। গল্পপাঠ অনুষ্ঠানটিত অংশগ্ৰহণ কৰা সকলোকে শলাগ জ্ঞাপন কৰে চুটিগল্পৰ পৃথিৱী, অসমৰ উপ-সভাপতি তথা সংকলন সম্পাদিকা, বিশিষ্টা লেখিকা পূৰৱী বৰুৱা ফুকনে এনেদৰে শুকুৰবৰীয়া গল্পপাঠৰ অনুষ্ঠানটিত অসমৰ লগতে মুম্বাই, নতুন দিল্লী সমিতিৰ বিষয় বৰীয়াৰ অংশগ্ৰহণে আহ্লাদিত কৰিছে আৰু অনুষ্ঠানটিৰ সফলতা কামনা কৰে।

# চি আৰ চি চি সন্দৰ্ভত শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতিৰ মিছা অভিযোগ

**নাজিৰা ,৩ জুনঃ** কেইবাখনো বাতৰি কাকতত প্ৰকাশিত শিৱসাগৰ জিলাৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক (চি আৰ চি চি) সকলৰ বিৰুদ্ধে শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ব্ৰজেন দাসে উত্থাপন কৰা অভিযোগক সজোৰে খণ্ডন কৰাৰ লগতে তীব্ৰ ভাষাৰে গৰিহণা দিছে শিৱসাগৰ জিলাৰ আটাইকেইটা শিক্ষাখণ্ডৰ সমূহ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক আৰু সদৌ অসম মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সমিতিয়ে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত সদৌ অসম মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সমিতিয়ে উল্লেখ কৰে যে অসমীয়া মাধ্যমৰ চৰকাৰী শিক্ষানুষ্ঠান আমগুৰি শিক্ষাখণ্ডৰ অধীনৰ ৰাধিকা নগৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা প্ৰাথমিক শিক্ষক সন্মিলনীৰ শিৱসাগৰ মহকুমাৰ সভাপতি ব্ৰজেন দাসে মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সকলৰ বিপক্ষে সম্পূৰ্ণ তথ্যহীন আৰু মনেসজা অভিযোগ উত্থাপন কৰিছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ সজাগতাৰ উদ্দেশ্যে শিৱসাগৰ জিলাৰ শিক্ষা বিভাগে দিয়া আদেশ সাৰোগত কৰি সমগ্ৰ জিলাখনতে এক বিশেষ মূল্যায়ন অনুষ্ঠিত হৈছিল। এই মূল্যায়ন জিলাখনৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সকলে শিক্ষা বিষয়াৰ দোহাই দি আয়োজন কৰি শিক্ষকে শিক্ষকৰ জ্ঞানৰ তুলা-চালনিত জুখিবলৈ আগবাঢ়ি অহা আৰু শিক্ষক সকলক ক্ৰোধান্বিত কৰা বুলি শিক্ষক ব্ৰজেন দাসে আগবঢ়োৱা ভাষ্যক ভিত্তিহীন আৰু কল্পনাপ্ৰসূত আখ্যাৰে তীব্ৰ বিৰোধিতা প্ৰকাশ কৰিছে সমূহ সমন্বয়কৰ লগতে সদৌ অসম মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সমিতিয়ে। এই সন্দৰ্ভত সমিতিয়ে প্ৰকাশ কৰা অনুসৰি উক্ত সজাগতামূলক মূল্যায়নত মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সকলে বিভাগীয় আদেশ অনুসৰি তদাৰকৰ ভূমিকাহে পালন কৰিছিল আৰু জিলাখনৰ হাজাৰ-হাজাৰ শিক্ষকে এই মূল্যায়নৰ পদক্ষেপক আদৰণি জনাই মূল্যায়নত অৱতীৰ্ণ হৈছিল। আনহাতে শিক্ষকক অতিৰিক্ত কামৰ বোজা জাপি দিয়া, হোৱাটছ্আপ যোগে তথ্য বিচাৰি অতিষ্ঠ কৰা, শিক্ষা বিষয়াক তৈলমৰ্দন কৰা, মণ্ডল সমল কেন্দ্ৰ সমন্বয়কে প্ৰশিক্ষণ গ্ৰহণ নকৰাকে আদি কৰি যিসমূহ চূড়ান্ত তথ্যহীন, মিথ্যাচাৰী তথা চৰকাৰী নীতি বিৰুদ্ধ ভাষ্য শিক্ষক ব্ৰজেন দাসে প্ৰকাশ কৰিছে তাক মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সকলৰ লগতে সমন্বয়ক সমিতিয়ে একেমুখে নস্যাৎ কৰিছে। ৰাজ্যখনৰ প্ৰাথমিক শিক্ষক সমাজৰ অভিভাৱকস্বৰূপ, ঐতিহ্যমণ্ডিত অনুষ্ঠান অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ দৰে সংগঠনক প্ৰতিনিধিত্ব কৰা শিক্ষক ব্ৰজেন দাসৰ এইধৰণৰ অবিবেচক কথা-বতৰা আৰু জ্ঞানৰ নমুনাই শিৱসাগৰৰ শৈক্ষিক সমাজক লজ্জানত কৰিছে বুলিও বিবৃতিত সমন্বয়ক সমিতিয়ে উল্লেখ কৰে। শিক্ষক ব্ৰজেন দাসে হয়তো পাহৰি গৈছে যে গৰিষ্ঠ সংখ্যক মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক একো একোজন শিক্ষক আৰু সেইসুত্ৰে তেওঁলোক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ একোজন গৌৰৱান্বিত সদস্য। কাজে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ বৃহত্তৰ পৰিয়ালটোৰ সদস্য মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সকলৰ বিপক্ষে শিক্ষক ব্ৰজেন দাসে যি অগণতান্ত্ৰিক পন্থাৰে ভিত্তিহীন অভিযোগ আনিলে সেই পৰিপ্ৰেক্ষিতত তেওঁ সন্মিলনীৰ সাংবিধানিক পদত থকাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলাইছে বুলি সদৌ অসম মণ্ডল সমন্বয়ক সমিতিয়ে বিবৃতিটোত লগতে উল্লেখ কৰে। আনহাতে একেটা বিবৃতিতে চৰকাৰী শিক্ষক ব্ৰজেন দাসে নিজৰ ন্যস্ত দায়িত্ব সঠিকভাৱে পালন নকৰি সন্মিলনীৰ নাম লৈ বিভিন্ন ব্যক্তিগত কামত নিজকে নিয়োজিত কৰি আহিছে বুলিও উল্লেখ কৰে। শেহতীয়াকৈ শিৱসাগৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে শিক্ষকৰ বিদ্যালয়ত উপস্থিতি আৰু প্ৰস্থান তথা অন্যান্য বিষয়ক যিসমূহ নিৰ্দেশনা জাৰি কৰিছিল সেইধৰণৰ নিৰ্দেশনা সমূহত ক্ষুণ্ণ হৈ শিক্ষক ব্ৰজেন দাসে জিলাখনৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সকলৰ ওপৰতেই সকলো দোষ জাপি দিয়াৰ নিকৃষ্ট ষড়যন্ত্ৰতহে লিপ্ত হৈছে বুলিও সদৌ অসম মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সমিতিয়ে মতপোষণ কৰে।




# বিশ্ব ধপাঁত বিৰোধী দিৱস উপলক্ষে শোণিতপুৰ জিলাত বিভিন্ন সজাগতা মূলক কাৰ্যসূচী পালন

**তৰুণ বৰা,তেজপুৰ, ৩ জুনঃ** বিশ্বজুৰি পালন কৰা বিশ্ব ধপাঁত বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি শোণিতপুৰ জিলাতো বিভিন্ন সজাগতা মূলক কাৰ্যসূচীৰে দিৱসটো পালন কৰা হয়। এই বৰ্ষৰ মূল বিষয়বস্তু শ্চথ্বন্ত্রঙ্গপ্পঙ্গ্গ হৈছে "Unmasking the AppealÊ. Countering Nicotine and Tobacco Addiction", অৰ্থাৎ নিক'টিন আৰু ধপাঁতৰ আসক্তিৰ প্ৰকৃত স্বৰূপ উন্মোচন কৰি ইয়াৰ বিৰুদ্ধে জনসচেতনতা আৰু সংবেদনশীলতা বৃদ্ধি কৰা। এই উপলক্ষে শোণিতপুৰ জিলা ধপাঁত নিয়ন্ত্ৰণ কোষে জিলাখনৰ বিভিন্ন প্ৰান্তত ব্যাপক সজাগতা সৃষ্টিৰ উদ্দেশ্যে একাধিক কাৰ্যসূচী ৰূপায়ণ কৰে। বিশ্ব ধপাঁত বিৰোধী দিৱস উপলক্ষে তেজপুৰৰ ত্ৰিবেণী চেণ্টাৰত গুৰু নানক মডেল স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে ধপাঁত সেৱনৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে এখন পথ নাটক প্ৰদৰ্শন কৰে। ধপাঁত সেৱনে সৃষ্টি কৰা বিভিন্ন গুৰুতৰ স্বাস্থ্যজনিত বিপদৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ লগতে ধপাঁতমুক্ত সমাজ গঢ়ি তোলাৰ আহ্বান জনোৱাই এই কাৰ্যসূচীৰ মূল লক্ষ্য আছিল।একেদৰে, বালিপাৰাস্থিত খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ধপাঁত সেৱনৰ অপকাৰিতা সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্লেকাৰ্ডসহ এক সজাগতা সমদল উলিয়ায়। লগতে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ধপাঁত সেৱনৰ ফলত হোৱা বিভিন্ন স্বাস্থ্যজনিত ক্ষতি আৰু ধপাঁতমুক্ত জীৱনশৈলী গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীত প্ৰায় ৭০০ জন ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। বিশ্ব ধপাঁত বিৰোধী দিৱস উদ্‌যাপনৰ অংশ হিচাপে শোণিতপুৰ জিলা ধপাঁত নিয়ন্ত্ৰণ কোষে কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচন, তেজপুৰ আৰু ডাবৰৰ সহযোগত এই অনুষ্ঠানসমূহ আয়োজন কৰে। ইয়াৰ উপৰিও, শোণিতপুৰ জিলা ধপাঁত নিয়ন্ত্ৰণ কোষে জিলা আইনী সেৱা প্ৰাধিকৰণ (District Legal Services Authority)-ৰ সহযোগত খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৱৰ্তী খানামুখ কেন্দ্ৰত চাৰিদুৱাৰ আৰক্ষী থানাৰ আৰক্ষী কৰ্মচাৰীসকলৰ সহযোগত এক সজাগতা আৰু বলবৎকৰণ (Awareness-cum-Enforcement) অভিযান চলায়। এই অভিযানৰ মূল লক্ষ্য আছিল ২০০৩ চনৰ চিগাৰেট আৰু অন্যান্য ধপাঁতজাত সামগ্ৰী আইন (COTPA)-ৰ কঠোৰ ৰূপায়ণ নিশ্চিত কৰাৰ লগতে ধপাঁত নিয়ন্ত্ৰণ সম্পৰ্কে জনসচেতনতা বৃদ্ধি কৰা আৰু আইনখনৰ বিধানসমূহ মানি চলাটো নিশ্চিত কৰা। শোণিতপুৰ জিলা ধপাঁত নিয়ন্ত্ৰণ কোষে ধপাঁত সেৱনৰ কুফল সম্পৰ্কে সজাগতা বৃদ্ধি আৰু ধপাঁতমুক্ত সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে আগন্তুক দিনতো এনে জনসচেতনতামূলক কাৰ্যসূচী অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে।

# শিৱসাগৰত শতাধিক কৃতি ছাত্ৰ ছাত্ৰীৰ অভিনন্দন-সম্বৰ্ধনা অনুষ্ঠান

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ,৩ জুনঃ**শিৱসাগৰত পূৰ্বত্তৰ হিন্দুস্তানী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত আৰু হিন্দুস্তানী যুৱ মঞ্চৰ সহযোগত কৃতি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। শিৱসাগৰ যুবদলত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত তথা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শতাধিক ছাত্ৰ-ছাত্ৰীক এই অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়।অনুষ্ঠানৰ আৰম্ভ হোৱাৰ পূৰ্বে হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পূৰ্বউত্তৰ হিন্দুস্তানী সভাপতি সুনিল সিংয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে সাংবাদিক ৰাতু কুমাৰ দাস,হিমাংশু নেওগৰ লগতে জাতীয় সংগ্ৰামী মঞ্চৰ নেতা চিতো বৰুৱা, সমাজকৰ্মী ৰবি শ্ৰীবাস্তৱ,পাপু চাহু বিজয় সাহ, জিতন্দ্ৰ সিং, সম্পাদক সমীৰ বাছফৰ,আশীষ প্ৰসাদ সাহু, ৰিকি সিঙৰ লগতে বহু সংখ্যক লোক উপস্থিত থাকে।এই অভিনন্দন অনুষ্ঠানত চিতো বৰুৱাই অনাগত দিনত ছাত্ৰ ছাত্ৰী সকলে কঠোৰ পৰিশ্ৰম কৰি নিজকে এগৰাকী ডাক্তৰ, ইঞ্জিনীয়াৰ, এ চি এছ,আই এছ, এ পি এছ, আই পি এছ হবৰ বাবে আহ্বান জনায়, লগতে দেশৰ কাম কৰি যাবলৈ কয়। অনুষ্ঠানটি পৰিচালনা কৰে শিৱসাগৰৰ এজন যুৱ সাংস্কৃতিক কৰ্মী, চুটি ছবিৰ পৰিচালক আদি আক্ৰাম হুছেইনে। অভিনন্দন অনুষ্ঠানত প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ বিহুৱান,সম্বৰ্ধনা পত্ৰ আৰু একোটাকৈ উপহাৰ প্ৰদান কৰা হয়।



# অসমীয়া সংস্কৃতিৰ পৰিচয় বহনকাৰী জাপি শিল্পক লৈ আত্মসংস্থাপনৰ পথ মোকলাইছে টিহুৰ এহাল দম্পত্তীয়ে

**কুমুদ বৰ্মন টিহু,৩ জুনঃ** টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত নামবৰভাগ মৌজাৰ বৰভাগজাৰী গাঁৰৰ ৰাতুল বৈশ্য আৰু ৰঞ্জু তামুলী বৈশ্যই ব্যতিক্ৰমী শৈলীৰে বেজ জাপি প্ৰস্তুত কৰি স্বাৱলম্বীতাৰ পথ মোকলাবলৈ সক্ষম হৈছে । সৰু সৰু জাপিৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বহিঃৰাজ্য আৰু অন্য দেশলৈও ৰপ্তানি কৰিবলৈ সক্ষম হৈছে । কোনোধৰণৰ চৰকাৰী সা -সুবিধা অবিহনেই নলবাৰীৰ বিখ্যাত জাপি উদ্যোগৰ সৈতে জড়িত হৈ আছে এইহাল দম্পত্তী । জাপিৰ বাবে বিখ্যাত গাঁৰ মুগকুছিৰ জীয়ৰী ৰঞ্জু তামুলীয়ে ২০০০ চনৰে পৰা এই শিল্পৰ সৈতে জড়িত হৈ আছে ।বিবাহৰ পিছতো নলবাৰীৰ টিহুৰ বৰভাগজাৰীত কল্পতৰু ষ্টোৰ এণ্ড বেম্বো ক্ৰাফটৰ জৰিয়তে জাপি উদ্যোগটো গঢ় দি আগবঢ়াই নিছে । এইক্ষেত্ৰত সমানেই সহায় আগবঢ়াইছে স্বামীয়ে। ৰাজ্যৰ লগতে বহিঃৰাজ্যতো এই বেজ জাপিৰ আছে যথেষ্ট সমাদৰ । সৰু বাবেই এই জাপি বাহিৰলৈ ৰপ্তানি কৰিবলৈও যথেষ্ট সুবিধাজনক, কেৱল বেজ জাপিয়েই নহয় আন আন বিভিন্ন আটকধুনীয়া জাপিও প্ৰস্তুত কৰে ৰঞ্জু তামুলী বৈশ্যই । এই বৃত্তিৰে পৰিয়াল সুন্দৰকৈ পোহপাল দিব পাৰি বুলি জনাই নতুন প্ৰজন্মক এই জাপি শিল্পৰ প্ৰতি আগবাঢ়ি আহিবলৈ আহ্বান জনায় ।

# বাগ্‌সাৰ দাওধাৰাত বিশ্ব ধঁপাত বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি বিনামূলীয়া স্বাস্থ্য শিবিৰ

**বাতৰি কাকত, শালবাৰী,৩ জুনঃ** বিশ্ব ধঁপাত বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি ভাৰত-ভূটান সীমান্তৱৰ্তী বাগ্‌সা জিলাৰ দাওধাৰাত এক বৃহৎ বিনামূলীয়া চিকিৎসা আৰু স্ক্ৰীনিং শিবিৰ অনুষ্ঠিত হয়। ৪১ নং মানাহ বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰী আৰু ৪২ নং বাগ্‌সা বিধানসভা সমষ্টিৰ বিধায়ক মনেশ্বৰ ব্ৰহ্মৰ তত্ত্বাৱধানত আয়োজিত এই বিশেষ স্বাস্থ্য শিবিৰত সীমান্তৱৰ্তী অঞ্চলৰ ১৫০ গৰাকীৰো অধিক ৰোগীক বিনামূলীয়া চিকিৎসা আৰু ঔষধ প্ৰদান কৰা হয়। বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰৰ নেতৃত্বত অহা বিশেষজ্ঞ



চিকিৎসকৰ দলটোৱে স্বাস্থ্য পৰীক্ষাত সহায় কৰে। এই গুৰুত্বপূৰ্ণ শিবিৰটোত স্বাস্থ্য বিভাগৰ তৰফৰ পৰা বিশেষভাৱে উপস্থিত থাকে বাগ্‌সা জিলাৰ DPM (IC) ৰহিম আলী আহমেদ, DDSM আব্দুল ৰচিদ, চিকিৎসক হিমাংশু কলিতা আৰু NCD শাখাৰ DPC প্ৰাঙ্গণ কলিতা। শিবিৰত উপস্থিত থাকি বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে কয় যে গ্ৰামাঞ্চলৰ দৰিদ্ৰ ৰোগীসকলে যাতে উন্নত চিকিৎসাৰ সুবিধা লাভ কৰিব পাৰে, তাৰ বাবে চৰকাৰ আৰু স্বাস্থ্য বিভাগে এনে প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিশেষকৈ বিশ্ব ধঁপাত বিৰোধী দিৱসৰ দিনা এনে কাৰ্যসূচীয়ে ধঁপাতজনিত ৰোগৰ প্ৰতি ৰাইজক সজাগ কৰি তোলাত সহায় কৰিব। আনহাতে, অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে জানিবলৈ দিয়ে যে বৰ্তমান সময়ত কেঞ্চাৰৰ লগতে উচ্চ ৰক্তচাপ আৰু মধুমেহ ৰোগৰ মাত্ৰা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। শিবিৰত চিনাক্ত হোৱা এনে ৰোগীসকলক পৰৱৰ্তী সময়ত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নি উন্নত চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। এই স্বাস্থ্য শিবিৰটোৱে সীমান্তৰ দুৰ্গম অঞ্চলৰ ৰাইজৰ মাজত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে।

# নলবাৰীৰ শ্ৰীশ্ৰীহৰিমন্দিৰত দিহানাম সংৰক্ষণ মঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**মজিবুৰ ৰহমান, নলবাৰী ৩ জুনঃ** বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীহৰিমন্দিৰ প্ৰাংগণত দিহানাম সংৰক্ষণ মঞ্চ,অসমৰ অন্তৰ্গত দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন খন সফলতাৰে সম্পন্ন হয়। দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক নৰেন দাসে আঁত ধৰা অনুষ্ঠানটোত পুৱাৰ ভাগত পতাকা উত্তোলন কৰে দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ সভাপতি অচ্যুত চন্দ্ৰ বৈশ্যই। বন্তি প্ৰজ্বলন কৰে অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি শুৱলা পাঠকে। অধিৱেশন মুখ্য দ্বাৰ উন্মোচন কৰে বিশিষ্ট অভিনেতা, সমাজকৰ্মী দিলীপ কুমাৰ দাসে। মুখ্যদ্বাৰ উন্মোচন কৰি যুৱ নেতা দিলীপ কুমাৰ দাসে উল্লেখ কৰে যে গুৰু দুজনাৰ অপূৰ্ব সৃষ্টিৰাজীক সংৰক্ষণ কৰিবলৈ তথা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ দিহানাম সংৰক্ষণ মঞ্চ অসম তথা নলবাৰী জিলাৰ সমিতিৰ পদক্ষেপ আদৰণীয় ।লগতে এই মহান অনুষ্ঠানটিৰ এটা মহান কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ পায় নিজকে ধন্য মানিছো ।অনুষ্ঠানত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে দিহানাম সংৰক্ষণ মঞ্চৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক যতীন ৰাজবংশীয়ে ।হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে দিহানাম সংৰক্ষণ মঞ্চৰ কেন্দ্ৰীয় সহকাৰী সম্পাদিকা বিজুলী ৰাজবংশী আৰু জিলা সমিতিৰ উপ-সভাপতি অঞ্জু পাঠকে। আন্তঃৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে কাৰ্যনিৰ্বাহক সদস্য প্ৰণিতা কোঁৱৰে ।নাগাৰা সূৰ্য ৰামচৰণ ভড়ালীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে মঞ্চৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক পুলেন ৰাজবংশী আৰু বিশিষ্ট সমাজকৰ্মী শৰৎ বৰ্মনে। তাৰ পিছতে নলবাৰীৰ সমাজ জীৱনলৈ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও গণ্য মান্য ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। তাৰ পিছতেই প্ৰতিনিধি আৰু বিষয়-বাচনী সভাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ পৰিচালক ধীৰেন কুমাৰ বৰ্মনে ।আদৰণি ভাষণ আগবঢ়াই সংৰক্ষণ মঞ্চৰ জিলা সমিতিৰ উপদেষ্টা কুমুদ মালাকৰে। দুপৰীয়া মুকলি সভা খন উদ্বোধন কৰে নলবাৰী পৌৰসভাৰ উপ-পৌৰপতি ৰবীন দাসে। দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ সভাপতি অচ্যুত চন্দ্ৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনত উপস্থিত থাকে দিহানাম সংৰক্ষণ মঞ্চ,অসমৰ সভাপতি ডাঃ প্ৰশান্ত খাউণ্ড আৰু পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে দিহানামৰ প্ৰশিক্ষক তথা গুৰু বাণী পাঠক ।দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ দ্বি-বাৰ্ষিক মুখপাত্ৰ 'দিহানাম সৌৰভ' উন্মোচন কৰে অসম সাহিত্য সভাৰ বিত্তীয় স্থায়ী নিধিৰ আহ্বায়ক গোবিন্দ কলিতাই। আনহাতে আমন্ত্ৰিত অতিথি হিচাপে দিহানাম সংৰক্ষণ মঞ্চৰ বাকসা জিলা সমিতিৰ সম্পাদক বিষ্ণু কিংকৰ কাকতি উপস্থিত থাকে ।উল্লেখ্য যে প্ৰতিনিধি আৰু বিষয় বাচনি সভাৰ সিদ্ধান্তমৰ্মে দিহানাম সংৰক্ষণ মঞ্চ,অসমৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিচাপে বিজুলী ৰাজবংশী,অচ্যুত চন্দ্ৰ বৈশ্য,যতীন ৰাজবংশী আৰু প্ৰণিতা কোঁৱৰক নিৰ্বাচিত কৰে ।আনহাতে দিহানাম সংৰক্ষণ মঞ্চ,নলবাৰী জিলা সমিতিৰ সভাপতি হিচাপে শুৱলা পাঠক,কাৰ্যকৰী সভাপতি কুমুদ মালাকৰ,সাধাৰণ সম্পাদক নৰেন দাস,উপ সভাপতি দ্বয় মিনা তালুকদাৰ আৰু অৰ্চনা দেৱী,সহকাৰী সম্পাদক প্ৰণৱজ্যোতি কলিতা আৰু প্ৰণীতা দাস,সাংস্কৃতিক সভাপতি ভূধৰ হালৈ,সম্পাদক দীপক ৰাজবংশী আৰু প্ৰচাৰ সম্পাদক মনিকা তালুকদাৰক নিৰ্বাচিত কৰি এখন শক্তিশালী জিলা সমিতি গঠন কৰে ।উক্ত অনুষ্ঠানটোত দিহানাম পৰিৱেশন কৰে অনামিকা দাসৰ প্ৰাৰ্থনা দিহানাম দল,ঊষা দেৱীৰ দিহানাম দল আৰু প্ৰণীতা কোঁৱৰৰ দিহানাম দলে।

## কলগাছিয়াত ৰাইজৰ ৰোষত ড্ৰাগছ আসক্ত

ৰাইজে। পিছত স্থানীয় ৰাইজে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত কলগাছিয়া আৰক্ষীক আহি শৰিফুলক থানালৈ লৈ যায়। লগতে ভোলাৰ ঘৰতো অভিযান চলায় যদিও ভোলাই ইতিমধ্যে পলাবলৈ সক্ষম হয়। স্থানীয় ৰাইজে ড্ৰাগছমুক্ত কৰিবলৈ প্ৰশাসনক কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## পুখুৰীত বিহ দি মাৰিলে বহু মাছ

বিহ দি মাছসমুহ নিধন কৰিছে । এনদৰেই সন্দেহ প্ৰকাশ কৰি বেংকৰ পৰা ঋণ লৈ মীন পালনৰ জৰিয়তে স্বাৱলম্বী হ'ব খোজা তথা মৎস্য উৎপাদনত জড়িত হোৱা যুৱকজনে সম্প্ৰতি দিক বিদিক হেৰুৱাই পেলাইছে। চৰকাৰ তথা বিভাগীয় বিষয়া কৰ্মচাৰীক জালাল উদ্দিনে অনুৰোধ জনাইছে ইয়াৰ এটা উচিত তদন্ত হ'ব লাগে । জালাল উদ্দিনে গোটৰ লোন লৈ পুখুৰীত মাছৰ পোনাবোৰ এৰি দিছিল আৰু তেওঁৰ একমাত্ৰ জীৱিকা হৈছে মৎস্য উৎপাদন। এই ঘটনাৰ পিছত পৰিয়ালটোৰ মাজত আজি এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে।

## ৮ জুনৰ পৰা জুবিন গাৰ্গ হত্যাৰ বিচাৰ প্ৰক্ৰিয়া

জুবিন গাৰ্গক জুই-পানীৰ পৰা নিলগাই ৰখাৰ চিকিৎসাজনিত কাৰণ ছিংগাপুৰত হত্যাত অভিযুক্তসকলে মানি চলা নাছিল বুলি অভিযোগ উত্থাপন কৰিছিল। এজাহাৰকাৰী ৰাতুল বৰাই এজাহাৰত জুবিন গাৰ্গ হত্যাৰ সন্দেহ প্ৰকাশ কৰি আন বহু চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। এই এজাহাৰকে ভিত্তি কৰি চিআইডিয়ে জুবিন গাৰ্গ হত্যা গোচৰৰ তদন্ত চলাই নিছিল। স্মৰ্তব্য যে জুবিন গাৰ্গ হত্যা গোচৰৰ ৭ অভিযুক্তৰ বিৰুদ্ধে ইতিমধ্যে ফাষ্টট্ৰেক আদালতে চাৰ্জফ্ৰেম কৰিছে। শ্যামকানু মহন্ত, শেখৰজ্যোতি গোস্বামী, সিদ্ধাৰ্থ শৰ্মা, অমৃতপ্ৰভা মহন্ত, সন্দীপন গাৰ্গ, দুই দেহৰক্ষী ক্ৰমে নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে ফাষ্টট্ৰেক আদালতে হত্যাৰ ধাৰা আৰোপ কৰিছে। জুবিন গাৰ্গ হত্যা গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে ৩ (৬), ৩ (৭), ৩ (৮), ৬১ (২), আৰ/ডব্লিউ ১০৩ (১), ৬১ (২ঃ, আৰ/ডব্লিউ ৩১৬ (৫) ধাৰা সংলগ্ন কৰিছে। সেইদৰে শ্যামকানু মহন্তৰ বিৰুদ্ধে (৬), ৩ (৭), ৩ (৮), ৬১ (২), আৰ/ডব্লিউ ১০৩ (১), ৩০৮ (২), ৩১৮ (৪) আৰু ২৩৮ ধাৰা সংলগ্ন কৰিছে। শেখৰজ্যোতি গোস্বামীৰ বিৰুদ্ধে ৩ (৬), ৩ (৭), ৩ (৮), ৬১ (২), আৰ/ডব্লিউ ১০৩ (১), ৩১৬ (৫) ধাৰা আৰোপ কৰা হৈছে। ইয়াৰ সমান্তৰালকৈ অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে ৩ (৬), ৩ (৭), ৩ (৮), ৬১ (২), আৰ/ডব্লিউ ১০৩ (১) আৰু ২৩৮ ধাৰা, সন্দীপন গাৰ্গৰ বিৰুদ্ধে ১০৫ ধাৰা, নন্দেশ্বৰ বৰাৰ বিৰুদ্ধে ৬১ (২), আৰ/ডব্লিউ ৩১৬ (৫) ধাৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে ৬১ (২), আৰ/ডব্লিউ ৩১৬ (৫) ধাৰা আৰোপ কৰা হৈছে। উল্লেখ্য যে এই অভিযুক্ত ৭জনৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ৩৬,৩৭,৩৮ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলিব বুলি গোচৰৰ লোক অধিবক্তা জীয়াউল কামাৰে পূৰ্বে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰিছিল। স্মৰ্তব্য যে জুবিন গাৰ্গৰ মৃত্যুৰ পাছত তেওঁক হত্যা কৰা হৈছে বুলি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ পৰা ৮৫খনতকৈয়ো অধিক এজাহাৰ বিভিন্ন থানাত এজাহাৰকাৰীয়ে দাখিল কৰিছিল। এতিয়া অহা ২০জুনলৈকে এই এজাহাৰকাৰীসকলক পৰ্যায়ক্ৰমে সাক্ষ্য দানৰ বাবে মতা হ'ব। তাৰ উপৰি পৰ্যায়ক্ৰমে জুবিন গাৰ্গৰ হত্যাৰ গোচৰত ১৬১জন সাক্ষীক পৰ্যায়ক্ৰমে আদালতত সাক্ষ্য প্ৰদানৰ বাবে মতা হ'ব।

## লোখেণ্ডে প্ৰশান্ত সীতাৰাম চি বি এছ ইৰ নতুন অধ্যক্ষ বৰুণ ভৰদ্বাজক সচিবৰ

সামগ্ৰিক কাৰ্যকলাপ আৰু প্ৰশাসনৰ তদাৰকিৰ দায়িত্বত আছিল। আনহাতে সচিব হিচাপে কৰ্মৰত হিমাংশু গুপ্তাই আইনী বিষয়, অডিট, জনসংযোগ আদি প্ৰশাসনিক কাম-কাজ চম্ভালি আহিছিল। খত্ৰত্ত ব্যৱস্থাক লৈ দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক সমাজৰ মাজত অসন্তোষ বৃদ্ধি পোৱাৰ সময়তে এই বদলিৰ সিদ্ধান্ত প্ৰকাশ পায়। অৱশ্যে ইয়াৰ পাছতে চি বি এছ ইৰ নতুন অধ্যক্ষ আৰু সচিব নিযুক্তি দিয়া হয়। আইএএছ বিষয়া লোখেণ্ডে প্ৰশান্ত সীতাৰামক দিয়া হয় অধ্যক্ষৰ দায়িত্ব। আনহাতে, সচিব পদত নিযুক্তি দিয়া হয় বৰুণ ভৰদ্বাজক।

## ৰাষ্ট্ৰপতি মুৰ্মুক সাক্ষাৎ মুখ্যমন্ত্ৰী শৰ্মাৰ

ৰাজ্য হিচাপে অসমৰ চলি থকা বৃদ্ধিৰ যাত্ৰা আৰু এই গতিবেগক আমি কেনেদৰে আগুৱাই নিয়াৰ পৰিকল্পনা কৰিছো সেই বিষয়ে তেওঁক অৱগত কৰিলোঁ। তেওঁৰ চৰকাৰে জনকল্যাণ, আন্তঃগাঁথনি সম্প্ৰসাৰণ, অৰ্থনৈতিক উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি থকাৰ সময়তে শৰ্মাই ৰাষ্ট্ৰপতিৰ আশীৰ্বাদ আৰু পথ প্ৰদৰ্শনো বিচাৰিছিল। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমাৰ জনকল্যাণ আৰু উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখিবলৈ মই তেওঁৰ আশীৰ্বাদ আৰু পথ প্ৰদৰ্শন বিচাৰিছিলো। অসম চৰকাৰে ৰাজ্যজুৰি অৰ্থনৈতিক বিকাশ শক্তিশালী, বিনিয়োগ আকৰ্ষণ আৰু ৰাজহুৱা সেৱাৰ উন্নতিৰ লক্ষ্যৰে পদক্ষেপক আগুৱাই নিয়াৰ সময়তে এই বৈঠক অনুষ্ঠিত হৈছে।

## জি এম চি এইচত অহৰহ চিকিৎসকৰ নিৰীক্ষণত আছে মৃদুমুদ্ৰা

মৃদুমুদ্ৰাৰ সম্পূৰ্ণ শৰীৰৰ এম আৰ আইৰ ৰিৰ্পটতো ওলাব বহু তথ্য। আনহাতে, পূৰ্বতকৈ মৃদুমুদ্ৰা ডেকাৰ স্বাস্থ্য কিছু উন্নত হৈছে যদিও চিকিৎসকৰ তত্বাৱধানত আছে মৃদুমুদ্ৰা । মঙলবাৰে তেওঁৰ এটা অস্ত্ৰোপচাৰ সুকলমে হৈ গৈছে । ৭গৰাকী অভিজ্ঞ চিকিৎসকে চলাই আছে মৃদুমুদ্ৰাৰ চিকিৎসা। সম্প্ৰতি আই চি ইউত নিৰীক্ষণত ৰখা হৈছে মৃদুমুদ্ৰাক। চিকিৎসকে জনোৱা মতে তেওঁ খাদ্য গ্ৰহণ কৰিছে আৰু মাকৰ লগতো কিছু সময় কথা-বতৰা পাতিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনাত এদল বিশেষজ্ঞ চিকিৎসকে বিনামূলীয়াকৈ চিকিৎসা চলাই আছে। অনাগত এসপ্তাহ- দহদিনৰ বাবে সম্পূৰ্ণ চিকিৎসকৰ তত্বৱধানত ৰখা হ'ব মৃদুমুদ্ৰা ডেকাক।

## একেটা পৰিয়ালৰ ৪ জনক আক্ৰমণ দুৰ্বৃত্তৰ

দত্ত আৰু বিজন কৃষ্ণ দত্তৰ। যাৰবাবে খৰ্গহস্ত হৈ পৰিয়ালটোক আক্ৰমণ কৰে ৰিতুপৰ্ণই। গুৰুতৰভাৱে আহত হয় বিতুল দত্ত, ইলামণি শইকীয়া, বিজন কৃষ্ণ দত্ত আৰু কমলাক্ষী শইকীয়া। ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে আক্ৰমণকাৰী ৰিতুপৰ্ণ হাজৰিকাক।

## বিধায়ক অখিল গগৈৰ মাতৃৰ দেহাৱসান

মৰ্মাহত হ'লোঁ। এগৰাকী সমাজহিতৈষী, ধৰ্মপ্ৰাণ আৰু দয়ালু নাৰী হিচাপে প্ৰিয়দা গগৈয়ে সমাজত এক অনন্য স্থান অধিকাৰ কৰি আছিল। মাতৃৰ বিয়োগৰ এই অসহনীয় বেদনা কোনো শব্দৰেই পূৰণ কৰিব নোৱাৰি। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ঈশ্বৰৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনাইছোঁ। তেওঁৰ শোকসন্তপ্ত পুত্ৰ অখিল গগৈকে ধৰি সমগ্ৰ পৰিয়ালবৰ্গ, আত্মীয়-স্বজন আৰু গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। ওঁম শান্তি।

## নগাঁৱৰ জুমৰমুৰ পঞ্চায়তলৈ ভাৰত চৰকাৰৰ স্বচ্ছ-সেউজ পঞ্চায়ত বঁটা

কৰিছে সভাপতি আৰু সচিবগৰাকীয়ে। নগাঁও জিলা প্ৰশাসন, কাৰ্যবাহী বিষয়া, উন্নয়ন খণ্ড আৰু অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা এছআইআৰডিয়ে দিয়া পৰামৰ্শ আৰু সহায়ৰ অবিহনে এইটো সম্ভৱ নহ'লহেঁতেন বুলি কৈ সকলোকে ধনবাদ জ্ঞাপন কৰে। আজি এই অনুষ্ঠানত উপস্থিত থাকে। নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলী হাজৰিকাৰ লগতে কঠীয়াতলী উন্নয়ন খণ্ড আৰু জুমৰমুৰ গাওঁ পঞ্চায়তৰ কাৰ্যকতা সকল।

## শিৱসাগৰ বেতবাৰীত দোকানৰ ভিতৰতে ছাত্ৰৰ মৃতদেহ উদ্ধাৰ

প্ৰত্যক্ষ কৰে আৰু লগে লগে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰে যদিও ছাত্ৰ জনে কি কাৰণত চৰমপন্থা ল'লে জানিব পৰা নাই। ইপিনে একাংশ লোকৰ মতে মৃতদেহৰ কাষত কম পৰিমাণে তেজৰ চেকুঁৰা পৰি থকাত এয়া হত্যাকাণ্ড হ'ব পাৰে বুলি মন্তব্য কৰিছে। ঘটনা সন্দৰ্ভত উচিত তদন্তৰ দাবী তুলিছে মাধৱ জ্যোতি হাজৰিকাৰ একাংশ বন্ধু বান্ধৱীয়ে। অন্যহাতে মাধৱ জ্যোতি হাজৰিকাই প্ৰেমজনিত কাৰণত আত্মহননৰ কৰাৰ সন্দেহ প্ৰকাশ কৰিছে যদিও মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ পিছতহে নিশ্চিত কক্সব পৰা যাব বুলি সদৰি কৰিছে। উল্লেখ্য যে মাধৱ জ্যোতি হাজৰিকা বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ আছিল। ছাত্ৰ জনৰ মৃত্যুত বিদ্যালয় খনৰ লগতে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## অগ্নিদগ্ধ হৈ ২১ জনৰ মৃত্যু

সোনকালে জুই বিয়পি পৰিল যে অধিকাংশ লোক আবদ্ধ হৈ পৰিল। একাংশই নিজৰ জীৱন ৰক্ষাৰ বাবে হোটেলখনৰ বিভিন্ন মহলাৰ পৰা জপিয়াই নামি আহিছিল। কিন্তু কোঠাবোৰত আবদ্ধ হৈ থকা জ্বলা-পোৰাৰ ফলত ২১জন লোকৰ মৃত্যু হয়। এই খবৰ পাই প্ৰথমে দুখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী সেই স্থানত উপস্থিত হয়। পিছত আৰু কেইবাখনো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীয়ে সেই স্থানত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি কেইবাজনো লোকক উদ্ধাৰ কৰা হৈছে। হোটেলখনৰ বিভিন্ন মহলাৰ পৰা বহুতে আতংকিত হৈ জপিয়াই পৰিল। উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উদ্ধাৰ হোৱা বহু লোক আহত হয়। জানিব পৰা মতে হোটেলখন হাউজ ৰাণী লেনৰ ভিতৰত। লেনখন ভিৰ আৰু সংকীৰ্ণ। স্থানীয় ৰাইজে জনোৱা মতে, হোটেলখনত চপ্তটা কোঠা আছে। তাত ৪০ জন লোক আছিল। ইয়াৰে অধিকাংশই বিদেশী। চিকিৎসাৰ বাবে ভাৰতলৈ আহিছে। স্থানীয় লোকে দাবী কৰিছে যে অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত সকলোৱে শুই আছিল। ফলত জুইৰ পাছতো ওলাই আহিব নোৱাৰিলে। হোটেলখনৰ ৰান্ধনী কেছাৰ সিঙে পুৱা ৮ বজাত পাকঘৰত প্ৰৱেশ কৰা বুলি জানিবলৈ দিয়ে। ইলেকট্ৰিক ষ্ট'ভটো জ্বলাবলৈ সি চুইচ অন কৰিলে। তাৰ পৰাই জুইৰ সূত্ৰপাত হোৱা বুলি তেওঁ দাবী কৰে। লগে লগে তেওঁ সহকৰ্মীক এই বিষয়ে অৱগত কৰি সকীয়াই দিয়ে। কিন্তু তেতিয়ালৈকে জুই দ্ৰুতগতিত বিয়পি পৰিছিল। কোনোমতে হোটেলৰ পৰা ওলাই আহি সি প্ৰাণ লৈ পলায়ন কৰে।

## ২০৪৭ চনৰ ভিতৰত ড্ৰাগছমুক্ত হ'ব ভাৰতবৰ্ষ

মাফিয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে কেন্দ্ৰীয় সংস্থাসমূহত নতুন শাখা গঠন কৰা হ'ব। ইয়াৰ উপৰিও চলিত বৰ্ষৰ শেষৰ ভিতৰত ড্ৰাগছ মাফিয়াৰ ওপৰত চকু ৰাখিবলৈ ৰাজ্যিক চোৰাংচোৱা ব্যুৰোৰ অধীনত সুকীয়া শাখা গঠন কৰা হ'ব আৰু প্ৰতিখন ৰাজ্যৰে ১৫ জনকৈ শীৰ্ষ ড্ৰাগছ মাফিয়াৰ এক সুকীয়া তালিকা প্ৰস্তুত কৰা হ'ব। খবৰ অনুসৰি, এই পৰিকল্পনা প্ৰস্তুত কৰাৰ দায়িত্ব লাভ কৰা নাৰ্কোটিক্স কণ্ট্ৰ'ল ব্যুৰো চমুকৈ এন চি বিয়ে এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহৰ সন্মুখত এক প্ৰেজেণ্টেচন দাখিল কৰিছিল। পৰিকল্পনাটোত এতিয়াও আনুষ্ঠানিকভাৱে অনুমোদন জনোৱা হোৱা নাই যদিও ইয়াৰ কেইবাটাও গুৰুত্বপূৰ্ণ অংশৰ কাম ইতিমধ্যে আৰম্ভ হৈছে।

## নাজিৰা পৌৰসভাত বজাৰ আৱণ্টনক লৈ উত্তাল প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ৩ জুন ঃ** স্বচ্ছ-নিকা তথা দূৰ্নীতি নিৰ্মূলৰ জয়ঢোল কোবাই শাসনৰ শাসন চলোৱা বিজেপি নেতৃত্বাধীন চৰকাৰৰ পৃষ্ঠপোষকতাত থকা নাজিৰা পৌৰসভাত বজাৰ আৱণ্টন দিয়াক লৈ আজি পৌৰসভাৰ কাৰ্যালয়ত এক প্ৰতিবাদ মুখৰ হৈ পৰাত উত্তাল পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনা মৰ্মে, নাজিৰা পৌৰসভাই নাজিৰা দৈনিক বজাৰ, সাপ্তাহিক কৃষি বজাৰ আৰু পাৰ্কিং স্থানৰ বাবে যোৱা ১৩ মে'ত এন এম বি/ ২০২৬-২০২৭/২৮ নং নিৰ্দেশ যোগে নিবিদা আহ্বান কৰে। যোৱা ২৫ মে'ত নিবিদা দাখিলৰ অন্তিম দিন হোৱাৰ লগতে নিবিদা খোলাৰ দিন ধাৰ্য কৰে পৌৰসভাৰ নিবিদা সমিতিয়ে। উক্ত দিনা নিয়াৰিকৈ কাম চলি থকাৰ সময়তে নাজিৰা সাপ্তাহিক কৃষি বজাৰখনৰ নিবিদা প্ৰদান কৰা দীপু হোড় নামৰ প্ৰাক্তন ৱাৰ্ড কমিছনাৰ তথা ঠিকাদাৰ জনৰ নিবিদা খন নীতি অনুসৰি নাকচ কৰা হয় । পৌৰসভাই নিৰ্ধাৰণ কৰা নীতি অনুসৰি মূল নিবিদা প্ৰ-পত্ৰ আৰু নিবিদাৰ মূল্য নিৰ্ধাৰণৰ প্ৰ-পত্ৰ ভাগে দুটা নিৰ্দিষ্ট খামৰ ভিতৰত সুমুৱাই নিবিদা বাকচত দাখিল কৰিব লাগিব। প্ৰতিটো খামত নিবিদা দাতাৰ নাম ও কামৰ বিবৰণ লিখা থাকিব লাগিব। অন্যথা নিবিদা বাতিল কৰা হ'ব। সেই মৰ্মে দীপু হোড়ৰ নিবিদা প্ৰ-পত্ৰ সঠিক ভাৱে নোহোৱাত সকলোৰে উপস্থিতিত নিবিদা প্ৰ-পত্ৰ খন বাতিল কৰা হয় বুলি কৰ্তৃত্বশীল বিষয়াই ব্যক্ত কৰে। কিন্তু পৰিতাপৰ বিষয় যে যোৱা কালি সন্ধিয়া ভাগত নাজিৰা দৈনিক বজাৰখন প্ৰশান্ত দাস , পাৰ্কিং স্থান মনি দত্ত আৰু সাপ্তাহিক কৃষি বজাৰখন নিবিদা নাকচ কৰা প্ৰাক্তন ৱাৰ্ড কমিছনাৰ তথা ঠিকাদাৰ দীপু হোড়ক আনুষ্ঠানিক ভাৱে আৱণ্টন দিয়া হৈছে বুলি জাননী ফলকত ঘোষণা কৰে। নাজিৰা পৌৰসভাৰ পৌৰপতি বৰ্ণালী চেতিয়াৰ বিৰুদ্ধে নীতি বৰ্হিভূত ভাৱে বজাৰৰ আৱণ্টন দিয়া বুলি অভিযোগ উত্থাপন হয়। ইয়াৰ লগে লগে আজি আন একাংশ নিবিদা প্ৰদানকাৰী আৰু শতাধিক যুৱকে পৌৰসভাৰ কাৰ্যালয়ত উপস্থিত হৈ পৌৰপতি গৰাকীয়ে বক্ৰ পথেৰে বজাৰ আৱণ্টন দিয়া কাৰ্যক প্ৰতিবাদ জনাই পৌৰপতিৰ দুৰ্নীতি বন্ধ কৰক, পৌৰপতিৰ হিটলাৰী ব্যৱস্থা নচলিব, নাজিৰা পৌৰসভা হায় হায় আদি ধৰ্ণাৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে এই বিষয়ে যথা সময়ত কেইবাজনো সংবাদসেৱীয়ে পৌৰপতি গৰাকীৰ পৰা জানিব বিচৰাত পৌৰপতি বৰ্ণালী চেতিয়াই কোনো উত্তৰ নিদি এক প্ৰকাৰে পলায়ন কৰা পৰিলক্ষিত হয়। নাজিৰা পৌৰসভাৰ পৌৰপতি গৰাকীৰ এনে কাৰ্যত সমগ্ৰ নাজিৰাত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

## নলবাৰীত হিন্দু সুৰক্ষা সেনা অসম, নলবাৰী জিলা সমিতিৰ উদ্যোগত মাধুৰ্য বৰ্মনৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**বাতৰি কাকত, ধমধমা, ৩ জুন ঃ** নলবাৰী চহৰস্থিত ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী হৰিমন্দিৰ চৌহদত হিন্দু সুৰক্ষা সেনা অসম, নলবাৰী জিলা সমিতিৰ উদ্যোগত সদ্য প্ৰয়াত আছু নেতা মাধুৰ্য বৰ্মনৰ মৃত্যুত শোক প্ৰকাশ কৰি তেওঁলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান এটি অনুষ্ঠিত কৰা হয় ।সংগঠণৰ কৰ্মকৰ্তা সকলৰ লগতে মন্দিৰলৈ অহা ভক্ত সকলে উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ গ্ৰহণ কৰে। সমগ্ৰ ৰাজ্যত কোপাই তুলা চাঞ্চল্যকৰ হত্যাকাণ্ডত নলবাৰীৰ আছু নেতা মাধুৰ্য বৰ্মনৰ মৃত্যু হয়। অতি নিৰ্মমভাৱে ৰোজ আলী নামৰ যুৱকজনে হত্যা কৰিছিল মেধাৱী ছাত্ৰ মাধুৰ্য বৰ্মনক। ইয়াৰ পিছত আৰক্ষীৰ বেষ্টনীৰ মাজৰ পৰা পলায়নৰ চেষ্টা চলোৱা তথা আৰক্ষীৰ বন্দুক লৈ যোৱা ৰোজ আলী আৰক্ষীৰ এনকাণ্টাৰত মৃত্যু হয়। এই ঘটনাৰ পিছতে আছু নেতা তথা ভৱিষ্যৎৰ সম্ভাৱনাময় ছাত্ৰ মাধুৰ্য বৰ্মনৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সমূহ কৰা হয়। একেদৰে হিন্দু সুৰক্ষা সেনা অসম, নলবাৰী জিলা সমিতিৰ উদ্যোগতো মংগলবাৰ সন্ধিয়া শ্ৰী শ্ৰী হৰিমন্দিৰৰ বাকৰীত মাধুৰ্য বৰ্মনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি শীৰ্ষক এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কাৰ্যসূচী ৰূপায়ণ কৰা হয় ।উক্ত কাৰ্যসূচীত উপস্থিত থাকে হিন্দু সুৰক্ষা সেনা অসম,ৰ কেন্দ্ৰীয় কমিটিৰ কাৰ্যনিৰ্বাহক সদস্য বিজু দাস,মুখ্য সাংগঠনিক সম্পাদক সত্যাপন দাস, নলবাৰী জিলা কমিটিৰ সভাপতি নয়নমনি মালাকৰ, সাধাৰণ সম্পাদক ৰিতুমনি বৰ্মন,মুখ্য সাংগঠনিক সম্পাদক দ্বীপজ্যোতি মজুমদাৰ, সদস্য গৌৰৱ দাস,মনজিৎ কলিতাকে প্ৰমুখ্য কৰি মন্দিৰলৈ অহা ভক্তসকল। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কাৰ্যসূচীৰ পৰা হিন্দু সুৰক্ষা সেনা অসম, নলবাৰী জিলা সমিতিয়ে প্ৰথমতে মাধুৰ্য বৰ্মনৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে ।ইয়াৰ পিছত আৰক্ষীৰ ভূমিকাক শলাগ জনাই আৰু এনে ঘটনা দ্বিতীয়বাৰলৈ নোহোৱাৰ বাবেও সকলোকে সক্ষম হবলৈ আহ্বান জনায়।

## বিধায়ক অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈৰ মৃত্যুত শিৱসাগৰত শোক

খাইৰুদ্দিন আহমেদ, শিৱসাগৰ,, জুন:- শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈৰ আজি গুৱাহাটীত ক্সছ বছৰ বয়সত মৃত্যু হয়। বিধায়কগৰাকীৰ মাতৃৰ বিয়োগত খবৰ লাভ কৰাৰ পিছত শোকস্তব্ধ হৈ পৰে শিৱসাগৰ। এসময়ৰ কৃষক আন্দোলনৰ নেতা অখিল গগৈৰ মাতৃৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতে শিৱসাগৰৰ কেইবাশতাধিক ৰাইজৰ লগতে কেইবাটাও জাতীয় জনগোষ্ঠীয় সংগঠনৰ নেতৃত্ব অখিল গগৈৰ মৰিয়নিৰ চেলেংহাটৰ বাসভৱনত উপস্থিত হয় বিধায়ক অখিল গগৈ আৰু পৰিয়াল বৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। আজি বিয়লি ছ্ৰ বজাত এক মৌন সমদলেৰে মাতৃ প্ৰিয়দা গগৈৰ নশ্বৰ দেহ গুৱাহাটীৰ পৰা চেলেংহাটৰ বাসভৱনত উপস্থিত হোৱাৰ পাছত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। ধৰ্মীয় ৰীতি-নীতি অনুসৰি মাংগলিক নিয়মৰ পাছতেই অনুষ্ঠিত হয় ৰাজহুৱা শ্ৰদ্ধাঞ্জলি। শিৱসাগৰ পৰা যোৱা বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় প্ৰশাসনিক সচিব শৃংখল চলিহা, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়া, অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰশ জ্যোতি দাস, অসম ছাত্ৰ যুৱ সন্মিলনৰ সভাপতি জিন্টু মেচ, জাগৃত নাৰী সমাজৰ পদ্মা চেতিয়া, কংগ্ৰেছ নেত্ৰী পল্লবী শঞ্জইকীয়া, ভাৰতী শঞ্জইকীয়া, শিৱসাগৰ জিলা কংগ্ৰেছ কমিটি, অসম জাতীয় পৰিষদ,কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় আৰু জিলা সমিতি, ৰাইজৰ দলৰ কেন্দ্ৰীয় আৰু শিৱসাগৰ তথা যোৰহাট জিলা সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, নাৰী মুক্তি সংগ্ৰাম সমিতিৰ বিষয়ববীয়াৰ উপৰিও অৰ্ধশতাধিক দল সংগঠনৰ প্ৰতিনিধিয়ে প্ৰিয়দা গগৈৰ নশ্বৰ দেহত চাদৰ, গামোচা আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে চেলেংহাটত শ্মশানত পুত্ৰ অখিল গগৈয়ে মুখাগ্নি কৰি নিজৰ মাতৃৰ শেষকৃত্য সম্পন্ন কৰে। অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈৰ মৃত্যুত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডক্স জ্যোতিপ্ৰসাদ শইকীয়াই অসমীয়াই শোক প্ৰকাশ কৰি কয় যে, এগৰাকী মমতাময়ী, আদৰ্শ, সৎ মাতৃ হেৰুৱালে। দেশ আৰু জাতিৰ প্ৰতি ত্যাগ কৰিবলৈ নতুন প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰা মাতৃগৰাকীয়ে নিজৰ পুত্ৰ অখিল গগৈৰ লগতে সহস্ৰজনক মাতৃ স্নেহেৰে আৱৰি আছিল। সাধাৰণ সহজ সৰল জীৱনৰ পোষকতা কৰা প্ৰিয়দা গগৈৰ মানৱ দৰদী মনটোক সকলোৱে শ্ৰদ্ধা কৰিছিল বুলি মন্তব্য কৰে। আনহাতে ৰাইজৰ দলৰ শিৱসাগৰ আৰু নগৰ সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি, শিৱসাগৰ প্ৰেছ ক্লাৱ, শিৱসাগৰ জিলা বাৰ্তাজীৱি সংঘ, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, ই মেডিয়া এচচিয়েচন, টাই আহোম ছাত্ৰ সন্থা, অসমীয়া যুৱ মঞ্চ, ৰংপুৰ জ্যোতি ক্লাব, ৰংমন, শিৱসাগৰ হজ কমিটিকে, শতশব্দ, অন্তৰংগকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীলৈ 'যুৱ-দৰ্শন'ৰ উৎকৃষ্ট বঁটা

সভাপতি তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি, সু-সাহিত্যিক, সমাজমনস্ক ব্যক্তিত্বৰ অধিকাৰী মৃণালিনী দেৱীক তেওঁৰ কাহিলিপাৰাস্থিত বাসভৱনত সৃষ্টিশীলতা, প্ৰজ্ঞা, মানৱীয় মূল্যবোধ আৰু সমাজৰ প্ৰতি দায়বদ্ধতাই প্ৰজন্ম-প্ৰজন্মক অনুপ্ৰাণিত কৰিছে আৰু আমাৰ সম্প্ৰদায়ৰ সাংস্কৃতিক আৰু সামাজিক পৰিৱেশক সমৃদ্ধৰ স্বীকৃতি স্বৰূপে সু-সাহিত্যিক আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱলৈ 'যুৱ-দৰ্শণ'ৰ উৎকৃষ্ট বঁটা- ২০২৬ প্ৰদান কৰা হয়। তেওঁক অসমীয়া গামোচা, জাপি, প্ৰশংসাপত্ৰ আৰু শ্ৰীশ্ৰীৰাম ঠাকুৰৰ পবিত্ৰ প্ৰতিকৃতি প্ৰদান কৰি এই সন্মান প্ৰদান কৰা হয়। উপস্থিত আছিল শিলচৰৰ বিশিষ্ট সমাজকৰ্মী তথা সংগীত শিল্পী মুনমুন সাহা আৰু শ্ৰীভূমিৰ সমাজকৰ্মী তথা শিক্ষয়িত্ৰী মিতালী নাথ। সাহিত্য, সংস্কৃতি, নৈতিক মূল্যবোধ আৰু সমাজসেৱামূলক কাৰ্যকলাপৰ ক্ষেত্ৰত মৃণালিনী দেৱীয়ে আগবঢ়োৱা অসামান্য অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়োৱা হয়। উল্লেখযোগ্য যে মৃণালিনী দেৱীয়ে জীৱনৰ এক উল্লেখযোগ্য সময় শিলচৰত অতিবাহিত কৰিছিল। তেওঁৰ পাঁচ পুত্ৰৰ ভিতৰত দুজনৰ জন্ম শিলচৰতেই হৈছিল।

## টিহুত মীন আইন উলংঘা ঃ মীন বিভাগ আৰু প্ৰশাসন নিৰ্বিকাৰ

**কুমুদ বৰ্মন, টিহু, ৩ জুন ঃ** ভাৰতীয় মীন আইন আৰু অসম মীন নীতি অনুসৰি মাছৰ প্ৰজনন ঋতুৰ সময়ত খাল , বিল, নদ, নদী, প্ৰাকৃতিক জলাশয় বা মীন মহল আদিত সৰু পাহিৰ জাল অথবা মাছ ধৰা সঁজুলিৰে মাছ ধৰা নিষিদ্ধ । প্ৰাকৃতিক জলাশয়সমূহ মাছৰ সংৰক্ষন বৃদ্ধিৰ বাবে মীন আইন প্ৰণয়ন কৰা হৈছে । ৰাজ্যৰ থলুৱা মাছ সংৰক্ষন আৰু সামগ্ৰিকভাৱে মাছৰ উৎপাদন বৃদ্ধিৰ স্বাৰ্থত ঘোষিত এই আইন টিহুৰ কেবাখনো গাঁওত সম্পূৰ্ণ ৰূপে উলংঘা কৰা হৈছে। প্ৰাপ্ত অভিযোগ মতে টিহু থানাৰ অন্তৰ্গত পামৈপাৰা, যমুন্নাট্ৰাৰী, ৰতনপুৰ, মাধপুৰ, বৰগাঁও আদি গ্ৰামাঞ্চলত বিভিন্ন খাল, বিলত এচাম দুষ্ট চক্ৰই নিতৌ নিশাৰ ভাগত সৰু পাহিৰ জাল,ফাঁচি জাল, বেব জাল আদিৰে মাছ ধৰি থলুৱা মাছৰ বংশ বৃদ্ধি বিনাশ কৰি হলেও নিজৰ ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপন হৈছে। ফলত অঞ্চলটোৰ খাল বিল আদিৰ মাছৰ কণী আৰু পোনা ধ্বংস হব ধৰিছে । স্থানীয়লোকে গাঁও প্ৰধান আৰু আৰক্ষী অৱগত যদিও তেওঁলোকে বিশেষ গুৰুত্ব দিয়া নাই বুলি অভিযোগ কৰিছে। এই ক্ষেত্ৰত মীন সম্প্ৰসাৰণ বিভাগৰো কোনোধৰনৰ ভূমিকা নাই। বৰঞ্চ মাছ ধৰা দুষ্ট চক্ৰৰ লগত গোপন বুজাবুজি থকাৰহে সন্দেহ প্ৰকাশ কৰিছে সচেতনমহলে।

## ১৪২ নং বালি প্ৰাথমিক বিদ্যালয়ত এজাক বৰষুণতে পানী সোমাই পাঠদান ব্যাহত

**কুমুদ বৰ্মন, টিহু, ৩ জুন ঃ** নলবাৰী জিলাৰ পূৱ নলবাৰী শিক্ষাখণ্ডৰ অধীনৰ স্বাধীনোত্তৰ পূৰ্বে স্থাপিত ১৪২নং বালি প্ৰাথমিক বিদ্যালয়ত এজাক বৰষুণতে পানী সোমাই পাঠদান ব্যাহত হোৱাৰ লগতে কণ কণ ছাত্ৰ -ছাত্ৰী সকলে চৰম অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। এতিয়া বিদ্যালয়খনৰ চাৰিসীমাৰ পানী নিষ্কাষণৰ সুবিধা নথকা বাবে কাহানিবাই নিৰ্মাণ কৰা বিদ্যালয়খনৰ গৃহ সমূহ বৰ্তমান চাপৰ হৈ পৰাত এজাক বৰষুণ আহিলেই বিদ্যালয়খনৰ কাষৰ পানী বাগৰি আহি বিদ্যালয়ৰ ভিতৰলৈ সোমাই যায় । এজাক বৰষুণ দিলেই বিদ্যালয়খনৰ বাৰান্দা আৰু শ্ৰেণীকোঠাৰ মজিয়াত উঠে লেতেৰা পানী । বৰষুণৰ পানীসমূহ বিদ্যালয়ৰ ভিতৰলৈ সোমাই গৈ বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাৰান্দাত আৱদ্ধ হৈ ৰয় । ইয়াৰ ফলত পাঠদান ব্যাহত হোৱাৰ লগতে কণ-কণ শিক্ষাৰ্থী সকলে অশেষ কষ্ট ভোগ কৰিবলগীয়া হয় । জোতা-মৌজা পিন্ধি অহা শিক্ষাৰ্থী সকলে বাৰান্দাৰ পানী গছকি ভিতৰলৈ গৈ পানীৰ মাজতে পাঠদান কৰিব লগা অৱস্থাৰ সৃষ্টি হৈছে । তৎস্বত্বেও কিন্তু শ্ৰেণী কোঠাৰ মজিয়াত পানীৰ দোঙাৰ মাজতেই দুচকুত অযুত স্বপ্ন লৈ এজাক কণ কণ শিক্ষাৰ্থীয়ে আহৰণ কৰিছে প্ৰাথমিক শিক্ষা ।গতিকে স্থানীয় ৰাইজে এতিয়া ৰাজ্যৰ শিক্ষাখণ্ডক প্ৰাচীন এই বিদ্যালয়খনৰ গৃহসমূহ নতুনকৈ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে ।

## জুমৰমুৰ গাওঁ পঞ্চায়তে লাভ কৰিলে দীনদয়াল উপাধ্যায় পঞ্চায়ত সশক্তিকৰন পুৰস্কাৰ

**বাতৰি কাকত, কচুৱা, ৩ জুন ঃ** বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত জুমুৰমুৰ গাঁও পঞ্চায়তৰ বাবে এক গৌৰৱৰ দিন। ভাৰত চৰকাৰৰ পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ দ্বাৰা প্ৰদান কৰা সন্মানীয়-'দীনদয়াল উপাধ্যায় পঞ্চায়ত সশক্তিকৰণ পুৰস্কাৰ ২০২৫' লাভ কৰি অত্যন্ত আনন্দিত আৰু গৌৰৱান্বিত পঞ্চায়ত বাসী । পঞ্চায়তৰ সভাপতি, ৱাৰ্ড সদস্যঙ্গসদস্যা সকলৰ লগতে ৰাইজৰ অংশগ্ৰহণে এই সফলতাৰ শিখৰত সহায় কৰিলে বুলি মন্তব্য কৰে পঞ্চায়তটোৰ কৰ্মকৰ্তা সকলে । নগাঁও জিলা প্ৰশাসন, কাৰ্যবাহী বিষয়া, উন্নয়ন খণ্ড আৰু অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা SIPRD-এ দিয়া পৰামৰ্শ আৰু সহায়ৰ অবিহনে এইটো সম্ভৱ নহ'লহেঁতেন । এই সফলতাৰ বাবে সকলোকে ধনবাদ জ্ঞাপন কৰে পঞ্চায়ত কতৃপক্ষই। এই বিজয়ৰ কৃতিত্বত ভাৰত চৰকাৰ, অসম চৰকাৰ, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক পঞ্চায়ত প্ৰতিনিধি আৰু পঞ্চায়ত সভাপতী আৰু ৱাৰ্ড সদস্য আৰু সদস্যা সকলে ধন্যবাদ জ্ঞাপন কৰে । নতুন দিল্লীত অনুস্থিত হোৱা ৰাষ্ট্ৰীয় পঞ্চায়ত পুৰস্কাৰ সমাৰোহত এই পুৰস্কাৰ গ্ৰহন কৰে পঞ্চায়ত খনৰ কতৃপক্ষই।

# গুৱাহাটী অপেন পিডব্লিউআৰ ২০০-ৰ সফল সমাপ্তি

## অভিলেখসংখ্যক অংশগ্ৰহণেৰে উচ্চমানৰ প্ৰতিযোগিতাৰ অনন্য নিদৰ্শন

**গুৱাহাটী, ৩ জুনঃ** অভিলেখসংখ্যক অংশগ্ৰহণকাৰী আৰু উচ্চমানৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলৰ জৰিয়তে আকৰ্ষণীয় ৰূপ লয় গুৱাহাটী অপেন পিডব্লিউআৰ ২০০ প্ৰতিযোগিতাই। অসম পিকলবল এছ'চিয়েচন (এপিএ)-ৰ আয়োজনত আৰু ইণ্ডিয়ান পিকলবল এছ'চিয়েচন (আইপিএ)-ৰ তত্ত্বাৱধানত অনুষ্ঠিত এই খেল দেওবাৰে সফলভাৱে সম্পন্ন হয়। গুৱাহাটীৰ নাৰেংগীৰ পাথৰ কুঁৱেৰীস্থিত পিকল পালচত আয়োজিত এই টুৰ্ণামেণ্টত প্ৰতিযোগিতাৰ মান আৰু অংশগ্ৰহণকাৰীসকলৰ উৎসাহে বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰে। দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এই টুৰ্ণামেণ্টত দেশৰ ভিন্ন প্ৰান্তৰ পৰা অহা খেলুৱৈসকলৰ উৎসাহজনক অংশগ্ৰহণ পৰিলক্ষিত হয়। ইয়াৰ সমান্তৰালকৈ উত্তৰ-পূব ভাৰতত পিকলবল খেলবিধৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা তথা বিকাশৰ ক্ষেত্ৰত এয়া এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। সমগ্ৰ চেম্পিয়নশ্বিপখনৰ ২২টা ভিন্ন শাখাত অংশ লয় সৰ্বমুঠ ১৩০ গৰাকী খেলুৱৈয়ে। ক্ৰীড়ানুৰাগীৰ মাজত ব্যাপক উৎসাহ জগাই তোলা এই প্ৰতিযোগিতাখনত অনুষ্ঠিত হয় ২১০খনকৈ তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ মেচ। নাগালেণ্ড, পশ্চিমবংগ, দিল্লী তথা অসমৰ বিভিন্ন জিলাৰ শীৰ্ষস্থানীয় খেলুৱৈৰ অংশগ্ৰহণেৰে চেম্পিয়নশ্বিপখন অত্যন্ত প্ৰতিদ্বন্দ্বিতাপূৰ্ণ হৈ পৰে। জুনিয়ৰ, অ'পেন আৰু মাষ্টাৰ্ছ শাখাত গঢ়ি উঠে এক তীব্ৰ প্ৰতিযোগিতামূলক পৰিৱেশ। কিশোৰ-কিশোৰী, পুৰুষ-মহিলাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলৰ বাবেও পৃথককৈ এই খেলসমূহৰ আয়োজন কৰা হয়। সকলোকে




সাঙুৰি লোৱাৰ এনে সৰ্বাংগীণ বৈশিষ্ট্যই খেলবিধৰ ব্যাপক জনপ্ৰিয়তা আৰু সৰ্বস্তৰৰ অংশগ্ৰহণৰ সঁহাৰিকে স্পষ্টভাৱে প্ৰতিফলিত কৰে। পুৰুষৰ অ'পেন ছিংগলছ আৰু ডাবলছ শাখাৰ উপৰি ৩০ আৰু ৪০ উৰ্ধৰ পুৰুষৰ ছিংগলছ, ডাবলছ তথা মিক্সড ডাবলছ শাখাত সৰ্বমুঠ ৮০ হাজাৰ টকাৰ পুৰস্কাৰ বিতৰণ কৰা হয়। এই আকৰ্ষণীয় পুৰস্কাৰ মূল্যই টুৰ্ণামেণ্টখনৰ মৰ্যাদা আৰু প্ৰতিযোগিতাৰ মাত্ৰাক অধিক সমৃদ্ধ কৰে।

# ইণ্ডোনেছিয়া অ'পেনৰ দ্বিতীয় ৰাউণ্ডত পি ভি সিন্ধু

**জাকাৰ্টা, ৩ জুনঃ** দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুৱে মঙলবাৰে ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। আনহাতে, কিদাম্বি শ্ৰীকান্তে প্ৰথম ৰাউণ্ডৰ বাধা অতিক্ৰম কৰিব নোৱাৰিলে। এই ছুপাৰ ১০০০ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা একক মেচত সিন্ধুৱে ৫১ মিনিটত থাইলেণ্ডৰ বুছানান অংবামৰুংফানক ২৫-২৩, ২১-১৬ ত পৰাস্ত কৰে। প্ৰাক্তন বিশ্ব চেম্পিয়ন সিন্ধুৱে আৰম্ভণিৰে পৰাই আগ্ৰাসী খেল খেলে। প্ৰথমখন খেলতে কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হয় যদিও আৰম্ভণিৰ পৰা শেষলৈকে গতি বজাই ৰাখি ষ্ট্ৰেইট ছেটত জয়লাভ কৰে। যোৱা সপ্তাহত ছিংগাপুৰ অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত কৰা দ্বিতীয় ৰাউণ্ডত বৰ্তমানৰ অলিম্পিক চেম্পিয়ন তথা বিশ্বৰ এক নম্বৰ এন ছে-ইয়ঙৰ মুখামুখি হোৱাৰ সম্ভাৱনা আছে ভাৰতীয় খেলুৱৈ সিন্ধুৱে। আন চে-ইয়ঙৰ বিৰুদ্ধে ভাৰতীয় খেলুৱৈগৰাকীৰ অভিলেখ ভাল নহয়। এই পৰ্যন্ত দুয়োগৰাকী খেলুৱৈৰ মাজত খেলা ৯খন মেচতে পৰাস্ত হৈছে সিন্ধু। পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডত জাপানৰ যুছি তানাকাৰ হাতত ১৯-২১, ১৫-২১ ত পৰাস্ত হৈ শ্ৰীকান্ত প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। মহিলা শাখাতো প্ৰথম ৰাউণ্ডত প্ৰতিযোগিতাখনৰ পৰা ক্ৰেচ আউট হয় মালবিকা বনছ'দ। থাইলেণ্ডৰ সপ্তম ছিড পৰ্ণপাৱী চ'চুৱঙে ২১-১২, ২১-১০ ত সহজেই পৰাস্ত কৰে মালবিকা বনছ'দ। পুৰুষৰ ডাবলছত হৰিহৰণ আমছাকৰুনান আৰু এম আৰ অৰ্জুনে এক সুন্দৰ খেল প্ৰদৰ্শন কৰি উচ্চ ৰেংকিঙৰ মালয়েছিয়ান যুটি নুৰ মহম্মদ আজৰিণ আয়ুব আৰু টান ৱী কিয়ঙৰ বিৰুদ্ধে ২১-১৮, ২১-১০ ত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে।

# ফাইনেলত ৰানাৰ্ছ আপ গুজৰাট টাইটানছে লাভ কৰে ১২.৫ কোটি, বৈভৱ সূৰ্যবংশীক অৰেঞ্জ কেপ প্ৰদান

## ২০ কোটি টকাৰ পুৰস্কাৰ লাভ চেম্পিয়ন আৰচিবিৰ



**গুজৰাট, ৩ জুনঃ** আইপিএলৰ ফাইনেলত গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰি ৰয়েল চেলেঞ্জাৰছ বেংগালুৰে একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এল ২০২৬ৰ ট্ৰফী লাভ কৰে। চমৎকাৰ বলিং প্ৰদৰ্শন কৰি আৰ চি বিয়ে গুজৰাট টাইটানছক মুঠ ১৫৫ ৰানত সীমাবদ্ধ কৰি ৰাখে। লক্ষ্য অনুসৰণ কৰি বিৰাট কোহলীয়ে ৭৫ ৰানৰ ইনিংছ খেলে। ফাইনেলত কোহলীক প্লেয়াৰ অৱ দ্য মেচৰ বঁটা প্ৰদান কৰা হয়। বৈভৱ সূৰ্যবংশীক অৰেঞ্জ কেপকে ধৰি কেইবাটাও বঁটা লাভ কৰি টুৰ্ণামেণ্টৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ঘোষণা কৰা হয়। চেম্পিয়ন ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৱে লাভ কৰে ২০ কোটি টকাৰ পুৰস্কাৰ ধন। একেৰাহে দ্বিতীয়বাৰৰ বাবে দলটোৱে খিতাপ দখল কৰিছে, আৰু একেটা স্থানতে দুয়োটা ট্ৰফী লাভ কৰিছে। ফাইনেলত ৰানাৰ্ছ আপ গুজৰাট টাইটানছে লাভ কৰে ৰচ.প্ত কোটি টকা। বৈভৱ সূৰ্য্যবংশীয়ে অৰেঞ্জ কেপ লাভ কৰাৰ লগতে তেওঁ 'মষ্ট ভেলুৱেবল প্লেয়াৰ অৱ দ্য ছিজন', 'ইমাৰ্জিং প্লেয়াৰ অৱ দ্য ছিজন', আৰু 'ছুপাৰ ষ্ট্ৰাইকাৰ অৱ দ্য ছিজন' হিচাপে নিৰ্বাচিত হোৱাৰ লগতে সৰ্বাধিক ছয় মৰা শ্ৰেষ্ঠ খেলুৱৈৰ এই বঁটা লাভ কৰে। মুঠতে তেওঁ লাভ কৰে ৪৫ লাখ টকাৰ পুৰস্কাৰৰ ধন, লগতে এখন ছিয়েৰা গাড়ী। উল্লেখ্য যে আই পি এল ২০২৬ বঁটাৰ তালিকাঃ বিজয়ীঃ আৰ চি বি -২০ কোটি, ৰানাৰ্ছ আপঃ জিটি - ১২.৫ কোটি, ছিজনৰ সৰ্বাধিক মূল্যৱান খেলুৱৈঃ বৈভৱ সূৰ্য্যবংশী -১৫ লাখ, অৰেঞ্জ কেপঃ বৈভৱ সূৰ্য্যবংশী -১০লাখ; পাৰ্পল কেপঃ কাগিছো ৰাবাদা -১০ লাখ, ছিজনৰ উদীয়মান খেলুৱৈঃ বৈভৱ সূৰ্য্যবংশী -১০ লাখ; সৰ্বাধিক ডট বলঃ মহম্মদ চিৰাজ - ১০ লাখ, ছিজনৰ ছুপাৰ ষ্ট্ৰাইকাৰ: বৈভৱ সূৰ্য্যবংশী - ছিয়েৰা কাৰ, সৰ্বাধিক ছয়ঃ বৈভৱ সূৰ্য্যবংশী - ১০ লাখ, সৰ্বাধিক চাৰিঃ সাই সুদৰ্শন - ১০ লাখ, ছিজনৰ শ্ৰেষ্ঠ কেচঃ মনীষ পাণ্ডে - ১০ লাখ, ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ: বিৰাট কোহলী - ৫ লাখ, পিটচ এণ্ড গ্ৰাউণ্ড বঁটাঃ ইডেন গাৰ্ডেনছ -৫০ লাখ, পিটচ এণ্ড গ্ৰাউণ্ড বঁটাঃ ধৰ্মশালা - ২৫ লাখ।

# কানাডাৰ ক্ৰিকেট ব'ৰ্ডক নিষিদ্ধ কৰিলে আইচিচিয়ে

**ডুবাই, ৩ জুনঃ** আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে কানাডাৰ ক্ৰিকেট ব'ৰ্ডক সদস্য সংস্থা হিচাপে নিজৰ বাধ্যবাধকতা ভংগ কৰাৰ অভিযোগ উত্থাপন কৰি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰিছে। ৩১ মে'ত আহমেদাবাদত অনুষ্ঠিত হোৱা আইচিচি ব'ৰ্ডৰ বৈঠকৰ সময়ত এই সিদ্ধান্ত লোৱা হৈছে। বিবৃতি জাৰি কৰি আইচিচিয়ে ঘোষণা কৰে যে কানাডাৰ ব'ৰ্ডক নিলম্বন কৰা হৈছে। অৱশ্যে ইয়াৰ ফলত খেলুৱৈসকলৰ কোনো প্ৰভাৱ নপৰে, তেওঁলোকে পূৰ্বৰ দৰেই আইচিচি প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্য হৈ থাকিব। যিহেতু এই সিদ্ধান্ত প্ৰশাসনিক পৰ্যায়ত লোৱা হৈছে, গতিকে খেলুৱৈসকলে যাতে কোনো ধৰণৰ আৰ্থিক ক্ষতিৰ সন্মুখীন নহয় তাৰ বাবে নিয়ন্ত্ৰিত ব্যৱস্থা ৰূপায়ণ কৰা হ'ব। প্ৰশাসনিক অভাৱ দূৰ কৰাৰ লক্ষ্যৰে কানাডাৰ ক্ৰিকেট ব'ৰ্ড পুনৰ নিযুক্তিৰ বাবে আইচিচিয়ে কিছুমান চৰ্ত নিৰ্ধাৰণ কৰিছে। এইক্ষেত্ৰত অগ্ৰগতি নিৰীক্ষণ কৰিবলৈ আইচিচিয়ে এখন কমিটী গঠন কৰিব। আহমেদাবাদত অনুষ্ঠিত ব'ৰ্ডৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। পোহৰৰ অভাৱৰ বাবে প্ৰায়ে সোনকালে টেষ্ট মেচ বন্ধ কৰা হয়। এই সন্দৰ্ভত আইচিচিয়ে গোলাপী বলটো ব্যৱহাৰ কৰাৰ পৰামৰ্শত অনুমোদন জনাইছে, যদিহে দুয়োটা দলে পাৰস্পৰিক সন্মতি সাপেক্ষে তেনে কৰিবলৈ সন্মত হয়। ফলত আগন্তুক টেষ্ট মেচৰ সময়ত যেতিয়াই পোহৰৰ অৱস্থা বেয়া হয় তেতিয়াই গোলাপী ৰঙৰ বলটো ব্যৱহাৰ কৰিব পাৰে। তদুপৰি পুৰুষৰ টি-২০ বিশ্বকাপৰ বাবে বিশ্বব্যাপী যোগ্যতা অৰ্জন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সন্দৰ্ভতো আলোচনা কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদেও ফ্ৰেঞ্চাইজি ক্ৰিকেটৰ সম্প্ৰসাৰণক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট কেলেণ্ডাৰ আৰু ফ্ৰেঞ্চাইজি লীগৰ সূচীৰ মাজত ভাৰসাম্য মূল্যায়নৰ বাবে আইচিচিয়ে গঠন কৰিছে এখন কমিটী।

# অ'কলিয়ে এমবাপে আৰু জাইলেন ব্ৰাউনৰ সৈতে মুকলি কৰিলে প্লেয়াৰ্ছ কালেকচন

**নতুন দিল্লী, ৩ জুনঃ** চশমা আৰু ছানগ্লাছৰ অগ্ৰণী ব্ৰেণ্ড অ'কলিয়ে নিজৰ প্লেয়াৰ্ছ কালেকচন অভিযানৰ শেহতীয়া সংস্কৰণ মুকলি কৰিছে, য'ত বিশ্ববিখ্যাত ক্ৰীড়া তাৰকা কিলিয়ান এমবাপে আৰু জাইলেন ব্ৰাউনক প্ৰদৰ্শন কৰা হৈছে। এই সংগ্ৰহত দুয়োগৰাকী খেলুৱৈৰ সৈতে যুটীয়াভাৱে প্ৰস্তুত কৰা বিশেষ চিগনেশ্বৰ চশমা শৃংখলা সন্নিৱিষ্ট কৰা হৈছে, যিয়ে খেলুৱৈ দুজনৰ ব্যক্তিগত শৈলী, পৰিচয় আৰু ক্ৰীড়া জগতৰ প্ৰভাৱক প্ৰতিফলিত কৰে। এই নতুন চশমাসমূহত হাইলগু জাইলেন ব্ৰাউন চিগনেশ্বাৰ চিৰিজ অন্তৰ্ভুক্ত কৰা হৈছে, য'ত একচেটিয়া কোকো ব্ৰাউন ৰং, ব্ৰাউনৰ ব্যক্তিগত ল'গ' আৰু সূৰ্যৰ পোহৰ বা ৰ'দৰ পৰা অধিক সুৰক্ষা প্ৰদান কৰিববলৈ বিশেষভাৱে ডিজাইন কৰা প্ৰিজম ৰুবী লেন্স ব্যৱহাৰ কৰা হৈছে। খেলপথাৰৰ বাহিৰত ব্ৰাউনৰ ফেশ্বন পচন্দৰ দ্বাৰা অনুপ্ৰাণিত এই চশমাযোৰ দীৰ্ঘস্থায়ী আৰু আৰামদায়ক কৰিবলৈ অত্যন্ত পাতল অ'-মেটাৰ ফ্ৰেম ব্যৱহাৰ কৰি প্ৰস্তুত কৰা হৈছে। আনহাতে, কিলিয়ান এমবাপে চিগনেশ্বাৰ চিৰিজ পাৰ্মিয়ানত প্ৰিজমTM ৰোড লেন্সৰ সৈতে এক আকৰ্ষণীয় লেন্স ডিজাইন আগবঢ়োৱা হৈছে। চশমাৰ ফ্ৰেমটোত এমবাপৰ ল'গ' থকাৰ লগতে তেওঁৰ শিপা আৰু ক্ৰীড়া যাত্ৰাৰ প্ৰতি সন্মান জনাই ফ্ৰান্সত অৱস্থিত খেলুৱৈজনৰ গৃহ চহৰ বণ্ডীৰ ভৌগোলিক স্থানাংক চশমাযোৰত খোদিত কৰা হৈছে।

# প্ৰথমবাৰ লৈ ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত আন্না কালিনস্কা

**পেৰিছ, ৩ জুন ঃ** সোমবাৰে নিশা ফ্ৰেন্স অ'পেনত আনাষ্টাচিয়া পটাপোভাৰ বিৰুদ্ধে তিনি ছেটৰ ৰোমাঞ্চকৰ খেলখনত আন্না কালিনস্কাই ৬-৪, ২-৬, ৭-৬ ৭ ত জয়লাভ কৰে। ২ ঘণ্টা ৪৯ মিনিটৰ খেলখনত জয়লাভ কৰি কেৰিয়াৰত প্ৰথমবাৰৰ বাবে ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে ২৭ বছৰীয়া ৰাছিয়ান তাৰকাগৰাকীয়ে। এই জয়ৰ জৰিয়তে পটাপোভাৰ বিৰুদ্ধে কালিনস্কায়ৰ হেড টু হেড অভিলেখ ৩-০ লৈ উন্নত হৈছে। কেৰিয়াৰৰ পঞ্চমটো ক্লে ক'ৰ্ট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে আন্না কালিনস্কা। চচ নং স্থানৰ আন্না কালিন্সকায়াৰ বাবে এয়া মাত্ৰ দ্বিতীয়খন গ্ৰেণ্ড শ্লেমত অংশগ্ৰহণ। ইয়াৰ পূৰ্বে ২০২৪ চনৰ অষ্ট্ৰেলিয়ান অ'পেনত তেওঁৰ এক তাৰকাময় প্ৰদৰ্শন আছিল। মন কৰিবলগীয়া যে এইবাৰৰ প্ৰতিযোগিতাখনৰ পূৰ্বে ৰ'লেণ্ড গাৰোছত মাত্ৰ এখন মেইন ড্ৰ' মেচত জয়ী হৈ পেৰিছত উপস্থিত হৈছিল। ক'ৰ্ট চুজেন-লেংলেনত খেলা কালিন্সকায়াই প্ৰথম ছেটত ৪-১১ পৰা উল্লেখযোগ্য প্ৰত্যাৱৰ্তন কৰি অগ্ৰগতি লাভ কৰে। অৱশ্যে ২৮ নং ছিড অষ্ট্ৰিয়াৰ পোটাপোভাই দ্বিতীয় ছেটত জয়লাভ কৰি মেচখন নিৰ্ণায়ক তৃতীয় ছেটত প্ৰৱেশ কৰিবলৈ বাধ্য কৰে। তৃতীয় আৰু নিৰ্ণায়ক চেটটোৱে আৰু অধিক আচৰিত ধৰণৰ টুইষ্ট আগবঢ়াইছিল। ১-৪ ত পিছ পৰি থকাৰ পিছত পটাপোভাই শক্তিশালী প্ৰত্যাৱৰ্তন কৰে, আনকি ৫-৪ আৰু ৬-৫ ত মেচখনৰ বাবে চাৰ্ভিচ কৰাৰ দুটা সুযোগো লাভ কৰে। অৱশ্যে কালিনস্কাই প্ৰতিবাৰেই নিজৰ স্থিৰতা বজাই ৰাখি মেচখন টাই ব্ৰেকলৈ লৈ যায়। ইয়াৰ পিছতো খেলখন ৰোমাঞ্চকৰ হৈয়েই থাকিল। টাই ব্ৰেকত পটাপোভাই ৪-১ ত অগ্ৰগতি লাভ কৰিছিল আৰু জয়ৰ ভাগ্যত থকা যেন লাগিছিল যদিও কালিনস্কাই নিজৰ কিছুমান ভুলৰ মূলধন হিচাপে লৈ শক্তিশালী প্ৰত্যাৱৰ্তন ঘটাই মেচখন সম্পূৰ্ণৰূপে ঘূৰাই আনিছিল।

# ১২ জুনৰ পৰা আৰম্ভ হ'ব মহিলা টি-২০ বিশ্বকাপ


## ইংলেণ্ড-শ্ৰীলংকাৰ মাজত উদ্বোধনী মেচ

**নতুন দিল্লী, ৩ জুনঃ** ১২ জুনৰ পৰা আৰম্ভ হ'ব মহিলা টি-২০ বিশ্বকাপ ২০২৬। এই প্ৰতিযোগিতাখনৰ দশম ছিজন ৫ জুলাইলৈকে চলিব। এইবাৰ বিশেষ হৱৈ মহিলা টি-২০ বিশ্বকাপ, কিয়নো ইতিহাসত প্ৰথমবাৰৰ বাবে ৰচটা দলে ট্ৰফীৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখনৰ উদ্বোধনী খেলখন অহা ১২ জুনত আয়োজক ইংলেণ্ড আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় মহিলা ক্ৰিকেট দলে অহা ১৪ জুনত তীব্ৰ প্ৰতিদ্বন্দ্বী পাকিস্তানৰ বিৰুদ্ধে যুঁজৰ জৰিয়তে এই



প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব। ভাৰতীয় অনুৰাগীৰ বাবে ভাল খবৰটো হ'ল যে টিম ইণ্ডিয়াৰ মেচসমূহ অতি সুবিধাজনক সময়ত অনুষ্ঠিত হ'ব। সকলো মেচ ৭ বজাৰ পৰা আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত স্থান নিশ্চিত কৰা শেষৰ চাৰিটা দল হ'ল বাংলাদেশ, আয়াৰলেণ্ড, স্কটলেণ্ড আৰু নেদাৰলেণ্ড। নেপালত অনুষ্ঠিত হোৱা আই চি চি মহিলা টি-২০ বিশ্বকাপ কোৱালিফায়াৰত ভাল প্ৰদৰ্শন কৰি এই চাৰিটা দলে মূল ৰাউণ্ডত নিজৰ স্থান নিশ্চিত কৰে। এতিয়া এই চাৰিটা কোৱালিফায়াৰে খিতাপৰ বাবে শক্তিশালী প্ৰতিদ্বন্দ্বী বুলি গণ্য কৰা কিংবদন্তি দলসমূহক প্ৰত্যাহ্বান জনোৱা দেখা যাব। মূল প্ৰতিযোগিতাখনত ইতিমধ্যে ছবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়া, ডিফেণ্ডিং চেম্পিয়ন নিউজিলেণ্ড, ২০০৯ চনত আয়োজক আৰু উদ্বোধনী বিজয়ী ইংলেণ্ড, ২০১৬ চনত খিতাপ জয় কৰা ৱেষ্ট ইণ্ডিজ আৰু বৰ্তমানৰ এদিনীয়া বিশ্বকাপ চেম্পিয়ন ভাৰত আদি দল অন্তৰ্ভুক্ত কৰা হৈছে।

# ফিফা বিশ্বকাপ ২০৩০ আয়োজনৰ বাবে স্পেইনৰ বিলবাও-ছান চেবাষ্টিয়ানে দাখিল কৰিব যৌথ নিবিদা



**মাদ্ৰিদ, ৩ জুনঃ** স্পেইনৰ বাস্ক অঞ্চলৰ বিলবাও আৰু ছান চেবাষ্টিয়ান চহৰে ফিফা বিশ্বকাপ ২০৩০ আয়োজনৰ বাবে যৌথভাৱে একক নিবিদা দাখিল কৰাৰ আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰিছে। স্পেইন, পৰ্তুগাল, আৰু মৰক্কোত অনুষ্ঠিত হ'ব বিশ্বকাপ। দুয়োখন চহৰ আৰু বাস্ক আঞ্চলিক চৰকাৰৰ বিষয়াসকলে সোমবাৰে কয় যে দুয়োখন আয়োজক চহৰৰ প্ৰতিষ্ঠানসমূহে ২০৩০ চনৰ বিশ্বকাপৰ আয়োজক হ'বলৈ বিগত চাৰি বছৰ ধৰি অধ্যৱসায়ীভাৱে কাম কৰি আহিছে আৰু আগন্তুক পৰ্যায়তো এই পথ অব্যাহত ৰাখিব। বাস্ক প্ৰতিষ্ঠানসমূহৰ মতে, সিদ্ধান্ত লোৱা হৈছিল যে প্ৰথম অৱস্থাত দুটা পৃথক নিবিদা দাখিল কৰাৰ পৰিৱৰ্তে দুয়োটা স্থানৰ মাজত আলোচনা প্ৰক্ৰিয়াৰ সময়ত ফিফাক একক বাজেট দাখিল কৰা হ'ব, য'ত তেওঁলোকে পূৰণ কৰিববলৈ ইচ্ছুক দিশসমূহৰ ৰূপৰেখা দাঙি ধৰা হ'ব। ইয়াৰ দ্বাৰা কল্পনা কৰা হৈছে যে দুয়োটা স্থানকে একক আয়োজক স্থান হিচাপে গণ্য কৰা হ'ব, প্ৰতিখন ষ্টেডিয়ামতে দুখনকৈ গ্ৰুপ পৰ্যায়ৰ মেচ অনুষ্ঠিত হ'ব। এই পদক্ষেপৰ ফলত বিলবাও আৰু ছান চেবাষ্টিয়ানে এথলেটিক বিলবাওৰ ছান মামেছ ষ্টেডিয়াম আৰু ৰিয়েল ছ'চিয়েডাডৰ আনোয়েটা ষ্টেডিয়ামক বিশ্বকাপৰ আয়োজক স্থান হিচাপে ব্যৱহাৰ কৰাৰ বাবে দাখিল কৰা পৃথক পৃথক নিবিদাৰ শৃংখলাৰ অন্ত পৰিল। মাত্ৰ ১০১ কিলোমিটাৰ দূৰত্বত পৃথক এই দুখন চহৰ আৰু ষ্টেডিয়ামে এতিয়া যৌথভাৱে নিবিদা কৰিব। ফিফা বিশ্বকাপ ২০৩০ত কেইবাটাও ঐতিহাসিক মাইলৰ খুঁটি চিহ্নিত হ'ব। ২০১০ চনৰ পিছত আফ্ৰিকালৈ উভতি আহি উত্তৰ আফ্ৰিকাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব বিশ্বকাপ। তদুপৰি ২০১৪ চনৰ পিছত দক্ষিণ আমেৰিকাত আৰু ২০১৮ চনৰ পিছত ইউৰোপত অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। দেশৰ ক্ষেত্ৰত এইটোৱেই হ'ব মৰক্কো, পৰ্তুগাল, পেৰাগুৱেই আয়োজন কৰা প্ৰথমখন বিশ্বকাপ। ১৯৩০ চনৰ উদ্বোধনী বিশ্বকাপৰ পিছত উৰুগুৱেই পুনৰ বিশ্বকাপৰ মেচ, ১৯৭৮ চনৰ পিছত আৰ্জেণ্টিনা আৰু ১৯৮২ চনৰ পিছত স্পেইন।এই প্ৰতিযোগিতাখন হ'ব ফুটবল ইতিহাসৰ আটাইতকৈ অনন্য বিশ্বকাপ, য'ত তিনিখন মহাদেশ আৰু ছখন দেশ সামৰি লোৱা হ'ব।

# ৪ বছৰৰ পিছত পুনৰ পেছাদাৰী টেনিছ লৈ উভতিব সাজু ছেৰেনা উইলিয়ামছ

**নিউয়ৰ্ক, ৩ জুন ঃ** পেছাদাৰী টেনিছৰ পৰা প্ৰায় চাৰি বছৰ আঁতৰি থকাৰ পাছত ৪৪ বছৰীয়া ছেৰেনা উইলিয়ামছে ডব্লিউ টি এ ট্যুৰলৈ উভতি আহিবলৈ সাজু হৈছে। কুইনছ ক্লাবত পুনৰ নিজৰ কেৰিয়াৰ আৰম্ভ কৰিব ছেৰেনাই। এইখন উইম্বলডনৰ পূৰ্বে অনুষ্ঠিত হোৱা প্ৰতিযোগিতা। ২৩ বাৰৰ গ্ৰেণ্ড শ্লেম একক চেম্পিয়ন ছেৰেনা উইলিয়ামছে ২০২২ চনত অৱসৰ গ্ৰহণ কৰিছিল। দুগৰাকী কন্যাৰ মাতৃ হিচাপে প্ৰতিযোগিতালৈ ঘূৰি আহিব। ২০১৭ চনত অলিম্পিয়াক জন্ম দিয়ে ছেৰেনাই। ২০২৩ চনত তেওঁৰ দ্বিতীয় কন্যা আদিৰাৰ জন্ম হয়। ছেৰেনা উইলিয়ামছৰ প্ৰত্যাৱৰ্তনে টেনিছ জগতত উত্তেজনাৰ সৃষ্টি কৰিছে। বহুতে ইয়াক তেওঁৰ কেৰিয়াৰৰ আন এক ঐতিহাসিক মুহূৰ্ত বুলি গণ্য কৰে, যিটো কেৰিয়াৰে বাৰে বাৰে এই ক্ৰীড়াৰ মুখখন সলনি কৰি আহিছে। মাতৃ হোৱাৰ পিছত পেছাদাৰী টেনিছলৈ ঘূৰি অহা বিশ্বৰ ৰ নং স্থানৰ প্ৰাক্তন খেলুৱৈৰ এটা অভিজাত গোটত যোগদান কৰিছে উইলিয়ামছে। এই গোটত আছে মাৰ্গাৰেট ক'ৰ্ট, ইভন গুলাগং ক'লি, লিণ্ডচে ডেভেনপ'ৰ্ট, কিম ক্লিজষ্টাৰছ, ভিক্টোৰিয়া আজাৰেংকা, কেৰ'লিন ৱ'জনিয়াকি, এঞ্জেলিক কেৰবাৰ, আৰু নাওমি ওছাকা। ১৯৯৫ চনত ক্যুবেক চহৰত প্ৰথমখন ডব্লিউ টি এ কোৱালিফাইং মেচ খেলা উইলিয়ামছে ১৯৯৭ চনত ১৫ বছৰ বয়সত মস্কোত মেইন ড্ৰ'ত অভিষেক ঘটায় আৰু দ্ৰুতগতিত আগবাঢ়ি যায়। ১৯৯৮ চনৰ শেষৰ ফালে ছেৰেনাই শীৰ্ষ ২০ৰ ভিতৰত স্থান লাভ কৰে। ১৯৯৯ চনত পেৰিছত প্ৰথমবাৰৰ বাবে ডব্লিউ টি এ খিতাপ আৰু ইউ এছ অ'পেনত প্ৰথম গ্ৰেণ্ড শ্লেম খিতাপ লাভ কৰে। ২০০২ চনৰ ৮ জুলাইত ২০ বছৰ বয়সত প্ৰথমবাৰৰ বাবে বিশ্বৰ ১ নং স্থান দখল কৰিছিল। উইলিয়ামছে একেৰাহে ১৮৬ সপ্তাহকে ধৰি মুঠ ৩১৯ সপ্তাহ ধৰি শীৰ্ষস্থান দখল কৰিছিল। বছৰৰ শেষৰ ফালে পাঁচবাৰকৈ ১ নং স্থান লাভ কৰিছিল। ২০১৭ চনৰ এপ্ৰিল মাহত ৩৫ বছৰ বয়সত শীৰ্ষ ৰেংকিং দখল কৰা আটাইতকৈ বয়সীয়াল মহিলা হিচাপে পৰিগণিত হয়। উইলিয়ামছে ২৩ টা ডাবলছ খিতাপ লাভ কৰে, ইয়াৰে ২২টা তেওঁৰ ভগ্নী ভেনাছ উইলিয়ামছৰ সৈতে। ১৪খন গ্ৰেণ্ড শ্লেমৰ ফাইনেলত অপৰাজিত হৈ আছে এই যুটি। উইলিয়ামছে বিশ্বৰ ৰ নং ডাবলছ ৰেংকিঙতো অৰ্জন কৰাৰ লগতে একাধিক অলিম্পিক স্বৰ্ণ পদক লাভ কৰে। টেনিছ ইতিহাসৰ একমাত্ৰ টেনিছ খেলুৱৈ যিয়ে একক আৰু ডাবল দুয়োটাতে কেৰিয়াৰ গোল্ডেন শ্লেম সম্পূৰ্ণ কৰিছে। দুয়োটা ইভেণ্টতে গ্ৰেণ্ড শ্লেমৰ চাৰিওটা খিতাপ আৰু অলিম্পিকৰ স্বৰ্ণ পদক লাভ কৰিছে।

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ক, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন